# নলবাৰী জিলাৰ কাপলাবড়ীত ৩৮ নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বৰক্ষেত্ৰী ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত আৰু সমূহ মণ্ডল কংগ্ৰেছ কমিটিৰ সহযোগত কৰ্মীসভা



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ কাপলাবড়ীত আজি কংগ্ৰেছে দলৰ এখন গুৰুত্বপূৰ্ণ কৰ্মীসভা অনুষ্ঠিত হয়। সভা অনুষ্ঠিত হোৱাৰ পূৰ্বে সদ্যপ্ৰয়াত উপস্থিত সকলোৱে গণশিল্পী তথা অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গ, লৌহ মানৱ প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেল, প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী, গৰীৱৰ বন্ধুখ্যাত প্ৰয়াত ডাক্তৰ ভূমিধৰ বৰ্মনলৈ শ্ৰদ্ধাঞ্জলি জনায়। আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ ৰণকৌশল প্ৰস্তুত কৰাৰ উদ্দেশ্যে অনুষ্ঠিত হোৱা সভাখন বন্দে মাতৰম গীতেৰে আৰম্ভ কৰা হয়। ইয়াৰ পিছতে উপস্থিত সকলোৱে 'মায়াবিনী ৰাতিৰ বুকুত'- শীৰ্ষক গীত পৰিৱেশন কৰি প্ৰয়াত গণশিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনায়। বৰক্ষেত্ৰী সমষ্টিৰ স্থানীয় বিধায়ক দিগন্ত বৰ্মণে আঁতধৰা সভাখনত উপস্থিত থাকে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদিকা তথা বটদ্ৰৱা সমষ্টিৰ কংগ্ৰেছ দলৰ বিধায়িকা শিৰামণি বৰা, কমলপুৰ বিধানসভা সমষ্টিৰ অগপৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা, ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, বৰক্ষেত্ৰী সমষ্টিৰ স্থানীয় বিধায়ক দিগন্ত বৰ্মণ, নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰী, নলবাৰী জিলা কংগ্ৰেছৰ উপ - সভাপতি জেহেৰুল হক, বৰক্ষেত্ৰী সমষ্টিৰ যুৱ-কংগ্ৰেছৰ সভাপতি কাৰ্তিক তালুকদাৰ, কংগ্ৰেছে দলৰ জিলা পৰিষদৰ একমাত্ৰ সদস্য আব্দুল কাদেৰ, বৰক্ষেত্ৰী ব্লক মহিলা কংগ্ৰেছৰ সভানেত্ৰী ৰীণা মণি বড়ো, কমলপুৰ সমষ্টিৰ জ্যেষ্ঠ কংগ্ৰেছ নেতা নাজিৰউদ্দিন আহমেদে, বৰভাগ ব্লক কংগ্ৰেছৰ সভাপতি লক্ষ্মীধৰ কলিতা, প্ৰাক্তন জিলা পৰিষদৰ সদস্যা বৰ্ণালী বৰ্মণ কলিতা, নলবাৰী জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক ছাদুল্লা আলী, জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা কমলপুৰ সমষ্টিৰ সেৱা দলৰ অধ্যক্ষ কৈলাস কলিতা, নলবাৰী জিলা সংখ্যালঘু কোষৰ অধ্যক্ষ নেকিবুদ্দিন আহমেদ প্ৰমুখ্যে ভালেমান নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত শিৰামণি বৰাই দিগন্ত বৰ্মণ ২০২৬ ৰ নিৰ্বাচনত জয়লাভ কৰাটো নিশ্চিত বুলি কৈ গৌৰৱ গগৈৰ নেতৃত্বত গঠিত চৰকাৰৰ মন্ত্ৰিত্ব লাভ কৰিব বুলিও দাবী কৰে। আনহাতে, ৪২ দিন পিছতো জুবিন গাৰ্গে ন্যায় নোপোৱা প্ৰসংগত সোচ্চাৰ হৈ পৰে বিধায়িকাগৰাকী। কংগ্ৰেছে দলৰ প্ৰতি সকলোৱে স্বতঃস্ফুৰ্তভাৱে আগবাঢ়ি আহিছে বুলি উল্লেখ কৰি যোৱা ১০ বছৰত বিজেপি চৰকাৰৰ পৰা ৰাইজ ভুক্তভোগী হোৱাৰ কথা কৈ একো ইছু নোহোৱা বাবেই সাম্প্ৰদায়িকতাৰ কলুষিত বীজ সিঁচি দিয়াৰ কথা কৈ অসমৰ মৌলিক সমস্যা সমাধানৰ ক্ষেত্ৰত কোনো ধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰে। অসমৰ ৰাইজে বিজেপিৰ মিছা কথা বুজি উঠিছে বুলি উল্লেখ কৰি নিৰ্বাচন আহিলেই মহিলাসকলক ভুলাবৰ চেষ্টা কৰাৰ কথাও উল্লেখ কৰে বিধায়িকাগৰাকীয়ে। ৰাইজৰ টকাৰে ৰাইজক হিতাধিকাৰী হিচাপে সজোৱাৰ চেষ্টা কৰাৰ কথাও উল্লেখ কৰি ঔষধৰ মূল্যবৃদ্ধিৰ কথা কৈ অৰুণোদয়ৰ ১২৫০ টকাৰে ঘৰ এখন নচলে বুলিও কয়। কংগ্ৰেছৰ দিনত মাজনী, মামণি আদি আঁচনি দিয়াৰ কথা কৈ আঁচনি পোৱাটো মহিলাসকলৰ প্ৰাপ্য অধিকাৰ বুলি কৈ এই আঁচনিৰে ২০২৬ৰ নিৰ্বাচনত যাতে মহিলাসকলক প্ৰলোভিত কৰিব নোৱাৰে তাৰ বাবে সাৱধান হৈ থাকিবলৈও মহিলাসকলক আহ্বান জনায়। বিজেপি চৰকাৰক উৎখাত নকৰিলে ৰাইজৰ বহুত অসুবিধা হ'ব বুলিও মন্তব্য কৰি আগন্তুক নিৰ্বাচনত বিজেপি চৰকাৰক এসেকা দিবলৈ সকলোকে আহ্বান জনায়। গুৰুজনাৰ জন্মস্থান তথা নিজৰ সমষ্টি বটদ্ৰৱা সমষ্টিকে নাইকিয়া কৰি পেলোৱাৰ কথা কৈ ক্ষোভ প্ৰকাশ কৰি ইয়াৰ বাবে তেওঁলোকে পাপৰ ফল ভুগিব লাগিব বুলিও উল্লেখ কৰে। আনহাতে, ভাষণ প্ৰসংগত বিধায়ক ৰেকিবুদ্দিন আহমেদ চতুৰ্থবাৰৰ বাবে বিধায়ক তথা মন্ত্ৰী হ'বলৈ গৈ আছে বুলিও মন্তব্য কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মণে। আনহাতে, সত্যব্ৰত কলিতাই ভাষণ প্ৰসংগত কয় যে প্ৰয়াত বল্লভ ভাই পেটেলৰ আজি জন্মদিনতেই শ্ৰদ্ধাঞ্জলি জনাবলৈ পোৱাটো সৌভাগ্য বুলিও উল্লেখ কৰে। জুবিন গাৰ্গ কায়িকভাৱে নোহোৱা হোৱাটো জনজীৱন স্তব্ধ হৈ পৰাৰ লেখীয়া বুলি কৈ জুবিন গাৰ্গক অসমৰ জনতাৰ হৃদয়ৰ স্পন্দন বুলি উল্লেখ কৰে।আনহাতে, জুবিন গাৰ্গৰ মৃত্যু ৰহস্য উদঘাটন নোহোৱাটোক লৈও সমালোচনা কৰে। জুবিন গাৰ্গক হত্যা কৰা হ'ল বুলি উল্লেখ কৰা মুখ্যমন্ত্ৰীয়ে দিনত এটা ৰাতি এটা কথা কয় বুলিও কয়। আনহাতে, হিমন্ত বিশ্ব শৰ্মাই সিদ্ধাৰ্থ শৰ্মা আৰু শ্যামকানু মহন্তৰ দৰেই জুবিন গাৰ্গক অৱহেলা কৰিলে বুলিও সমলোচনা কৰে। বা'ৰ নিকাচিৰ জেলত গুলী খাইছে হিন্দু ল'ৰাই আৰু মাৰ খাইছে মুছলিম মানুহে, এনেদৰে প্ৰথমৰ পৰাই ৰাজনীতি কৰিছে অসমৰ মুখ্যমন্ত্ৰীয়ে। জুবিন গাৰ্গৰ মৃত্যু ৰহস্য অসমৰ ৰাইজে উপলব্ধি নকৰিবলৈকে অসমৰ মুখ্যমন্ত্ৰীয়ে আবোল তাবোল বকিবলৈ লৈছে। আপুনি নিজৰ চকীখনৰ মৰ্যাদা ৰক্ষা কৰক বুলি কৈ অসমত আজি এজনেই মন্ত্ৰী বুলিও তীব্ৰ কটাক্ষ কৰে। সকলো কামতে আনকি চি আই ডি ৰ মুন্না প্ৰসাদ গুপ্তাৰ কথাও মুখ্যমন্ত্ৰীয়ে নিজেই কয় বুলিও তীব্ৰ সমলোচনা কৰে। অসমৰ ৰাইজে আজি অৰুণোদয় নিবিচাৰি জুবিন গাৰ্গৰ ন্যায় বিচাৰিছে বুলি কৈ এতিয়া মানুহক পৰিবৰ্তন নালাগে বিজেপিৰ পৰা পৰিত্ৰাণ লাগে বুলিও কয়। অসমৰ ৰাইজক হিমন্ত বিশ্ব শৰ্মাই হেঁচা দি ৰাখিব নোৱাৰে বুলি কৈ পেট্ৰলৰ মূল্য ১০০ টকা হোৱাৰ কথা কৈ মূল্যবৃদ্ধিত জুৰুলা হোৱা ৰাইজৰ কথা কয়। অসমখন শংকৰ-আজানৰ দেশ বুলি উল্লেখ কৰি ৰাইজে এতিয়া বিজেপিক পেনাল্টী দিব বুলিও তীৰ্যক মন্তব্য কৰে। হিন্দু-মুছলিমৰ মাজত সংঘাতৰ সৃষ্টি নহ'লে এইবাৰ কংগ্ৰেছ দলক কোনেও পৰাভূত কৰিব নোৱাৰে বুলিও উল্লেখ কৰে। শঙ্কৰদেৱৰ জন্মস্থানৰ সমষ্টিটোকো নাইকিয়া কৰি দিয়াৰ কথা কৈ আমাক আৰু কোনেও হিন্দু-মুছলিমৰ নামত বিভাজন কৰিব নোৱাৰে বুলিও উল্লেখ কৰে। ২০১৬ চনত অসম গণ পৰিষদৰ সৈতে কংগ্ৰেছৰ বিৰোধিতা কৰাৰ কথা উল্লেখ কৰি অসমত বৰ্তমান নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাস চলাই থকাৰো কথা কয়। গো-মাতাৰ ৰক্ষক বিজেপিৰ মন্ত্ৰীসকলে গৰুকেইটা চুৰি কৰাৰ কথা কৈ জয়ন্ত মল্ল বৰুৱা, দিগন্ত কলিতাই কেনেকৈ চলিব বুলিও মুখ্যমন্ত্ৰীয়ে পাতল কথা কয়। শিক্ষকক টিউটৰ কৰি পেলোৱা চৰকাৰে অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰকেই বন্ধ কৰি পেলোৱাৰ কথা কৈ নিবনুৱাৰ সংস্থাপন দিয়াৰ কথাক অগ্ৰাধিকাৰ দিবলৈ চৰকাৰক দাবী জনায়। ভাৰতীয় লোকক উচ্ছেদ কৰি আদানী আৰু আম্বাণীক মাটি দিছে চৰকাৰে। বসুন্ধৰা আঁচনিৰ জৰিয়তে তেওঁলোকে নিজৰ নামত মাটিবোৰ কৰি ল'লে। অসমৰ ৰাইজক কেৱল প্ৰলোভন দেখুৱাইছে বিজেপি চৰকাৰে। পৰিৱৰ্তনৰ লগতে ৰাইজক আজি বিজেপিৰ পৰা পৰিত্ৰাণ লাগে বুলিও উল্লেখ কৰে। কেৱল বৰক্ষেত্ৰী বা নলবাৰীয়েই নহয় আমি অসমখনকেই জিকাব লাগিব। বিধায়ক দিগন্ত বৰ্মনক দক্ষ ৰাজনীতিবিদ বুলি কৈ কম কথা কৈ নীৰৱে ৰাইজৰ হৈ কাম কৰি থকাৰ কথা কয় প্ৰাক্তন অগপ বিধায়ক সত্যব্ৰত কলিতাই। শেষত, জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা আবৃত্তি কৰি অসমৰ ৰাইজক জ্যোতিপ্ৰসাদৰ বাণীৰে একত্ৰিত হৈ থকাৰ বাবে আহ্বান জনায়। আনহাতে, নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল পাটোৱাৰীয়ে ভাষণ প্ৰসংগত কয় যে বহুতেই চৰ্দাৰ বল্লভভাই পেটেল আৰু নেহেৰুৰ সম্পৰ্ক বেয়া বুলি প্ৰতিপন্ন কৰিব বিচাৰে, কিন্তু সেয়া নহয়। অৰ্থনৈতিক মন্দৱস্থাই সমগ্ৰ বিশ্বক গ্ৰাস কৰাৰ সময়ত ভাৰতবৰ্ষক ইন্দিৰা গান্ধীয়ে সুৰক্ষিত কৰি ৰাখিছিল বুলিও উল্লেখ কৰে। বিজেপিৰ বুথ পৰ্য্যায়ৰ সভাপতিয়ে জিঅ' টেগত ভাগ লোৱাৰ কথা কৈ ইয়াৰ তীব্ৰ বিৰোধিতা কৰাৰ পিছত সকলোৱে ঘৰত জিঅ' টেগ কৰাৰ কথা উল্লেখ কৰে নলবাৰী জিলা কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। লাখপতি বাইদেউ, অমৃত কলহ, অৰুণোদয় আদিৰে অসমৰ মহিলাক আভুৱা ভৰা বুলি কৈ বিজেপিক ফল নিদিয়া গছ বুলিও কটাক্ষ কৰে। ১০ হেজাৰ টকা দিম বুলি কৈ অসমৰ মহিলাক আভুৱা ভাৰিছে বিজেপি চৰকাৰে। আঁচনিৰ জৰিয়তে চৰকাৰ গঠনৰ সপোন দেখাটো দিল্লীৰ মুখ্যমন্ত্ৰীৰ দৰেই হ'ব বুলিও মন্তব্য কৰে। আনহাতে, সভাৰ আঁত ধৰা সময়ত বিধায়ক দিগন্ত বৰ্মণে কয় যে এইখন দেশ কাৰো বাপেকৰ সম্পত্তি নহয়, অসমৰ ৰাইজৰ কৰ- কাটলেৰে চৰকাৰ চলি আছে। আনহাতে, ছয়গাওঁ সমষ্টিৰ বিধায়ক ৰেকিবউদ্দিন আহমেদে ভাষণ প্ৰসংগত উল্লেখ কৰে যে অশোক শৰ্মাই এতিয়া এখন বিশাল ক্ষেত্ৰত কাম কৰি আছে। জুবিন গাৰ্গ, বল্লভ ভাই পেটেল, ইন্দিৰা গান্ধী, ভূমিধৰ বৰ্মনৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলিৰ লগতে মাল্যাৰ্পণ কৰাটোও এক যোগাত্মক পৰিৱেশ বুলিও প্ৰশংসা কৰে। অনাগত দিনবোৰত গৌৰৱ গগৈৰ নেতৃত্বত নলবাৰীৰ প্ৰত্যেকটো বিধানসভা সমষ্টিত কংগ্ৰেছ দলৰ বিধায়ক নিৰ্বাচিত হ'ব বুলিও মন্তব্য কৰে। ভাৰতীয় জাতীয় কংগ্ৰেছক বিভাজিত কৰিবলৈ কোনোৱে ব্যৰ্থ চেষ্টা কৰাটো উচিত নহ'ব বুলিও সকীয়াই দি এইখন কেৱল এখন কৰ্মী সভা নহয়, এয়া আমাৰ হৃদয়ৰ সভা বুলিও কয়। অসমৰ মুখ্য মন্ত্ৰীয়ে আজি কেৱল গৌৰৱ গগৈকে চিনি পায় বুলিও কটাক্ষ কৰে। জুবিন গাৰ্গৰ মৃতদেহ আহি পোৱাৰ পূৰ্বে এয়াৰপৰ্টত গৌৰৱ গগৈয়ে উজাগৰী নিশা পাৰ কৰিছিল বুলি কৈ কম বয়সতে ইমানখিনি ত্যাগ কৰাৰ কথা দোহাৰে। অসমৰ জনজীৱনত প্ৰয়াত ভূমিধৰ বৰ্মণৰ গুৰুত্ব অপৰিসীম বুলিও উল্লেখ কৰি দিগন্ত বৰ্মণৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰে। আনহাতে, অশোক শৰ্মাই ভাষণ প্ৰসংগত এটা সাধু উল্লেখ কৰি কয় ভাল দিন আহিব বুলি কৈ বেয়া দিন আনিছে বিজেপিয়ে। প্ৰতি মুহূৰ্ততে প্ৰলোভন দেখুৱাইছে, তাৰ পৰা আমি মুক্ত হ'ব নোৱাৰিলে ধৰ্মৰ নামত, ভয়-ভীতি দেখুৱাই আমাক শোষণ কৰি থাকিব। শেষত, বিধায়ক দিগন্ত বৰ্মণে "মইনথকাৰ অনুভৱ" শীৰ্ষক গীত পৰিৱেশন কৰি জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনায়। নলবাৰীৰ তিনিওটা সমষ্টি কংগ্ৰেছে দলে দখল কৰিব বুলি মন্তব্য কৰে দিগন্তবৰ্মণে। শেষত, ৰাষ্ট্ৰীয় সংগীতেৰে সভাখনৰ সামৰণি পৰে।

ইতিহাসত নাম লিখি অভূতপূৰ্ব ভিৰ

# জুবিন গাৰ্গৰ সপোনৰ ছবি 'ৰৈ ৰৈ বিনালে'ৰ অসমত অভূতপূৰ্ব দৰ্শনী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ** অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অন্তিম ছবি 'ৰৈ ৰৈ বিনালে' ৩১ অক্টোবৰ, ২০২৫ তাৰিখে গুৱাহাটীসহ অসমজুৰি তথা দেশৰ অৰ্ধশতাধিক ছবিগৃহত মুক্তি লাভ কৰিছে, য'ত দৰ্শকৰ ভিৰে চিনেমাঘৰবোৰ উজলাই তুলিছে। ছবিখনৰ মুক্তিৰ আগতেই অসমবাসীৰ আবেগৰ ধুমুহা উঠিছে, সামাজিক মাধ্যমত ভাইৰেল হৈছে ছবিখনলৈ দৰ্শকক আহ্বান জনোৱা জুবিনৰ নিজৰ হাতৰ টোকা। 'ৰৈ ৰৈ বিনালে' এটা সম্পূৰ্ণ সংগীতময় আৰু আবেগপূৰ্ণ সৃষ্টিৰ ৰূপত দৰ্শকৰ হৃদয়ত স্থান পাইছে। ছবিখনৰ গল্প আৰু সংগীতত নিজৰ দীৰ্ঘদিনৰ সপোনক জুবিনে সজাই তুলিছিল— প্ৰায় ১৭ বছৰৰপৰা মনত তুলি লৈ যোৱা কাহিনীৰ আধাৰত, তেওঁৰ অভিনয়ত অন্ধ গায়কৰ চৰিত্ৰ 'ৰাহুল' হ'ল ছবিখনৰ কেন্দ্ৰবিন্দু। ছবিখনৰ মুক্তিৰ পূৰ্বেই টিকট বুকিং অনলাইনত আৰম্ভ হোৱাৰ লগে লগে একাধিক চিনেমাঘৰতে টিকট SOLD OUT হৈ পৰিছে। দৰ্শকৰ ভিৰৰ হাহাকাৰে চিনেমাঘৰত টিকট নাথাকিলেও কিছু স্থানত বিছনাৰ পিঁড়ি লৈ ছবি চাবলৈ সাজু হৈ পৰিছে অনুৰাগী। ছবিখনৰ মুক্তিৰ দিনত গুৱাহাটী মেট্ৰিস্ক ছবিগৃহত পুৱতি নিশা ৪ঃ২৫ত প্ৰথম দৰ্শনী, য'ত দৰ্শকে শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনাই উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে। ৯০ বছৰৰ অসমীয়া চিনেমা ইতিহাসত 'ৰৈ ৰৈ বিনালে'ৰ মুক্তিৰ আগতে এতিয়া দৰ্শকৰ এনে আবেগিক প্ৰতিক্ৰিয়া কেতিয়াও দেখা হোৱা নাছিল। ছবিখনৰ পৰা লাভ হোৱা GST কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেশ্যনলৈ দান কৰা সিদ্ধান্তই এই উৎসৱটি অধিক অৰ্থবহ কৰি তুলিছে। এই ব্যতিক্ৰমী দৰ্শনী আৰু মুক্তিত জুবিন গাৰ্গৰ অনুপস্থিতিতো তেওঁৰ সপোনে অসমীয়াৰ প্ৰাণত উলাহ আৰু আবেগৰ স্পন্দন তুলিছে, যি বহু বছৰলৈ অসমীয়া সমাজৰ স্মৃতিৰ পাতত এটি উজ্জ্বল ইতিহাস হৈ থাকিব।

# দৰঙৰ দীঘিৰপাৰত ১১ দিনীয়াকৈ ৰাস মহোৎসৱৰ প্ৰস্তুতি

**অসম বাৰ্তা, দেওমৰনৈ, ১ নৱেম্বৰ ঃ** দৰং জিলাৰ কমলাকুঁৱৰী খ্যাত ঐতিহাসিক দীঘিৰপাৰত বিগত বৰ্ষৰ দৰে এইবেলিও এঘাৰ দিনীয়াকৈ এসত্তৰ সংখ্যক শ্ৰী শ্ৰীকৃষ্ণ ৰাস মহোৎসৱ উদ্যাপন আৰু সনাতন ধৰ্মালোচনা সভাৰ পূৰ্ণ প্ৰস্তুতি চলিছে। দীঘিৰপাৰ শ্ৰীশ্ৰীহৰি মন্দিৰৰ বাকৰিত মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু দীঘিৰপাৰকেন্দ্ৰিক বৃহত্তৰ অঞ্চলৰ ৰাইজৰ সহযোগত ৪ নৱেম্বৰৰ পৰা ১৪ নৱেম্বৰলৈ উদযাপিত হ'ব ৰাস মহোৎসৱ। পৰিচালনাৰ বাবে ইতিমধ্যে দৰং-ওদালগুৰি লোক সভা সমষ্টিৰ সাংসদ তথা ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়াক সভাপতি, জীতেন্দ্ৰ নাথ বৰুৱাক কাৰ্যকৰী সভাপতি, দীপক ডেকাক মুখ্য সম্পাদক, ডিম্বেশ্বৰ বৈশ্য আৰু মহেশ ডেকাক সম্পাদক হিচাপে লৈ এখন শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱ উদ্যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৪ নৱেম্বৰৰ পুৱা সমূহীয়া পৰিৱেশ স্বচ্ছতা অভিযানৰ পাছতে ৮.৩০ বজাত মন্দিৰৰ পতাকা উত্তোলন কৰিব মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি কনক চন্দ্ৰ ডেকাই। ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব উদ্যাপন সমিতিৰ সভাপতি দিলীপ শইকীয়াই। সমান্তৰালভাৱে আন সত্তৰখন পতাকা বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা উত্তোলন কৰোৱা হ'ব। ইয়াৰ পাছত স্মৃতি তৰ্পণ কৰিব মন্দিৰ পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি গণেশ্বৰ বৈশ্যই। ১০ বজাত 'লুইতকণ্ঠ' জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰিব দৰং জিলা পৰিষদৰ প্ৰাক্তন সভাপতি ধীৰেন্দ্ৰ ডেকাই। ইয়াৰ পাছত মূল আদৰণী তোৰণকে ধৰি বিভিন্ন স্থানৰ তোৰণসমূহ উন্মোচন কৰা হ'ব। আবেলি ৪ বজাত প্ৰতিমা স্থাপনৰ পাছতে ৭১গছি বন্তিৰ মুখ্য বন্তিগছি প্ৰজ্বলন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মেশ্বৰ ডেকাই। সন্ধিয়া ৬ বজাত ৰাস মহোৎসৱৰ শুভ উদ্বোধন কৰিব কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। নিশাৰ ভাগত ব্যাস সংগীত আৰু নাগাৰা নাম পৰিৱেশন কৰা হ'ব। পাঁচ নৱেম্বৰৰ নিত্য, নৈমিত্তিক পূজা-অৰ্চনাৰ উপৰি আবেলি ধৰ্মালোচনা সভা সঞ্চালনা কৰিব উদযাপন সমিতিৰ সভাপতিয়ে। ইয়াৰ মাজতে ৰাস মহোৎসৱৰ 'মুৰুলী' শীৰ্ষক মুখপত্ৰ উন্মোচন কৰিব মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বড়াই। সন্ধিয়া ছয় বজাত লখিমপুৰ জিলাৰ নাৰায়ণপুৰস্থিত বদলা পদ্মআতা সত্ৰৰ বৰবায়ন উপেন চন্দ্ৰ বৰুৱাৰ পৰিচালনাত মহাৰাস প্ৰদৰ্শন কৰা হ'ব। ১৪ নৱেম্বৰলৈ প্ৰতি দিনৰ নৈমিত্তিক পূজা-অৰ্চনাৰ লগতে আয়তীৰ নাম- প্ৰসংগ আদি লগতে সাংস্কৃতিক অনুষ্ঠান চলি থাকিব। ইয়াৰ উপৰি ৬ নৱেম্বৰৰ আবেলি ৩ বজাত সম্বৰ্ধনা আৰু অন্তৰংগ আলাপ অনুষ্ঠান ৰূপায়ণৰ পাছত সন্ধিয়া সাত বজাত মঙলদৈ ত্ৰিনয়ন সংগীত মহাবিদ্যালয়ৰ শিল্পীবৃন্দৰ দ্বাৰা শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰদৰ্শন কৰা হ'ব। ৭ নৱেম্বৰৰ সন্ধিয়া ৭ বজাত মঙলদৈৰ নূপুৰ কালচাৰেল একাডেমিৰ শিল্পীবৃন্দৰ দ্বাৰা নৃত্যানুষ্ঠান আৰু স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান চলিব। ৮ নৱেম্বৰৰ দিনৰ ১২ বজাত মহিলা সমাৰোহ আৰু সন্ধিয়া ৬ বজাত শ্ৰীশ্ৰীকৃষ্ণৰ পূৰ্ণাংগ ৰাসলীলা প্ৰদৰ্শন কৰা হ'ব। ৯ নৱেম্বৰৰ পুৱা ৯ বজাত দিহানাম প্ৰতিযোগিতা আৰু সন্ধিয়া ৬ বজাৰ শ্ৰীশ্ৰীকৃষ্ণৰ পূৰ্ণাংগ ৰাসলীলা প্ৰদৰ্শন উদ্বোধন কৰিব দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে। ১১ নৱেম্বৰৰ সন্ধিয়া সাত বজাত কৃষ্ণনৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১২ নৱেম্বৰৰ সন্ধিয়া ৭ বজাত মৃত্যুঞ্জয় ডেকা, জ্যোতি প্ৰসাদ ডেকাৰ সামগ্ৰী পৰিকল্পনাত আৰু ডিব্ৰুগড় জিলাৰ শঙ্কৰী সঙ্গীতৰ সাধক ত্ৰৈলোক্য নাথৰ পৰিচালনাত ৰংগতীৰ্থ কলা কেন্দ্ৰৰ শিল্পীবৃন্দৰ দ্বাৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ অনবদ্য সৃষ্টি কেলিগোপাল নাটৰ আধাৰত শ্ৰী শ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰদৰ্শন কৰা হ'ব। ১৩ নৱেম্বৰৰ সন্ধিয়া সাত বজাত নাগাৰা নাম পৰিৱেশন কৰা হ'ব আৰু ১৪ নৱেম্বৰৰ সন্ধিয়া ৭ বজাৰ পৰা জনপ্ৰিয় শিল্পীৰ জুবিন গাৰ্গৰ পৱিত্ৰ সোঁৱৰণত আয়োজিত সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে গীতৰ শৰাই আগবঢ়াব।

# ৰূপহীহাটৰ শিঙিমাৰীত পাঞ্জাব নেশ্যনেল বেংকৰ উদ্যোগত সতৰ্কতা সভা

**অসম বাৰ্তা, ৰূপহীহাট, ১ নৱেম্বৰ ঃ** পাঞ্জাব নেশ্যনেল বেংকৰ উদ্যোগত সমগ্ৰ ৰাজ্যত যোৱা ২৭ অক্টোবৰৰ পৰা অহা ২ নৱেম্বৰ লৈ পঞ্চায়তে পঞ্চায়তে আৰম্ভ হৈছে বিশেষ সতৰ্কতা গাঁও সভা। আজি দিনৰ ভাগত শিঙিমাৰী পঞ্চায়তত পাঞ্জাব নেশ্যনেল বেংকৰ উদ্যোগত অনুষ্ঠিত হয় এক সতৰ্কতা গাঁও সভা। উক্ত সভাখনত উপস্থিত থাকে নগাঁও পাঞ্জাব নেশ্যনেল বেংকৰ এলডিএল মণিৰাম বসুমতাৰী. শিঙিমাৰী পাঞ্জাব নেশ্যনেল বেংকৰ মেনেজাৰ প্ৰশ্বন্ত সিং. শিঙিমাৰী পঞ্চায়তৰ সভাপতি আফজালুল ৰহমান আৰু ইজাজুল হক। উক্ত সভাখনত এমজিএনৰেগা. পঞ্চদশ বিত্তীয় আয়োগ. প্ৰধান মন্ত্ৰী আৱাস যোজনা আৰু ৰাষ্টীয় সমাজিক কল্যাণ আঁচনিৰ ধন কেনেকৈ নিজৰ বেংক একাউণ্টৰ পৰা উঠাব পাৰি তাৰ ওপৰত গুৰুত্বপূৰ্ণ আলোচনা কৰে। প্ৰকৃত হিতাধিকাৰীৰ একাউণ্টৰ পৰা যাতে দুষ্ট চক্ৰই ধন উঠাব নোৱাৰে তাৰ ওপৰতো সভাখনত আলোচনা কৰা হয়। সভাখনত শিঙিমাৰী পঞ্চায়তৰ বহু সংখ্যক পুৰুষ মহিলা উপস্থিত থাকে।

# ইত্যাদিৰ প্ৰতিষ্ঠা দিৱস পালন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন


**অসম বাৰ্তা, আমগুৰি, ১ নৱেম্বৰ ঃ** খানাপাৰা ইণ্ডোৰ ষ্টেডিয়াম খেলপথাৰ প্ৰাংগণৰ গুৱাহাটী মেগা ট্ৰেডফেয়াৰত উত্তৰ-পূৰ্বৰ অগ্ৰণী অনুষ্ঠান "ইত্যাদি" উত্তৰ-পূৰ্বাঞ্চল সাংস্কৃতিক মঞ্চৰ ৪ৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে ভাৰত ৰত্ন ড.ভূপেন হাজৰিকা, কণ্ঠ শিল্পী জুবিন গাৰ্গ আৰু বিশিষ্ট অভিনেতা পংকজ গোস্বামীৰ স্মৃতিত এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। কণ্ঠ শিল্পী জুবিন গাৰ্গৰ অপমৃত্যু আৰু ইত্যাদি মঞ্চৰ কৰ্ণধাৰ সদস্য তথা উপদেষ্টা পংকজ গোস্বামীৰ বিয়োগ আদিৰ প্ৰতিকুল পৰিবেশৰ পৰিপ্ৰেক্ষিতত বিগত বৰ্ষৰ দৰে ভাওনা, নাট্য সন্ধ্যা, শিল্পী সম্বৰ্ধনা আৰু বঁটা প্ৰদান অনুষ্ঠান আদি স্থগিত ৰখা হয় আৰু তাৰ পৰিবৰ্তে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু গীত-মাত, কবিতা পাঠৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয় উক্ত অনুষ্ঠানটোত। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে মঞ্চৰ ৰাজ্যিক সভাপতি ড° শিখা বেজবৰুৱা গোস্বামী, বিশিষ্ট কবি দেৱ প্ৰসাদ তালুকদাৰ, অসম সাংস্কৃতিক মহাসভাৰ সভাপতি পবিত্ৰ শৰ্মা, উপ সভাপতি মহেশ্বৰ বৰা আৰু ঈৰু ভূপেন চন্দ্ৰ বৰাই। ভাৰত ৰত্ন ড° ভূপেন হাজৰিকা, কণ্ঠ শিল্পী জুবিন গাৰ্গ আৰু বিশিষ্ট অভিনেতা পংকজ গোস্বামীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সমাজকৰ্মী ৰমেন বৰঠাকুৰ, উপসভাপতি ইনামুল হক চৌধুৰী, ময়ূৰজিৎ কলিতা, সাধাৰণ সম্পাদক মহেন্দ্ৰ ৰাজখোৱা, কোষাধ্যক্ষা নিভাৰানী দাস, মমী দুৱৰাকে, গীতিমালিকা গগৈ ৰাভাকে ধৰি গণ্য মান্য ব্যক্তিসকলে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাস, বিশিষ্ট কবি দেৱ প্ৰসাদ তালুকদাৰ, গুৱাহাটী মেগা ট্ৰেড ফেয়াৰৰ প্ৰতিষ্ঠাপক তথা ব্যৱস্থাপক ৰাজনীশ দাস, নিলম দাস, অসম সাংস্কৃতিক মহাসভাৰ সভাপতি পবিত্ৰ শৰ্মা, আৰু বিশিষ্ট সমাজকৰ্মী ৰমেন বৰঠাকুৰক আৰু মঃ ইক্ৰামূল মজিদক বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানতেই ২০২৪ ৰ ইত্যাদি, উত্তৰ-পূৰ্বাঞ্চল সাংস্কৃতিক মঞ্চৰ প্ৰতিষ্ঠা দিৱসত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা ইত্যাদি মঞ্চৰ বিশেষ কাৰ্য্যসূচী "নাট্যসন্ধ্যা-২০২৪"ত অংশগ্ৰহণকাৰী সকলক মানপত্ৰ বিতৰণ কৰাৰ লগতে অনুষ্ঠানত উপস্থিত থকা ৰাইজৰ মাজত ইত্যাদি মঞ্চৰ তৰফৰ পৰা একোটিকৈ নাহৰ পুলি বিতৰণ কৰা হয়। উল্লেখযোগ্য উক্ত অনুষ্ঠানতে এই বৰ্ষৰ ২০ আৰু ২১ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে আন্তৰ্জাতিক বাঁহীবাদক পণ্ডিত ৰাজেন্দ্ৰ প্ৰচন্নৰ পৰিচালনাত গুৱাহাটীত আয়োজন কৰা হ'ব ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ কৰ্মশালা আৰু সাংস্কৃতিক অনুষ্ঠানৰ পৰিকল্পনাৰ কথা সভাপতি ড° শিখা বেজবৰুৱা গোস্বামীয়ে সদৰি কৰে। ইয়াৰ লগতে গোস্বামীয়ে মঞ্চ সম্পৰ্কে উল্লেখ কৰি কয় যে এই মঞ্চই সামাজিক, সাংস্কৃতিক আৰু সজাগতামূলক কাৰ্যসূচীৰ উপৰিও ইত্যাদি উত্তৰ-পূৰ্বাঞ্চল সাংস্কৃতিক মঞ্চ, গুৱাহাটীৰ উদ্যোগত ২০২২ আৰু ২০২৩ বৰ্ষত দুবাৰকৈ 'গুৱাহাটী ভাওনা সমাৰোহ' অনুষ্ঠিত কৰাৰ সমান্তৰালকৈ ইত্যাদি নাট্যদলৰ দ্বাৰা ২০২৩ আৰু ২০২৪ বৰ্ষত বিশিষ্ট অভিনেতা, নাট পৰিচালক পংকজ গোস্বামীৰ পৰিচালনাৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত সফল ভাৱে মঞ্চায়ণ কৰা হৈছিল ক্ৰমে নটসূৰ্য ফণী শৰ্মা দেৱৰ কালজয়ী নাট "ভোগজৰা" আৰু পাপৰি কবি গণেশ গগৈৰ বিৰচিত নাটৰ "শকুনিৰ প্ৰতিশোধ"। দুয়োটি বৰ্ষতে দুয়োখন নাটেই ধেমাজিত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ নাট সমাৰোহলৈও আমন্ত্ৰিত হৈছিল। লগতে ২০২৪ বৰ্ষৰ নাট্যসন্ধ্যাত আমন্ত্ৰিত নাট্যদল বৰাকৰ ৰেচ থিয়েটাৰে ড° ইন্দ্ৰনীল দেৱ পৰিচালনাৰে মঞ্চস্থ কৰা হৈছিল নাটক "চল কবাদি"। ২০২৪ বৰ্ষত প্ৰথম বাৰৰ বাবে সমাজ আৰু সাংস্কৃতিক জীৱনত বিস্তৃত অৱদান আৰু বিৰল প্ৰতিভাৰ স্বীকৃতি স্বৰূপে ৰাজ্যৰ চাৰি বিশিষ্ট ব্যক্তি মাননিয় শিক্ষামন্ত্ৰী ডাঃ ৰনোজ পেগু, বিশিষ্ট অভিনেতা, নাট পৰিচালক ড° ইন্দ্ৰনীল দে', পংকজ গোস্বামী আৰু যুৱ শিল্পী চন্দ্ৰমনি গগৈলৈ ইত্যাদি

# মৰিগাঁৱত প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষাৰ জিলা পৰ্যায়ৰ বঁটা প্ৰদান আৰু অভিনন্দন অনুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১ নৱেম্বৰ ঃ** অসম চৰকাৰৰ ৰাজহুৱা শিক্ষাখণ্ডৰ চৰকাৰী বিদ্যালয়ত প্ৰাথমিক শিক্ষাৰ বিকাশত সৰ্বতোপ্ৰকাৰে সহযোগ কৰি অহা অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে প্ৰাথমিক বিদ্যালয়ৰ চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত আয়োজন কৰা প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষাৰ মৰিগাঁও জিলা পৰ্যায়ৰ বঁটা প্ৰদান আৰু অভিনন্দন অনুষ্ঠান আজি মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয় ভৱনত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত প্ৰায় দুই শতাধিক শিক্ষাৰ্থী আৰু অভিভাৱকৰ উপস্থিতিত এক মনোজ্ঞ পৰিৱেশত সফলতাৰে আয়োজন কৰা হয়। অসমীয়াৰ হিয়াৰ আমঠু সদ্যপ্ৰয়াত গণ শিল্পী জুবিন গাৰ্গৰ পবিত্ৰ স্মৃতিত তেখেতৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মায়াবিনী গীত পৰিৱেশনৰে তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক মানস প্ৰতীম পাটৰৰ তত্বাৱধানত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাখনত মিহিৰ হাজৰিকাই সভাপতিত্ব কৰে। সভাত বিশিষ্ট অতিথ ৰূপে উপস্থিত থকা মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মাই মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ নেতৃত্বত বিগত প্ৰতিভা সন্ধানী পৰীক্ষাত মৰিগাঁৱৰ ৮৩৩জন শিক্ষাৰ্থীৰ ভিতৰত ৩৪৮ জনে পঞ্চাশ শতাংশৰো অধিক নম্বৰ লাভ কৰি সফলতাৰে উত্তীৰ্ণ হোৱাৰ বাবে শিক্ষাৰ্থী সকলক অভিনন্দন জনোৱাৰ লগতে শিক্ষাৰ্থী সকলৰ বৌদ্ধিক উত্তৰণৰ সন্মিলনীৰ এনে ব্যতিক্ৰমী প্ৰচেষ্টাৰ শলাগ লয়। অসম ৰাজ্যিক প্ৰথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত ৰাজ্যজুৰি অনুষ্ঠিত প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা, ২০২৫ ত মৰিগাঁও জিলাৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰা খলনি প্ৰথমিক বিদালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী পিংকী বিশ্বাস, দ্বিতীয় স্থান অধিকাৰ কৰা আদৰ্শ মোক্তাব প্ৰথমিক বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ আৰিফ আনচাৰী, তৃতীয় স্থান অধিকাৰ কৰা মনহা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী নীলাক্ষি ডেকাক মৰিগাঁও জিলা বিদ্যালয় সমূহৰ উপপৰিদৰ্শক সমৰ বৰুৱাই অভিনন্দন পত্ৰ, কিতাপৰ টোপোলা আৰু প্ৰমাণপত্ৰ-মাৰ্কশ্বীতৰে সম্বৰ্ধনা জনায়। ইয়াৰোপৰি চতুৰ্থ শ্ৰেণীৰ শাখাত মৰিগাঁও জিলাৰ ভিতৰত স্বৰ্গীয় হৰিচন্দ্ৰ গগৈ প্ৰাথমিক বিদ্যালয়াৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী বিজুমণি ডেকাই প্ৰথম, ত্ৰিপুৰা বস্তি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী মৰমী শিকদাৰে দ্বিতীয় আৰু চটাবড়ী প্ৰথমিক বিদ্যালয়ৰ ছাত্ৰ হীৰক জ্যোতি ডেকাই তৃতীয় স্থান অধিকাৰ কৰাৰ বাবে তেওঁলোককো মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ তৰফৰ পৰা উষ্ম অভিনন্দন জনোৱাৰ লগত জিলাখনৰ ৯টা পৰীক্ষা কেন্দ্ৰৰ ৬ গৰাকী শীৰ্ষস্থান প্ৰাপ্ত শিক্ষাৰ্থী সকলক মানপত্ৰ প্ৰদান কৰা হয়। আজিৰ অনুষ্ঠানটোত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মিহিৰ হাজৰিকা, উপসভাপতি দ্বয় ক্ৰমে হৰলাল মণ্ডল আৰু ইমৰাণ শ্বাহ, ৰাজ্যিক সদস্য নজৰুল ইছলাম, সহকাৰী সম্পাদক ত্ৰয় ক্ৰমে প্ৰদীপ কুমাৰ নাথ, ৰফিকুল ইছলাম আৰু উৎপল কুমাৰ দাস, মায়ং খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি দীপক কুমাৰ মেধী, সম্পাদক জীতেন শইকীয়া, ডিজিটেল কোষৰ সভাপতি টানসেন কুমাৰ টিমুং, মায়ং খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সভাপতি মিণ্টু কুমাৰ বৰঠাকুৰ, কেন্দ্ৰ সম্পাদক গৌৰাঙ্গ দাস, প্ৰধান শিক্ষক প্ৰাণজিত নাথ, প্ৰধান শিক্ষক জীৱন চন্দ্ৰ দাসে অনান্য শিক্ষাগুৰু সকলৰ উপস্থিতিত কৃতী ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জ্ঞাপন কৰে।

দৰিদ্ৰ শিক্ষাৰ্থীৰ সহায়ক হোৱাকৈ কেশৱানন্দ বৰুৱাৰ সোঁৱৰণত নিধি গঠন

# যোৰহাট জে বি কলেজৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ সম্পন্ন



**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১ নৱেম্বৰ ঃ** যোৰহাট জগন্নাথ মহাবিদ্যালয়ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ সমাৰোহ ৩০ অক্টোবৰত জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হয়। পৰিসংখ্যা বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী নবীন চন্দ্ৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত সমাৰোহত দৰিদ্ৰ শিক্ষাৰ্থীসকলৰ সহায়ক হোৱাকৈ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী লোকেশ্বৰী দেৱীয়ে স্বামী কেশৱানন্দ বৰুৱাৰ সোঁৱৰণত ৫০ হেজাৰ টকাৰ নিধি গঠন কৰে। উক্ত নিধিৰ ধন ড° শ্যামলী দত্ত, ড° সংহিতা শৰ্মাৰ হাতত অৰ্পণ কৰে। সমাৰোহতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা, নীৰেন শৰ্মা পাঠক, ড° ৰঞ্জনা গগৈক উপদেষ্টা, নবীন চন্দ্ৰ দত্তক সভাপতি, জাকিৰ আলী, ড° অনিল ভাটিয়াক উপ-সভাপতি, অংকুৰ মহন্তক সম্পাদক, আল্পনা গোস্বামী, বিনয় শইকীয়াক সহকাৰী সম্পাদক, মৌচুমী হাতীবৰুৱাক কোষাধ্যক্ষ হিচাপে লৈ জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়(পূৰ্বৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়)ৰ পৰিসংখ্যা বিজ্ঞান বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থীৰ তদৰ্থ সমিতিখন গঠন কৰে। প্ৰতিবছৰৰ ডিচেম্বৰ মাহৰ দ্বিতীয় শনিবাৰত এই সন্মিলনৰ বাৰ্ষিক মিলন সমাৰোহ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত কৰে। জে বি ইউ-ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই শিক্ষানুষ্ঠান একোখনৰ উত্তৰণত প্ৰাক্তন শিক্ষাৰ্থীসকলৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰি বিশ্বৰ বহু শিক্ষানুষ্ঠান প্ৰাক্তন শিক্ষাৰ্থীৰ সদৰ্থক ভূমিকাৰ ওপৰতে নিৰ্ভৰ কৰি পৰিচালিত হৈ আছে বুলি উল্লেখ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই লোকেশ্বৰী দেৱীয়ে নিধি প্ৰদান কৰাত ধন্যবাদ জনায় আৰু নিধিৰ সামাজিক প্ৰাসংগিকতাৰ প্ৰয়োজনীয়তাৰ কথা কয়। সমাৰোহত জে বি ইউ-ৰ শৈক্ষিক পঞ্জীয়ক ড° সুৰজিৎ শৰ্মা উপস্থিত থাকে।

# বাঘজানত ১৫ অনূৰ্ধ্ব আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ প্ৰস্তুতি

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলা আৰু তালাপ-কৰদৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ তত্বাৱধানত অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানৰ সৌজন্যত বাঘজান স্পৰ্টছ ক্লাবৰ উদ্যোগত বাঘজান অঞ্চলৰ সমূহ দল-সংগঠন আৰু ৰাইজৰ সহযোগত ইং ২-৯ নৱেম্বৰলৈ বাঘজান গাঁও ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত কৰিবলৈ লোৱা দ্বিতীয় বাৰ্ষিক ১৫ অনূৰ্ধ্ব আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। এই প্ৰতিযোগিতাত ডিমৰুহোলা, এফ চি চি, দিয়ামুলী এফ চি, বাঘজান এছ চি, এক্স চাৰ্ভিছমেন মাৰ্ঘেৰিটা, ৰিফ্লে'ন চিনিয়ৰ চেকেগুৱাৰী এফ চি, মাকুম এফ চি চি, বৰগাঁও হাইস্কুল, বৰুৱাহোলা এছ এ মুঠ আঠটা দলে অংশগ্ৰহণ কৰিব। কাৰ্যসূচী অনুসৰি ২ নৱেম্বৰৰ পুৱা ৯ বজাত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, জনতাৰ শিল্পী, প্ৰাণৰ স্পন্দন, নৱপ্ৰজন্মৰ হাৰ্ব্ৰৰ জুবিন গাৰ্গ আৰু বাঘজান স্পৰ্টছ ক্লাবৰ ফুটবল সম্পাদক সুদক্ষ ফুটবল খেলুৱৈ স্বৰ্গীয় নীৰৱ মৰাণৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছতে বৃক্ষ ৰোপণ কৰিব বাঘজান-দীঘলটৰং গাঁৱৰ গাঁওপ্ৰধান মনোজ হাজৰিকাই। দিনৰ ১ বজাত প্ৰথম খেলৰ উদ্বোধন কৰিব তালাপ-কৰদৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক তথা ৰাষ্ট্ৰীয় হেণ্ডবল খেলুৱৈ অৰ্জুন মৰাণে। ৯ তাৰিখে চূড়ান্ত খেলৰ উদ্বোধন কৰিব ৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ শিশুৰাম চুতীয়াই। খেলৰ অন্তিম কাৰ্যসূচী মুকলি সভা আৰু বঁটা-বিতৰণী অনুষ্ঠানত সদ্যঘোষিত এ ডি আৰ ই আৰু অসম আৰক্ষীৰ পদত উত্তীৰ্ণ অঞ্চলটোৰ কেইগৰাকী যুৱক-যুৱতীক বিশেষ সম্বৰ্দ্ধনা জনাব। মুকলি সভাত কেইবাগৰাকী জনপ্ৰতিনিধি, ক্ৰীড়া সংগঠক, দল-সংগঠনৰ বিষয় ববীয়া উপস্থিত থকাৰ সদৰী কৰে। লগতে স্পৰ্টছ ক্লাবৰ সভাপতি মণ্টু মৰাণ, সম্পাদক মিণ্টু মৰাণ, অভ্যৰ্থনা সমিতিৰ সভাপতি নিৰন্ত মৰাণ, কাৰ্যকৰী সভাপতি প্ৰাঞ্জল গগৈ, সম্পাদক পাপুল গগৈয়ে ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে।

১৮৩ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ

# ৰূপাইত ১৩, ৮২২ গৰাকী হিতাধিকাৰীক মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ

## কংগ্ৰেছে আমাক লুঙি, ধূতি, আঁঠুৱা আৰু কম্বলহে দিছিল ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১ নৱেম্বৰ** ঃ "অসমত কংগ্ৰেছ চৰকাৰ আছিল। কংগ্ৰেছ চৰকাৰে আমাক কি দিছিল? লুঙি, ধূতি, আঁঠুৱা আৰু কম্বল। মনত আছে নে আপোনালোকৰ? এটা আঁঠুৱা, এক নেছা সূতা, এখন লুঙি আৰু ধূতি এখন ল'লোঁ কিন্তু আমাৰ সমস্যাবোৰৰহে একো সমাধান নহ'ল।" এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰূপাই চাইডিং শান্তিপুৰস্থিত ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অনুমোদন পত্ৰ বিতৰণ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কংগ্ৰেছক সমালোচনাৰে একপ্ৰকাৰ থকা-সৰকা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "আমি আজি কি কৰিছোঁ - এটা পৰিয়ালক আমি প্ৰতিমাহে অৰুণোদয় হিচাপে ১, ২৫০ টকাকৈ দিছোঁ। এতিয়া আমি যদি গেছ চিলিণ্ডাৰ কিনো, তেতিয়াহ'লে গেছৰ চিলিণ্ডাৰৰ নামত অহা ১ জানুৱাৰীৰ পৰা গেছৰ চিলিণ্ডাৰ কিনাৰ লগে লগে ২৫০ টকা নিজৰ বেংক একাউণ্টত জমা হৈ যাব। ১, ২৫০ টকা আৰু ২৫০ টকা মিলাই ১, ৫০০ টকা হ'ল। ল'ৰা-ছোৱালীয়ে কলেজত পঢ়িলে এডমিচনৰ খৰচ চৰকাৰে দিব, আপোনালোকে দিব নালাগে। ফলত আপোনালোকৰ ৬,০০০-১০,০০০ টকা সঞ্চয় হ'ল। ল'ৰা-ছোৱালীয়ে স্কুলত যাবৰ কাৰণে ক্লাছ নাইনত চাইকেল এখন পাব, ছোৱালীজনীয়ে যদি কলেজত পঢ়ি আছে তেন্তে নিযুত মইনা আঁচনি পাব। ছোৱালীৰ পঢ়াৰ কাৰণে মাক-দেউতাকে প্ৰতিমাহে টকা খৰচ কৰিব নালাগে। আমি আপোনালোকক এখন ৰেচন কাৰ্ডো দিছোঁ। ৫ কেজিকৈ চাউল বিনামূলীয়াকৈ পাইছে। অহা ১০ নৱেম্বৰৰ পৰা চাউলৰ লগতে আমি আপোনালোকক কম দামত দাইল, নিমখ আৰু চেনিও দিম। এতিয়া যদি টকাটো হিচাপ কৰে তেন্তে ১, ২৫০ টকা অৰুণোদয়, ২৫০ টকা গেছ, ঘৰত যদি ২০ কেজিকৈও চাউল বিনামূলীয়াকৈ পাইছে তেন্তে ৩০ টকাকৈ হলেও ২০ কেজি চাউলত ৬০০ টকা। দাইল, চেনি, নিমখ - ইয়াতো আমি ভাল টকা এটা সঞ্চয় কৰিব পাৰিম। ছোৱালীজনীয়ে নিযুত মইনা আঁচনিত ১, ২৫০ টকাকৈও পাইছে। আপোনালোকেই চিন্তা কৰক - এটা পৰিয়ালক আমি মাহত কিমান টকাকৈ দি আছোঁ। ২, ০০০-২, ৫০০ টকাতকৈও বেছি টকা আপোনালোকে আজি এই খন চৰকাৰৰ পৰা প্ৰতিমাহে পোৱা আৰম্ভ কৰিছে। বেমাৰ- আজাৰ হ'লে ৰেচন কাৰ্ড থকা সকলে ৫ লাখ টকা চিকিৎসা সাহায্য পোৱাৰ ব্যৱস্থাও আমি আৰম্ভ কৰিম। কংগ্ৰেছে ৫ বছৰ মূৰত এবাৰ ধূতি, এবাৰ লুঙি, এবাৰ সূতা, এবাৰ আঁঠুৱা দিয়ে, তাকো কাজিয়া কৰি আনিব লাগে। কংগ্ৰেছৰ দালালবিলাকে তাতো পইচা খাইছিল। আমাৰ চৰকাৰৰ দিনত একো কৰিব নালাগে। বেংক একাউণ্টৰ জৰিয়তে প্ৰতিমাহে অৰুণোদয় আঁচনিৰ ধন, গেছৰ চাবচিদিও আহিল, ৰেচন কাৰ্ডৰ পৰা দাইল, নিমখ, চেনিও কম দামত পালোঁ। ছোৱালীজনী আৰু ল'ৰাটোৱে চাইকেল এখনো পালে - এই ইমানবোৰ কাম, আপোনালোকে তুলনা কৰক। এইখিনি যদি বন্ধ হৈ যায়, ৰেচন কাৰ্ডৰ অধীনত চিকিৎসা, আয়ুষ্মান ভাৰত যদি বন্ধ হৈ যায়, তেতিয়া আমাৰ কিমান যে অসুবিধা হ'ব? আজি চৰকাৰৰ পৰা এই টকাখিনি পোৱাৰ কাৰণে গাঁৱৰ গেলামালৰ দোকানত আপোনালোকে কিবা এটা কিনিব পাৰিছে, ল'ৰা-ছোৱালীক টিউশ্যন এটা দিব পাৰিছে, বেমাৰ-আজাৰ হ'লেও ঘৰৰ মহিলাগৰাকীয়েও ঘৰখনত কিবা এটা বৰঙনি দিব পাৰিছে। ইয়াৰ লগতে আপোনালোকে যদি ১০ হেজাৰ, ২৫ হেজাৰ, ৫০ হেজাৰ টকা লাভ কৰি লাখপতি বাইদেউ হ'ব পাৰে, চিন্তা কৰক পৰিয়ালৰ বোজা কিমান কমি যাব। আজি মই নিজেই অনুভৱ কৰিছোঁ যে এই সুবিধাখিনি যদি নহলহেঁতেন, কষ্ট কোনে পাব? ঘৰৰ মানুহজনেই পাব। আমি চেষ্টা কৰিছোঁ, সকলোৰে লগত থিয় হৈছোঁ যাতে ঘৰৰ মহিলাগৰাকীয়ে যাতে নিজৰ ভৰিত থিয় হ'ব পাৰে, ছোৱালীজনী যাতে শিক্ষিতা হ'ব পাৰে। আজি আমি কোনো দুৰ্নীতি নোহোৱাকৈ গাঁৱৰ ল'ৰা-ছোৱালীয়ে চাকৰি পাব পৰাকৈ চাকৰি মুকলি কৰি দিছোঁ। আমাৰ প্ৰায় ২ লাখ ল'ৰা-ছোৱালীয়ে আজি চৰকাৰী চাকৰি পাবলৈ সক্ষম হৈছে।" মুখ্যমন্ত্ৰী ড° শৰ্মাই ১০ হেজাৰ টকাটো মহিলাসকলে কেনেকৈ ব্যৱহাৰ কৰিব সেই বিষয়েও ব্যাখ্যা দাঙি ধৰে। তেওঁ কয়, "প্ৰথমে আমি চাব লাগিব যে ১০ হেজাৰ টকাটো আমি কেনেকৈ ভাল কামত লগাব পাৰোঁ। ১০ গৰাকী মহিলা এটা গোটত আছে, ১০ হেজাৰকৈ ১ লাখ টকা হ'ল। দৰকাৰৰ সময়ত কোনোবাই এগৰাকীয়ে ২০ হেজাৰ ল'লে, কোনোবাই ৩০ হেজাৰ ল'লে বা ১ লাখ টকাটো বেংকত লেনদেন কৰিলে বেংকে আপোনালোকক ২ লাখ, ৩ লাখ টকাও ঋণ দিব। এই এক লাখ টকাৰে আপোনালোকে নিজৰ গোটটোক শক্তিশালী কৰিব পাৰে। কোনোবাই যদি ভাৱে ১০ হেজাৰ টকাৰ চেকখন যিহেতু নিজৰ নামত আহিছে, গতিকে নিজাববীয়াকৈ কিবা এটা কৰোঁ সেয়া লাগিলে ছাগলীৰ ব্যৱসায়েই হওক, গাহৰিৰ ব্যৱসায়েই হওক, তাতশাল হওক, মৌ-মাখি হওক বা সৰু-সুৰা দোকান-পোহাৰেই হওক।" মুখ্যমন্ত্ৰীগৰাকীয়ে ১০ হেজাৰ টকাটো উৎপাদনমুখী কামত ব্যৱহাৰ কৰিবলৈ প্ৰতিগৰাকী মহিলাক পৰামৰ্শ তথা আহবান জনোৱাৰ লগতে চৰকাৰৰ মানুহে অহা ৬-৮ মাহৰ পাছত প্ৰত্যেকৰে ঘৰে ঘৰে গৈ ১০ হেজাৰ টকাটো কি কামত ব্যৱহাৰ কৰিলে তাৰ এক সমীক্ষা কৰিব বুলিও কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াকো কয় যে মহিলা উদ্যমিতাৰ ১০ হেজাৰ টকাটো দৰকাৰ হ'লে স্বামীৰ ব্যৱসায়টো বিনিয়োগ কৰিব পাৰিব। প্ৰথম কিস্তিৰ ১০ হেজাৰ টকাটো ভালকৈ ব্যৱহাৰ কৰিলে দ্বিতীয় কিস্তিত ২৫ হেজাৰ টকা লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে। আৰু এই ২৫ হেজাৰকো যদি ভাল কামত ব্যৱহাৰ কৰে তেতিয়াহলে তৃতীয় বছৰত ৫০ হেজাৰকৈ টকা লাভ কৰিব বুলি কয় মুখ্যমন্ত্ৰীয়ে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কয় যে ১০ হেজাৰ, ২৫ হেজাৰ, ৫০ হেজাৰ টকালৈকে যদি মহিলাসকল যাব পাৰে তেতিয়াহলে তেওঁলোক নিশ্চিতভাৱে লাখপতি বাইদেউ হ'বগৈয়ো পাৰিব। মুখ্যমন্ত্ৰীয়ে ইয়াক এক সংকল্প হিচাপে ল'বলৈ আহবান জনাই এই ক্ষেত্ৰত প্ৰতিগৰাকী মহিলাই যাতে আগবাঢ়ি যাব পাৰে তাকে কামনা কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোটেই ভাৰতত ৩ কোটি মহিলাক 'লাখপতি দিদি' বনাবৰ বাবে সংকল্প লৈছে বুলি কৈ 'লাখপতি দিদি' বা 'লাখপতি বাইদেউ'ৰ সংজ্ঞাও প্ৰদান কৰে। তেওঁ কয়, "যিগৰাকী মহিলাই বছৰত এক লাখ টকা ব্যৱসায় কৰিব পাৰে, তেওঁৱেই লাখপতি দিদি বা লাখপতি বাইদেউ। অসমত ৪ লাখ মহিলা আত্মসহায়ক গোট আছে। নগৰতো আমাৰ প্ৰায় ৩০ হেজাৰ মহিলা গোট আছে। তাৰ মানে আজিৰ তাৰিখত অসমত প্ৰায় ৪৩ লাখ মহিলা এন আৰ এল এম নহ'লে এন ইউ এল এম ৰ লগত জড়িত হৈ আছে। এই মহিলাসকলে গোট বনোৱাৰ পাছত ৰিভলভিং ফাণ্ড পাইছে আৰু বহুতে বেংকৰ পৰা ঋণো পাইছে। চি এল এফ হৈছে, ভি অ' হৈছে। মহিলাসকলে ঘৰৰ কাম-বনৰ লগতে লাহে লাহে বেংকৰ বিষয়বোৰো জনা হৈছে, ক্ৰেডিটৰ বিষয়ে জানিছে, চিবিল স্ক'ৰৰ বিষয়ৰ জানিছে, বুক কিপিঙৰ বিষয়ে জানিছে, প্ৰচিডিং-কাৰ্যবিৱৰণী লিখিব জানিছে আৰু সপ্তাহত গোটৰ মিটিং আদিও কৰিব পৰা হৈছে। যিখন অসমৰ মহিলাই এসময়ত ঘৰৰ ভিতৰত সোমাই আছিল, গৃহস্থীৰ কামত জড়িত হৈ আছিল আজি আমাৰ মহিলাই গৃহস্থীৰ কামো কৰিছে আৰু সমাজৰ বাহিৰলৈ ওলাই গৈ বিভিন্ন গোট আদি গঠন কৰি উপাৰ্জনমুখী কামটো হাত দিছে। আজি আমাৰ অসমত ৮ লাখ মহিলা আছে, যিয়ে ইতিমধ্যে বছৰি ১ লাখ টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম।" মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত ডুমডুমা সমষ্টিৰ দুগৰাকী সফল তথা উদ্যমী মহিলাৰ বিষয়েও সভাত উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে ডুমডুমা সমষ্টিত ৩০ হেজাৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰী থকা বুলি কৈ নতুনকৈ আৰু ৩ হেজাৰ হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ কথা ঘোষণা কৰি বিধায়ক তথা কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত ৰাজ্যৰ চাহ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা বুলি কৈ যোৱা চাৰে চাৰিটা বছৰত যিমানখিনি সম্ভৱ সিমান ৰাইজৰ কাম কৰাৰ লগতে ৰাইজৰ হকে দিনে-ৰাতিয়ে পৰিশ্ৰম কৰা বুলি কয়। অসমৰ জাতীয় জীৱনলৈ, অসমৰজন জীৱনলৈ যাতে শান্তি, প্ৰগতি আৰু বিকাশ কঢ়িয়াই আনিব পাৰে তাৰেই তেওঁ চেষ্টা কৰা বুলি কৈ ডুমডুমা সমষ্টিত ইমান কাম আগতে কোনো বিধায়কে কৰিব পৰা নাছিল বুলি কৈ ৰূপেশ গোৱালাৰ সৱল নেতৃত্বৰ বাবেহে মুখ্যমন্ত্ৰীয়ে আজি এই কাম হাতত লোৱাটো সম্ভৱ হৈছে বুলি উল্লেখ কৰে। ডুমডুমা সমষ্টিত ইমান কাম একেলগে কাহানিও হোৱা নাছিল বুলি কৈ আগন্তুক '২৬ ৰ নিৰ্বাচনত ৰূপেশ গোৱালাক ভোট দি জয়যুক্ত কৰিবলৈ সকলোকে আহবান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই বিধানসভা সমষ্টিৰ অন্তৰ্গত মুঠ ১৩, ৮৮২ গৰাকী আত্মসহায়ক গোটৰ সদস্যা তথা অৰ্হতাসম্পন্ন মহিলাক আজি ১০ হেজাৰ টকাৰ চেক বিতৰণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। ইয়াৰে ১২, ৭৮৪ গৰাকী মহিলা গ্ৰামাঞ্চলৰ আৰু ১, ০৩৮ গৰাকী নগৰাঞ্চলৰ। মুখ্যমন্ত্ৰী ড° শৰ্মাই ১৮৩ কোটি টকা ব্যয় সাপেক্ষে সৰ্বমুঠ ৯টা প্ৰকল্পৰো আধাৰশিলা স্থাপন (আভাসীয়ভাৱে) কৰে। সেইসমূহ হৈছে - ডুমডুমা মহাবিদ্যালয়ত ১৫ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া স্পৰ্টছ কমপ্লেক্স তথা ষ্টেডিয়াম, ডুমডুমা টাউনফিল্ডত ১৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ইনড'ৰ ষ্টেডিয়াম তথা বহুমুখী ভৱন, কাকজান হাইস্কুলত ৪.৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া নতুন বিদ্যালয় ভৱন, অৰুণোদয় হাইস্কুলত ৭.৫ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া আন্তঃগাঁথনি উন্নয়নমূলক প্ৰকল্প, ডুমডুমা চহৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলক বানপানীৰ পৰা সুৰক্ষা দিবলৈ ২৪.৬ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া বান আৰু খহনীয়া প্ৰতিৰোধ প্ৰকল্প, ডুমডুমা সমষ্টিত ২৬.৫ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া বান আৰু খহনীয়া প্ৰতিৰোধ প্ৰকল্প, পুৰণি এ.টি. ৰোডৰ ৬০ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া পথ বহলীকৰণ আৰু উন্নয়ন প্ৰকল্প, পুৰণি এ.টি. ৰোডত ডুমডুমা নদীৰ ওপৰত ৭.৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া আৰ চি চি দলং আৰু ডুমডুমা সমষ্টিত প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ২১ কোটি টকা ব্যয়েৰে ২৪টা নতুন বিদ্যালয় ভৱনৰ নিৰ্মাণ ইত্যাদি। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিচন সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈয়ে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত স্থানীয় বিধায়ক তথা শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ(কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা)ৰ মন্ত্ৰী ৰূপেশ গোৱালাও চমু ভাষণ প্ৰদান কৰে। আজিৰ অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, শদিয়াৰ বিধায়ক বলীন চেতিয়া, তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিশান, ডিগবৈৰ বিধায়ক সুৰেণ ফুকন, তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পাল, জিলা বিজেপিৰ সভাপতি কুশকান্ত বড়া, উপ-সভাপতি মুলেন্দ্ৰ মৰাণ, মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, ডুমডুমা পৌৰসভাৰ সভাপতি কান্তা ভট্টাচাৰ্য, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ভাদেশ্বৰ মৰাণ, সদস্য অৰূপ মৰাণৰ লগতে কেইবাগৰাকীও গণ্য-মান্য আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

৬ নৱেম্বৰত স্নিগ্ধ জোনাকত মহাৰাস উপভোগ কৰিব মুখ্যমন্ত্ৰীয়ে

# আগন্তুক ৰাসোৎসৱক লৈ মাজুলীৰ সাংবাদিকৰে জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ সৌহাদ্যপূৰ্ণ আলোচনা

**অসম বাৰ্তা, উজনী মাজুলী, ১ নৱেম্বৰ** ঃ আগন্তুক ৪ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া ৰাসোৎসৱক লৈ মাজুলীত এতিয়া যেন ব্যস্ততাৰ অন্ত নাই। যোৱা লক্ষ্মী পূৰ্ণিমাতেই মাজুলীৰ মুঠ ৬৭ টাতকৈ ৰাস মঞ্চত পৰম্পৰাগত ভাৱে নাট মেলা পৰ্ব আৰম্ভ হোৱাৰ পিছত এতিয়া প্ৰতিটো ৰাস মঞ্চৰ কলা-কুশলী সকল কংস বধৰ শেষ আখৰাত উপনীত হৈছে। সমান্তৰালভাৱে আগন্তুক ৰাসোৎসৱক লৈ আজি মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে মাজুলীৰ বৈদ্যুতিন সংবাদ মাধ্যম আৰু ছপা মাধ্যমৰ সাংবাদিক সকলৰে এক সৌহাদ্যপূৰ্ণ আলোচনাত মিলিত হয়। মাজুলীৰ জিলা আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত সৌহাদ্যপূৰ্ণ সভাখনত প্ৰথমে মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে কয় যে-মাজুলীৰ ৰাসোৎসৱ এইবাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক দিশত নতুনত্ব সৃষ্টিৰে অধিক আকৰ্ষণীয় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ৰাস মাজুলীৰ ৰাইজৰ আধ্যাত্মিক অনুভূতি সমৃদ্ধ উৎসৱ। অসমৰ বিভিন্ন প্ৰান্তত ৰাসোৎসৱ অনুষ্ঠিত হয় যদিও মাজুলীৰ ৰাসৰ স্বকীয় বৈশিষ্ট্য বিদ্যমান। যাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰেও মাজুলীৰ ৰাসোৎসৱক এক সুকীয়া দৃষ্টিৰে চোৱাৰ আৰম্ভ কৰিছে বুলি উল্লেখ কৰি জিলাৰ আয়ুক্ত গৰাকীয়ে আৰু কয় যে মাজুলীখন ঐতিহ্যপূৰ্ণ ঠাই। আধ্যাত্মিক চিন্তা জড়িত ৰাসোৎসৱত যাতে ৰাস দৰ্শন কৰিবলৈ অহা দেশী-বিদেশী পৰ্যটকে আধ্যাত্মিক পবিত্ৰ ঠাই খনৰ পৰা এক পবিত্ৰ ভাৱ লৈয়েই ঘূৰি যাব পাৰে, কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে মাজুলীবাসীক সচেতন হবলৈ তেওঁ আহ্বান জনায়। ইফালে সাংবাদিকৰে সৌহাদ্যপূৰ্ণ আলোচনা কালত জিলা আয়ুক্ত গৰাকীয়ে মাজুলীৰ ৬৫টা ৰাস মঞ্চক সাংস্কৃতিক বিভাগৰ পৰা ২৫ হাজাৰ টকা আৰু মুখ্যমন্ত্ৰীৰ বিশেষ সাহায্যৰ পৰাও মাজুলীৰ ৬৭টা ৰাস মঞ্চক ৫০ হাজাৰ টকাৰ আৰ্থিক সাহায্যৰ দিয়াৰ কথা তেওঁ জানিবলৈ দিয়ে। ইফালে এইবাৰৰ মাজুলীৰ ৰাসৰ দ্বিতীয় দিনা অৰ্থাৎ ৫ নৱেম্বৰত মাজুলীৰ ৰাসোৎসৱৰ মাজেৰে নদী পৰ্যটনক আগুৱাই নিয়াৰ বাবে বিশেষ কাৰ্যসূচী লোৱাৰ কথা জানিবলৈ দি জিলাৰ আয়ুক্ত গৰাকীয়ে মাজুলীৰ টুনী নদীৰ কমলাবাৰী অংশত সন্মুখত ৰাধা কৃষ্ণক লৈ ৪০খন নৌকাৰে 'বৈকুণ্ঠৰ হৰিনাম টুনীয়েদি উজাই যাম' শীৰ্ষক এক হৰিনামৰ নৌকা যাত্ৰাৰ এক বিশেষ কাৰ্যসূচী লোৱাৰ কথা ঘোষণা কৰে। ইফালে ৬ নৱেম্বৰতো টুনী নদীৰ একেই অংশত সন্ধিয়া স্নিগ্ধ জোনাকত মহাৰাস প্ৰদৰ্শনৰ ব্যৱস্থা থাকিব য'ত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ কথা বুলি তেওঁ উল্লেখ কৰে। ইফালে মুখ্যমন্ত্ৰীয়ে উজনি মাজুলী সন্মিলিত সাংস্কৃতিক ঐক্য মঞ্চৰ ৰাসত দেউৰী ৰাস আৰু উজনি মাজুলী মিলন সংঘ নতুন বজাৰত মিছিং ভাষাত অনুষ্ঠিত ৰাসতো মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনাৰ কথা তেওঁ সদৰি কৰে। ইয়াৰ উপৰিও ৰাসোৎসৱৰ তিনিওটা দিন মাজুলীৰ ঘৰে-ঘৰে বন্তি প্ৰজ্বলনৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান সমূহত বন্তি প্ৰজ্বলন কৰিবলৈ আহ্বান জনায়। আনহাতে ৰাসোৎসৱত মাজুলীলৈ দৰ্শনাৰ্থীৰ যাতায়তৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাট মাজুলী জলপথৰ সুচল ফেৰী যাতায়তৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত কমলাবাৰী ঘাটটো দৰবাৰ চাপৰিলৈ স্থানান্তৰিত কৰি চৰকাৰী জাহাজ আৰু চিংগল ইঞ্জিনৰ ফেৰীৰে কম সময়ৰ ভিতৰতে পাৰাপাৰ কৰাৰ ব্যৱস্থা কৰা বুলি জিলা আয়ুক্ত গৰাকীয়ে উল্লেখ কৰে। সভাতে মাজুলীৰ লোকনিৰ্মাণ বিভাগৰ সকলো পথ পৰিষ্কাৰ কৰা, আইন-শৃংখলা অটুট ৰখা, ২৪ ঘণ্টাই ১০৮ এম্বুলেন্স সেৱা সাজু ৰখাৰ দৰে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ব্যৱস্থাৰ কথাও তেওঁ উল্লেখ কৰে। সভাত উৎপল বৰা, ডিম্বেশ্বৰ দত্ত, মিটু খাটনীয়াৰ, প্ৰাঞ্জল খাউণ্ড, ৰাজীৱ পাটিৰ, ৰজনীকান্ত বৰদলৈ, হিতেশ দলে, দিবাকৰ শইকীয়া, তীৰ্থ ভূঞাকে আদি কৰি জিলা খনৰ বহুকেইগৰাকী সাংবাদিকে আগন্তুক ৰাসোৎসৱ সংক্ৰান্তিয় বহুকেইটা পৰামৰ্শমূলক বক্তব্য প্ৰদান কৰে। সভাত অতিৰিক্ত আয়ুক্ত ভৰত কোঁৱৰ, মাজুলীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন তকবি, মাজুলীৰ মুখ্য কোষাগাৰ গাণিতিক পবিত্ৰ মেধিকে ধৰি জিলা প্ৰশাসনৰ বিষয়া -কৰ্মচাৰী সকল উপস্থিত থাকে। উল্লেখযোগ্য যে আগন্তুক ৪, ৫ আৰু ৬ নৱেম্বৰত মাজুলীৰ মুঠ ৬৭টা ৰংগ মঞ্চ, সত্ৰানুষ্ঠানত ৰাসলীলা অনুষ্ঠিত হ'ব। অৱশ্যে কিছু কিছু মঞ্চত ৫ নৱেম্বৰৰ পৰাহে ৰাস অনুষ্ঠিত হ'ব।

# ডিব্ৰুগড়ৰ জকাইত ৩১ সংখ্যক জিলা মাষ্টাৰ্চ এচ'ছিয়েচনৰ বাৰ্ষিক খেল প্ৰতিযোগিতা সম্পন্ন; ৮৫ৰ উৰ্দ্ধৰ খেলুৱৈৰ চমক

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ নৱেম্বৰ** ঃ ডিব্ৰুগড় জিলা মাষ্টাৰ্চ এথ্'লেটিক এচ'ছিয়েচনৰ উদ্যোগত জকাই ৰূপজ্যোতি সংঘৰ সহযোগত আৰু জকাইবাসীৰ আতিথ্যত এদিনীয়াকৈ ৩১সংখ্যক ডিব্ৰুগড় জিলা মাষ্টাৰ্চ এচ'ছিয়েচনৰ বাৰ্ষিক খেল প্ৰতিযোগিতা খনি জকাই ৰূপজ্যোতি সংঘৰ খেলপথাৰত অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলৰ ১৫০ ৰো অধিক পুৰুষ আৰু মহিলা খেলুৱৈয়ে অংশ গ্ৰহণ কৰে। খেলুৱৈ সকলৰ বয়সৰ সীমা ৩৫ বছৰৰ পৰা আৰম্ভ কৰি ৯০ বছৰৰ ভিতৰত আছিল। পুৱা ৮ বজাত আঠ বজাত আৰম্ভ হোৱা প্ৰতিগোগিতাৰ পতাকা উত্তোলন কৰে ডিব্ৰুগড় জিলা মাষ্টাৰ্চ এচ'ছিয়েচনৰ সভাপতি তৰুণ গগৈয়ে। স্মৃতি তৰ্পণ কৰে উপ সভাপতি মূল্যধৰ বৰুৱাই। সদ্যপ্ৰয়াত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্য মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সম্পাদক অজয় কুমাৰ দত্তই। সম্পাদক দত্তই আঁতধৰা খেল প্ৰতিযোগিতাৰ বিভিন্ন শিতানৰ খেল সমূহ পৰিচালনা কৰে মনোৰঞ্জন হাজৰীকা, নিৰেণ ফুকন আৰু মৌচুমী চেতীয়াই। বহুসংখ্যক স্থানীয় আৰু বিভিন্ন অঞ্চলৰ দৰ্শকে প্ৰবীন খেলুৱৈ সকলৰ বিশেষকৈ ৮৫ ৰ উৰ্দ্ধৰ পুৰুষ মহিলাৰ খেল উপভোগ কৰি শলাগ লয়। ৰূপজ্যোতি সংঘৰ সম্পাদক প্ৰাণকৃষ্ণ সোণোৱালকে ধৰি অন্যান্য সদস্যসকলে খেলখনত পূৰ্ণ সহযোগিতা আগবঢ়ায়। খেলুৱৈ সকলৰ বয়সৰ ক্ৰম অনুসৰি ৩৫+, ৪০+, ৪৫+, ৫০+, ৫৫+, ৬০+, ৬৫+, ৭০+, ৭৫+, ৮০+ আৰ ৮৫+ গ্ৰুপত ভাগ কৰি বিভন্ন খেল ১০০ মিটাৰ, ২০০ মিটাৰ, ৪০০মিটাৰ, ৮০০ মিটাৰ ১৫০০ মিটাৰ দৌৰ লং জাম্প ট্ৰিপোল জাম্প, গধূৰ বল, হামাৰ থ্ৰ, ডিচকাছ থ্ৰ, জেভেলীন থ্ৰ, ৫ কিলোমিটাৰ খোজ কঢ়া আদি প্ৰতিযোগিতা সমূহৰ অন্ত পৰে আবেলি ৪ বজাত। একোজন খেলুৱৈক তিনিটা শিতানত হে অংশ গ্ৰহণ কৰিবলৈ সুবিধা দিয়া হয়। প্ৰতিযোগিতাত যিসকলে প্ৰথম আৰু দ্বিতীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে তেখেত সকলে অহা ১৮, ডিচেম্বৰ পৰা চেন্নাইত অনুষ্ঠিত হ'বলগা আন্তঃৰাজ্যিক প্ৰতিযোগিতাত ডিব্ৰুগড় জিলাৰ হৈ অংশগ্ৰহণ কৰিব।

# বড়িগাঁৱত অগপৰ সভা; নতুন আঞ্চলিক সমিতি গঠন

**অসম বাৰ্তা, অভয়াপুৰী, ১ নৱেম্বৰ** ঃ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে অভয়াপুৰী বিধান পৰিষদীও এলেকাত অসম গণ পৰিষদে নিজৰ সাংগঠনিক শক্তি বৃদ্ধি কৰাৰ মনোনিৱেশ কৰিছে। নিতৌ সভা সমিতি আয়োজন কৰি দ'লটোৱে সাংগঠনিক শক্তি বৃদ্ধি কৰিব ধৰিছে। তাৰেই অংশ হিচাপে আজি বড়িগাঁও আঞ্চলিক অগপৰ সভাখন বড়িগাঁও লক্ষ্মী মন্দিৰ প্ৰাংগনত অনুষ্ঠিত হৈ যায়। অগপ নেতা পূৰ্ণ চন্দ্ৰ ৰায়ৰ (কিনা ৰাম ৰায়) সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত উদেশ্য ব্যাখা কৰে জ্যেষ্ঠ অগপ নেতা কেশৱ দেৱ শৰ্মাই। সেই সভাত উপস্থিত থাকি প্ৰাক্তন বিধায়ক তথা দ'লটোৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ভূপেন ৰায়ে কয় যে "আমি মিত্ৰতাৰ ধৰ্ম পৰিহাৰ কৰা নাই। যদি পৰিহাৰ কৰিবলগীয়া হয় সেই সিদ্ধান্ত কেন্দ্ৰীয় সমিতিয়ে ল'ব। সাম্প্ৰতিক পৰিস্থিতিত ৰাইজে অগপক বিচাৰিছে। ২০২৬ৰ বিধানসভা নিৰ্বাচনত অগপই ধৰ্ম নিৰপেক্ষতাৰ নীতি অব্যাহত ৰাখিব।" তেওঁ লগতে কয় যে অগপৰ শুদ্ধ আৰু স্বচ্ছ নীতিৰ বাবেই সকলো জাতি জনজাতিৰ লোকে অগপ ভাল পায়। আজিৰ সভাৰ আৰম্ভণীতে হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰা হয়। সেই সভাখনতে পূৰ্ণ চন্দ্ৰ ৰায়ক সভাপতি, কৰেন দাসক কাৰ্যকৰী সভাপতি সিদ্ধেশ্বৰ ৰায় আৰু মিঠু সৰকাৰক যুটীয়া সম্পাদক হিছাপে লৈ ৩১ জনীয়া সমিতি গঠন কৰে। ইপিনে সেই সভাতে কংগ্ৰেছী নেতা কমল ৰায়ে আন কিছু ৰাইজ সহিত অগপত যোগদান কৰে। আজিৰ সভাত অগপ নেতা দুলাল শীল, উদয় কলিতা, লক্ষণ কলিতা বুদ্ধেশ্বৰ ৰায়, উপেন দাস, ধৰণীধৰ শীল, নিৰেণ ৰায়, প্ৰদীপ বৰা, জানকী ৰায়, মান্না ৰাভা, ভণিতা ৰাভা, প্ৰবীন ৰাভা, নিৰেন দাস, শ্ৰীমন্ত ৰায়, জলেশ্বৰ ৰায়কে ধৰি আন বহু লোক উপস্থিত থাকে।

৮ টকা কিলোকৈ পাত বেচি শ্ৰমিকৰ হাজিৰাও দিব পৰা নাই বহু ক্ষুদ্ৰ বাগিচাৰ মালিকে

# বটলিফ ফেক্টৰীৰ ওপৰত শাস্তিমূলক ব্যৱস্থা ল'বলৈ ভাৰতীয় চাহ বৰ্ডক অনুৰোধ জনাম ঃ মুখ্যমন্ত্ৰী

## পানীত হাঁহ-নচৰা অৱস্থা অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১ নৱেম্বৰ** ঃ "বটলিফ টী ফেক্টৰীয়ে ভাৰতীয় টী বৰ্ডৰ নিৰ্দেশ মনা নাই। এই ক্ষেত্ৰত টী বৰ্ডক অনুৰোধ জনাম তেওঁলোকে যাতে বটলিফ টী ফেক্টৰীৰ ওপৰত যথোচিত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। টী বৰ্ড যিহেতু ভাৰত চৰকাৰৰ অধীনস্থ, গতিকে আমি ভাৰত চৰকাৰক অনুৰোধ জনাব পাৰো, টী বৰ্ডক ক'ব পাৰোঁ।" এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি চাহ নগৰী ডুমডুমাত উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীক কেঁচা চাহপাতৰ দুৰ্দশাগ্ৰস্ত অৱস্থা আৰু কলঘৰ কৰ্তৃপক্ষই ভাৰতীয় টী বৰ্ডৰ নিৰ্দেশনাক অঙ্গুষ্ঠ প্ৰদৰ্শন কৰা সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত এইদৰে মন্তব্য কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। উল্লেখ্য যে, যিটো সময়ত এক কিলো কেঁচা চাহপাত উৎপাদন কৰিবলৈ ২০ টকাতকৈও অধিক ব্যয় কৰিব লগা হয়, তেনে সময়ত তিনিচুকীয়াৰ ক্ষুদ্ৰ চাহ খেতিয়কে প্ৰতিকিলো কেঁচা চাহপাতৰ বিনিময়ত লাভ কৰিছে মাত্ৰ ৮ টকা। এনে স্থলত ক্ষুদ্ৰ চাহ খেতিয়কে শ্ৰমিকৰ পযেকীয়া দৰমহাকেইটা দিবলৈকো সক্ষম হোৱা নাই। এইক্ষেত্ৰত অসম চৰকাৰৰ নিৰ্লিপ্ততা আৰু মুখ্যমন্ত্ৰীগৰাকীৰ দায়সৰা মন্তব্যই ক্ষুদ্ৰ চাহ খেতিয়কক ক্ষুণ্ণ কৰি তোলাটোৱেই স্বাভাৱিক। উল্লেখ্য যে, যোৱা ২২ অক্টোবৰ, ২০২৫ তাৰিখে গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ সভা কক্ষত ভাৰতীয় চাহ বৰ্ডৰ কাৰ্যবাহী সঞ্চালক অৰুণিতা ফুকন যাদৱৰ সঞ্চালনাত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষকৈ নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ বিষয়ববীয়াৰে এক আলোচনা অনুষ্ঠিত হৈছিল। আলোচনাত ভাৰতীয় চাহ বৰ্ডৰ সঞ্চালক (চাহ উন্নয়ন) এছ সৌন্দৰৰাজন আৰু ভাৰতীয় চাহ বৰ্ডৰ কাৰ্যবাহী সদস্য (ডিব্ৰুগড় কাৰ্যালয়) মৃগেন্দ্ৰ জালান উপস্থিত থাকে। উক্ত দিনা অনুষ্ঠিত দ্বিতীয়লানি আলোচনাত কলঘৰ কৰ্তৃপক্ষৰ স'তেও মুখামুখি হয় ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ বিষয়ববীয়াসকল। সভাৰ উদ্দেশ্য আছিল উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলে লাভ কৰা কেঁচা চাহ পাতৰ অভূতপূৰ্ব মূল্য হ্ৰাস। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সভাপতি ৰাজেন বৰাই ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যাসমূহৰ বিষয়ে আলোচনা কৰিবলৈ পৃথক সভাৰ পোষকতা কৰে যদিও চাহ বৰ্ডে সঠিক সিদ্ধান্ত দিব পাৰিলে সিদিনাৰ আলোচনাত অংশগ্ৰহণ কৰাত আপত্তি নাই বুলিও কয়। সংগঠনটোৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ৰাণা মৰাণে কলঘৰসমূহৰ কাৰ্যকলাপ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি কয় যে কলঘৰ সমূহে টি এম চি অ'ৰ নীতি-নিয়মসমূহ উলংঘা কৰাৰ লগতে তথ্যৰ অবিহনে নগদ ধনেৰে কেঁচা পাত ক্ৰয় কৰা, কেঁচাপাতৰ মূল্য ফলক কোনোকালে নলগায় আৰু গড় কেঁচা পাতৰ মূল্য (এ জি এল পি) প্ৰদৰ্শন কৰিবলৈ ৰাজি নহয়। তেওঁ নিয়ম বহিৰ্ভূতভাৱে চলাই থকা কেইবাটাও কলঘৰৰ নাম উল্লেখ কৰিছিল। অসমৰ অন্যান্য জিলাৰ প্ৰতিনিধিয়েও একেধৰণৰ সমস্যাৰ ওপৰত আলোকপাত কৰে। যোৰহাট, গোলাঘাট আৰু লখিমপুৰ জিলাৰ পৰা অহা সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সদস্যসকলে কলঘৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে মূল্যৰ বৈষম্য, এ জি এল পি মানি নচলা আদি অভিযোগ উত্থাপন কৰাৰ উপৰি ই-মেইলৰ জৰিয়তে গড় কেঁচাপাতৰ মূল্য (এজিএলপি) নিয়মীয়াকৈ প্ৰৰণ কৰাটো বাধ্যতামূলক কৰিবলৈ ভাৰতীয় চাহ বৰ্ডক আহ্বান জনায়। আলোচনাত কেঁচাপাতৰ মূল্যৰ প্ৰত্যাহ্বানৰ মাজতো গুণগত মান বজাই ৰখাৰ বাবে লখিমপুৰৰ খেতিয়কসকলক প্ৰশংসাও কৰা হয়। প্ৰথমলানি আলোচনাত বৰ্ডৰ কাৰ্যবাহী সঞ্চালকে স্পষ্ট কৰি দিয়ে যে এন ই জেড অ' চাহ আইন, ১৯৫৩ আৰু টি এম চি অ', ২০০৩ কাৰ্যকৰী কৰিবই লাগিব। কাৰ্যবাহী সঞ্চালকে ২১ অক্টোবৰ তাৰিখে প্ৰতিটো পঞ্জীভুক্ত কঁচাপাতৰ কলঘৰক 'এভাৰেজ গ্ৰীণলিফপ্ৰাইচ'ৰ পাৰ্থক্য মূল্য পৰিশোধ কৰিবলৈ নিৰ্দেশনা দিয়াৰ কথাও উল্লেখ কৰিছিল। এই নিৰ্দেশ অমান্য কৰিলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও উল্লেখ কৰে। কাৰ্যবাহী সঞ্চালকে ক্ষুদ্ৰ চাহ খেতিয়কৰ সংস্থাসমূহক টী বৰ্ডৰ নিৰ্দেশনা পালনৰ ক্ষেত্ৰত সহযোগিতা অগবঢ়াবলৈ অনুৰোধ জনায়। কিন্তু অসমৰ, বিশেষকৈ উজনিৰ তিনিচুকীয়া, ডিব্ৰুগড় আৰু চৰাইদেউ জিলাৰ বটলিফ ফেক্টৰীৰ মালিকসকলে ভাৰতীয় টী বৰ্ডৰ নিৰ্দেশনাকো অঙ্গুষ্ঠ প্ৰদৰ্শ কৰা দেখা গৈছে। যাৰ ফলত ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ নেতাই কলঘৰে কলঘৰে গৈ মালিক পক্ষক টী বৰ্ডৰ নীতি-নিৰ্দেশনাক নস্যাৎ কৰা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিব লগা হৈছে। কিন্তু পুঁজিপতি কলঘৰ কৰ্তৃপক্ষৰ পক্ষত থকা আৰক্ষী প্ৰশাসনে থলুৱাক সহায় কৰাৰ পৰিৱৰ্তে তেনে পদক্ষেপৰ বাবে ক্ষুদ্ৰ চাহ খেতিয়কৰ নেতাকহে থানালৈ উঠাই নি ঘণ্টা ঘণ্টা আবদ্ধ কৰি ৰখাৰ ঘটনা ঘটিছে তিনিচুকীয়া জিলাত। টী বৰ্ডৰ কথা নুশুনা কলঘৰ কৰ্তৃপক্ষক নাকী লগাব কোনে, সেয়াই এতিয়া লাখটকীয়া প্ৰশ্ন। বৰ্ডৰ কাৰ্যবাহী সঞ্চালকে ক্ষুদ্ৰ চাহ খেতিয়কক চাহ উৎপাদন কৰা প্ৰধান জিলাসমূহত গড় কেঁচা পাতৰ মূল্য (AGLP) পৰিশোধ কৰাত ব্যৰ্থ হোৱা কলঘৰসমূহৰ তথ্য যোগান ধৰিবলৈ ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ নেতৃত্বক অনুৰোধ জনায়। উক্ত দিনা অনুষ্ঠিত দ্বিতীয়লানি আলোচনাত কলঘৰ কৰ্তৃপক্ষৰ সতে মুখামুখি হয় ক্ষুদ্ৰ চাহ খেতিয়কৰ সংগঠন সমূহৰ নেতৃত্ব। আলোচনাত 'নৰ্থ ইষ্ট কনফেডাৰেচন স্মল টী গ্ৰ'ৱাৰ্ছ এছ'চিয়েচন'ৰ সভাপতি আৰু সম্পাদক ক্ৰমে দিগন্ত ফুকন, বিনোদ বুঢ়াগোহাঁই, নাগালেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ এন পল কিকিয়ান, অৰুণাচল প্ৰদেশৰ ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ উপ-সভাপতি বিন ততান একা, বটলিফ টী মেনুফেকচাৰাৰ এছ'চিয়েচন (বি এল টি এম এ)ৰ সভাপতি চান্দ কুমাৰ গোহাঁই, বিষয়ববীয়া বিদ্যানন্দ বৰকাকতিৰ লগতে আসাম টী পে-ণ্টাৰ্ছ এছ'চিয়েচন (এ টি পি এছ), টী এছ'চিয়েচন অব ইণ্ডিয়া (আই টি এ), নৰ্থ ইষ্ট টী এছ'চিয়েচন (এন ই টি এ), ভাৰতীয় চাহ পৰিষদ (বিচিপি)ৰ বিষয়ববীয়া ই অংশ গ্ৰহণ কৰিছিল। কিন্তু ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই কৰি অহা বিক্ষোভ, ভিন্ন প্ৰকাৰৰ গণতান্ত্ৰিক আন্দোলন, আলোচনা আদিয়ে দুৰ্ভগীয়া ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ মুখলৈ আশাৰ বাৰ্তা কঢ়িয়াই আনিব পৰা নাই।

## নিৰজ জালান সভাপতি, ৰাজকুমাৰ বৰঠাকুৰ উপ-সভাপতি নিৰ্বাচিত

# নেটাৰ নতুন কাৰ্যকাৰী সমিতি গঠন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১ নৱেম্বৰ** ঃ নৰ্থ ইষ্টাৰ্ণ টি এচ'চিয়েচন (নেটা)ৰ নৱগঠিত কাৰ্যকাৰী সমিতিৰ বৈঠক ২৯ অক্টোবৰত গোলাঘাটস্থিত নেটাৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। এই বৈঠকত ২০২৫—২৭ বৰ্ষৰ বাবে নতুন কাৰ্যকাৰী সমিতি গঠন কৰা হয়, য'ত সৰ্বসম্মতিক্ৰমে নিৰজ জালানক সভাপতি আৰু ৰাজকুমাৰ বৰঠাকুৰক উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়। এই সম্পৰ্কে নেটাৰ সচিব মণিষা শৰ্মাই এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জানিবলৈ দিয়ে যে নৱগঠিত কাৰ্যকাৰী সমিতিয়ে চাহ উদ্যোগৰ হিতৰক্ষাৰ লগতে আঞ্চলিক উৎপাদকসকলৰ সহযাগিতা আৰু শক্তিশালীকৰণৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব। প্ৰণিধানযোগ্য যে নিৰজ জলান হৈছে জালান মণি টি কোম্পানি প্ৰা. লি. ৰ পৰিচালক আৰু ভোগদাবাৰী টি এষ্টেট আৰু জলান উদ্যোগৰ স্বত্বাধিকাৰী। আনফালে ৰাজকুমাৰ বৰঠাকুৰ, যি যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ ইলেক্ট্ৰিকেল ইঞ্জিনিয়াৰিং শাখাৰ স্নাতক, তেওঁ বৰহোলা (দক্ষিণ) টি ইণ্ডাষ্ট্ৰিজৰ ব্যৱস্থাপক অংশীদাৰ, লগতে যোগীভেটা টি এষ্টেটৰ স্বত্বাধিকাৰী আৰু ইলেক্ট্ৰকিংছ প্ৰজেক্টছ প্ৰাইভেট লিমিটেডৰ ব্যৱস্থাপনা পৰিচালক। উল্লেখযোগ্য যে নৰ্থ ইষ্টাৰ্ণ টি এচ'চিয়েচন (নেটা)ৰ প্ৰতিষ্ঠা ১৯৮১ চনত হৈছিল। এই সংস্থাটোৱে পূৰ্বোত্তৰ ভাৰতৰ অন্যতম আগশাৰীৰ চাহ উৎপাদক মঞ্চ, যাৰ সদস্যসকলৰ মাজত কম্প'জিট টি এষ্টেট, ক্ৰয় কৰা কঁহুপাতৰ আধাৰত স্থাপিত চাহ কাৰখানা আৰু চাহ বাগানৰ মালিকসকল অন্তৰ্ভুক্ত। বৰ্তমান নেটাৰ সদস্যসংখ্যা ১৮৩, যিসকল অসম, নাগালেণ্ড আৰু আৰুণাচল প্ৰদেশত বিস্তৃত আৰু প্ৰতিবছৰে ১৮ কোটি কিলোগ্ৰামৰো অধিক চাহ উৎপাদনেৰে প্ৰতিনিধিত্ব কৰে। নেটা হৈছে কনছালটেটিভ কমিটি অফ প্লাণ্টেশ্যনছ এচ'চিয়েচনছ (CCPA)-ৰ এক সদস্য, যি দেশৰ সকলো প্ৰধান চাহ উৎপাদক সংগঠনৰ শীৰ্ষ সংস্থা। নৱগঠিত এই কাৰ্যকাৰী সমিতিৰ পৰা স্থানীয় অঞ্চলৰ চাহ উদ্যোগৰ বিকাশ আৰু দিশ নিৰ্দেশনাত নতুন উৎসাহ যোগাব বুলি সকলো আশাবাদী।

# সৃজনগ্ৰাম হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভা

**অসম বাৰ্তা, অভয়াপুৰী, ১ নৱেম্বৰ** ঃ সৃজনগ্ৰাম ইউনাইটেড হাইস্কুলত থকা সৃজনগ্ৰাম হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ পৰিচালনা সমিতিৰ বিশেষ এখন সভা আজি সৃজনগ্ৰাম ইউনাইটেড হাইস্কুলত অনুষ্ঠিত হয়। পৰীক্ষা কেন্দ্ৰটোৰ পৰিচালনা সমিতিৰ সভাপতি অশোক ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সভাৰ উদেশ্য ব্যাখা কৰে পৰিচালনা সমিতিৰ সচিব তথা সৃজনগ্ৰাম ইউনাইটেড হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰূপচান ভূঞাই। সভাত চুকানী হাইস্কুলৰ প্ৰধান শিক্ষক জলেশ্বৰ অধিকাৰীয়ে সৃজনগ্ৰাম হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰটোৰ সুবিধা আৰু অসুবিধা সমূহৰ সন্দৰ্ভত বহলাই কয়। গৌৰপদ ভৌমিকে সৃজনগ্ৰামৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা নিয়াৰিকৈ চলাই নিবই লাগিব বুলি মন্তব্য দিয়ে। শিক্ষক মনোমোহন ৰায়েও পৰীক্ষা কেন্দ্ৰটোৰ ইতিবাচক দিশ সমূহৰ কথা উল্লেখ কৰি যি কোনো কাৰণত এই কেন্দ্ৰটোক কেতিয়াও আন ঠাইত স্থানান্তৰণ কৰিবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰে। সেই সভাত অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য শৈলেশ ৰায়ে সৃজনগ্ৰাম হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰটোৰ স্থাপনৰ সময়ৰ কথাবোৰ বহলাই কয়। একেখন সভাত শিক্ষক অনুব্ৰত মৌলিক, অজয় ৰায়েও ভাষণ প্ৰদান কৰে। উক্ত সভাত সচিব ৰূপচান ভূঞাই বিগত পৰীক্ষাৰ হিচাপ নিকাচ দাখিল কৰে আৰু সভাই বাজেটখন গৃহীত কৰে। ৰাইজে পুৰণি সমিতিখনকে পুনৰ বাহাল ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত শিক্ষক ধীৰেশ্বৰ ৰায়, দেৱব্ৰত শৰ্মা, ৰুনুৰাম ৰায়, মনোৰঞ্জন ৰায়, টিকেন বৰুৱা, শিক্ষয়িত্ৰী পিয়ালী দাস, মৃণালিনী মেধী, সবিতাৰাণী দেৱী, মলয়া চক্ৰৱতী, গীতা ডেকাকে ধৰি আন বহু শিক্ষক শিক্ষয়িত্ৰী তথা ৰাইজ উপস্থিত থাকে।

## সম্পাদকীয়

# অসমীয়া চিনেমাৰ সোণালী ইতিহাসত ৰূপকথাৰ অভিলেখ

অসমীয়া চলচ্চিত্ৰই নৱীন যুগত ভৰি থ'লে। ইতিহাসৰ পাতত সোণালী আখৰেৰে লিখা হ'ব ২০২৫ চনৰ ৩১ অক্টোবৰ তাৰিখটো। কাৰণ, এইদিনাটোতেই অসমীয়া চিনেমাৰ ৯০ বছৰীয়া গৌৰৱগাথাৰ ভেঁটি কঁপাই দিয়া এক অভূতপূৰ্ব অভিলেখ সৃষ্টি কৰিলে জুবিন গাৰ্গৰ অন্তিম শিল্পকৰ্ম 'ৰৈ ৰৈ বিনালে'য়ে। প্ৰথম দিনৰ মুকলিৰে পৰাই দৰ্শকৰ অভাৱনীয় সঁহাৰি আৰু ২.৫২ কোটি টকাৰ বিশাল উপাৰ্জনেৰে এই ছবিখনে অসমীয়া বোলছবি জগতত এখন ৰূপকথাৰ জন্ম দিলে। এই সাফল্য কেৱল এখন ছবিৰ সাফল্য নহয়, ইয়াৰ আঁৰত আছে সমগ্ৰ অসমীয়া সংস্কৃতি আৰু অসমীয়া মানুহৰ আত্মবিশ্বাসৰ এক জয়গাথা। অসমীয়া চলচ্চিত্ৰৰ ইতিহাসখন সৌৰভেৰে ভৰপূৰ। 'জয়মতী'ৰ পৰা আৰম্ভ কৰি 'ডক্টৰ বেজবৰুৱা', 'সীতাৰ বনবাস', 'শকুন্তলা' আদি ছবিসমূহে অসমীয়া সংস্কৃতিৰ মৰ্যাদা বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিছিল। কিন্তু সময়ৰ সোঁতত বজাৰৰ ৰাজনীতি, দৰ্শকৰ ৰুচিৰ পৰিৱৰ্তন আৰু ভাঙোনে অসমীয়া চিনেমাক ভালেখিনি প্ৰভাৱিত কৰিছিল। বহু বছৰ ধৰি অসমীয়া ছবিয়ে উল্লেখযোগ্য বজাৰ সৃষ্টি কৰিব নোৱাৰাৰ এক দুঃখজনক অধ্যায়ও আমাৰ চিনেমাৰ ইতিহাসত আছে। কিন্তু 'ৰৈ ৰৈ বিনালে'য়ে এই ধাৰাটো সম্পূৰ্ণৰূপে সলনি কৰি দিয়া যেন লাগিছে। ইয়াৰ সাফল্যই প্ৰমাণ কৰিলে যে গুণগত মানদণ্ড, শক্তিশালী কাহিনী আৰু উৎকৃষ্ট প্ৰযোজনাৰে সঁজুলি এখন ছবিয়ে অসমীয়া দৰ্শকৰ মন জয় কৰাৰ লগতে অৰ্থনৈতিকভাৱেও সফল হ'ব পাৰে। এই ছবিৰ সাফল্যৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল ইয়াৰ বিশাল ব্যাপ্তি। অসমৰ ৯৪টা ছবিগৃহত দৈনিক ৪৫৬টা শ্ব' আৰু গুৱাহাটীৰ ১৩টাকৈ দৈনিক ১৫৭টা শ্ব' হাউছফুল হোৱা দেখিলে সহজেই অনুমান কৰিব পাৰি দৰ্শকৰ ছবিখনৰ প্ৰতি থকা আকৰ্ষণৰ মাত্ৰা। ইয়াৰোপৰি, ধেমাজি, লখিমপুৰৰ দৰে সৰু ঠাইবোৰতো পুৱাৰে পৰা দৰ্শকৰ ভিৰে ছবিখনক কেৱল এখন ছবি নহয়, এক সামূহিক উৎসৱলৈ ৰূপান্তৰিত কৰিছে। কিন্তু এই সাফল্য অসমতেই সীমাবদ্ধ নহয়। ইটানগৰ, নাহৰলগুণৰ পৰা আৰম্ভ কৰি মুম্বাই, দিল্লী, বেংগালুৰু, কলকাতা, চেন্নাই, হায়দৰাবাদ, কোচি, আহমেদাবাদ আদি দেশৰ বিভিন্ন প্ৰান্তত 'ৰৈ ৰৈ বিনালে'ই দৰ্শকৰ চকু চুইছে। অৰ্থাৎ, এই ছবিখনে অসমীয়া চিনেমাক স্থানীয় পৰ্যায়ৰ পৰা আঞ্চলিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত কৰাৰ এক যুগান্তকাৰী কাম সম্পাদন কৰিলে। এই অভিলেখ সৃষ্টিৰ পিছত এটা প্ৰশ্ন স্বাভাৱিকভাৱেই উঠে — 'ৰৈ ৰৈ বিনালে'ৰ এই সাফল্যৰ ৰহস্য কি? ইয়াৰ উত্তৰ সৰল। প্ৰথমতে, ইয়াৰ পিছত আছে জুবিন গাৰ্গৰ দৰে এক কিংবদন্তি শিল্পীৰ অন্তিম শিল্পকৰ্মৰ প্ৰতি থকা দৰ্শকৰ অকৃত্ৰিম শ্ৰদ্ধা, মমতা আৰু কৌতূহল। জুবিন গাৰ্গ কেৱল এজন সংগীতশিল্পী বা অভিনেতা নাছিল, তেওঁ আছিল অসমীয়া যুৱ সমাজৰ এক প্ৰেৰণাদায়ক ব্যক্তিত্ব। তেওঁৰ অসামান্য প্ৰতিভা আৰু কৰ্মযোজনাৰ প্ৰতি দৰ্শকৰ মাজত থকা গভীৰ আস্থাই এই ছবিলৈ আগবঢ়োৱা সমৰ্থনক এক আৱেগিক মাত্ৰা প্ৰদান কৰিছে। দ্বিতীয়তে, ছবিখনৰ গুণগত মান। জুবিন গাৰ্গৰ দৰে এক পৰিপূৰ্ণ শিল্পীৰ পৰিচালনাত ছবিখনৰ কাহিনী, সংগীত, চিনেমেট'গ্ৰাফী, অভিনয় আদি সকলো দিশতে উচ্চমান নিশ্চিত হোৱাটো স্বাভাৱিক। তৃতীয়তে, ছবিখনৰ বিপণন প্ৰক্ৰিয়াটো অতি পৰিকল্পিত আৰু ফলপ্ৰসূ আছিল। ট্ৰেইলাৰ মুক্তিৰ লগে লগে সৃষ্টি হোৱা উত্তেজনা, অগ্ৰিম টিকট বুকিংৰ অভিলেখীয় সঁহাৰি—এইবোৰে ছবিখনলৈ এক ব্যাপক কৌতূহলৰ সৃষ্টি কৰিছিল। 'ৰৈ ৰৈ বিনালে'ৰ এই অভূতপূৰ্ব সাফল্যই অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ বাবে এক নতুন দিগন্ত মুকলি কৰিছে। ই প্ৰমাণ কৰিলে যে অসমীয়া ছবিয়ে ভাৰতীয় চিনেমাৰ মূল সোঁতত নিজৰ স্থান সৃষ্টি কৰিব পাৰে। ভৱিষ্যতৰ চলচ্চিত্ৰকাৰসকলৰ বাবে এই ছবিখন এখন পথপ্ৰদৰ্শক হিচাপে কাম কৰিব। ইয়াৰ পৰাই শিকিব পাৰি যে স্থানীয়তাৰ গোন্ধ ৰাখিও বিশ্বজনীন মানদণ্ডৰ ছবি নিৰ্মাণ কৰাটো সম্ভৱ। ইয়াৰোপৰি, এই সাফল্যই অসমীয়া চলচ্চিত্ৰলৈ বিনিয়োগকৰ্তাসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰিব, যাৰ ফলত অধিক উচ্চমানৰ ছবি নিৰ্মাণৰ বাট মুকলি হ'ব। শেষত, 'ৰৈ ৰৈ বিনালে' কেৱল এখন ছবি নহয়, ই এখন সমাজ, এক সংস্কৃতি আৰু এক জাতিৰ সপোনৰ প্ৰতিফলন। জুবিন গাৰ্গে জীৱনৰ শেষ মুহূৰ্তলৈও অসমীয়া সংস্কৃতিৰ সেৱা কৰি গ'ল। তেওঁৰ এই অন্তিম উপহাৰে তেওঁক অমৰ কৰি ৰাখিল। এই ছবিৰ জৰিয়তে জুবিন গাৰ্গই অসমীয়া চিনেমাৰ হাতত এনে এক তুলিচৰ হাতিয়াৰ দি গ'ল যাৰ বলত ইয়াৰ ভৱিষ্যত উজ্জ্বল। 'ৰৈ ৰৈ বিনালে'ৰ এই অভিলেখীয় যাত্ৰাই অসমীয়া চিনেমাক নতুন উচ্চতালৈ লৈ যাওক। ইয়াৰ জয়যাত্ৰা অব্যাহত থাকক। আমাৰ সংস্কৃতিৰ এই উজ্জ্বল জ্যোতিটোৱে আগলৈও পোহৰ বিলাই থাকক—এয়ে হ'ব আমাৰ সৰ্বসাধাৰণৰ কামনা।

# এৰি অহা কৰ'ণাৰ দিনবোৰ

**ড° আৰ কে বেজবৰুৱা**

> ক'ৰণাৰ চিকিৎসা বুলি পেৰাচিটামলৰ বাহিৰে একো নাই যদিয়ো কিছুমান ঔষধ পৰীক্ষামূলকভাৱে ব্যৱহাৰ কৰা হৈছিল। তাৰ ভিতৰত হাইড্ৰ'ক্সি ক্ল'ৰোকুইন, ব্যাৱহাৰ কৰা হৈছিল। সেয়া খাই চিকিৎসকৰ মৃত্যু হোৱাৰ খবৰো ওলাল। দিন গৈ থাকিল, কিন্তু কৰ'ণাৰ প্ৰকোপ নকমিল। হঠাতে ডিজিটেল বিশ্ব সম্প্ৰসাৰিত হৈ পৰিল। স্কুল-কলেজ বন্ধ যদিয়ো শিক্ষা বন্ধ হ'ব নোৱাৰে। শিক্ষাৰ মাধ্যম ডিজিটেল ৰূপলৈ পৰিৱৰ্তিত হ'ল।

২০২০ চনৰ মাৰ্চ মাহৰ কথা। কিছুমান মানুহৰ মুখে মুখে বাগৰি আহিছিল - "এটা বেমাৰ আহিছে! কৰুণা বেমাৰ! যাৰ হৈছে, তাৰ ৰক্ষা নাই, নিশ্চিত মৃত্যু।"

এফালৰ পৰা নিঃশেষ কৰি আহিছে জীৱনৰ স্পন্দন। অফিচত কাম কৰি থাকোঁতে, বজাৰ কৰি থাকোঁতে আন কি ৰাস্তাত খোজ কাঢ়ি গৈ থাকোঁতে মানুহ বাগৰি পৰে আৰু তাতেই জীৱন বন্তি নুমাই যায়। তেনেকুৱা দৃশ্যৰ অসংখ্য ভিডিঅ' ফেচবুক, হোৱাটচ্এপ আদি সামাজিক মাধ্যমত আহিবলৈ ধৰিলে।

খুব সম্ভৱ সেয়া ৩১ ডিচেম্বৰ ২০১৯। চীনৰ উহান চহৰত এবিধ নিউমোনিয়া সদৃশ অচিনাকি ৰোগৰ প্ৰাদুৰ্ভাৱৰ বিষয়ে বিশ্ব স্বাস্থ্য সংস্থা অৱগত হয়। ২০২০ চনৰ ৫ জানুৱাৰীত বিশ্ব স্বাস্থ্য সংস্থাই নতুন ভাইৰাছ এবিধৰ প্ৰাদুৰ্ভাৱৰ ঘটা বুলি ৰাজহুৱাকৈ ঘোষণা কৰে। এই ৰোগ বিধৰ কাৰণ 'Novel coronavirus' বুলি চীনা কৰ্তৃপক্ষই চিনাক্ত কৰিছিল আৰু ইয়াৰ সাময়িক ভাৱে নাম ৰাখিছিল- '2019-nCoV'।

১০ জানুৱাৰীত বিশ্ব স্বাস্থ্য সংস্থাই ৰোগ বিধৰ বিষয়ে গাইড লাইন জাৰি কৰিছিল। ১২ জানুৱাৰীত চীন চৰকাৰে ইয়াক 'COVID-19' নামেৰে অভিহিত কৰি তাৰ লক্ষণ, প্ৰতিৰোধৰ উপায়, প্ৰতিহত কৰাৰ উপায় আদি প্ৰকাশ কৰে। ১৩ জানুৱাৰীত বাতৰিত প্ৰকাশ পায় যে থাইলেণ্ডত এজন মানুহৰ গাত ৰোগ ধৰা পৰিছে। ১৪ জানুৱাৰীত এই কথা কোৱা হয় যে বেমাৰটো মানুহৰ পৰা মানুহলৈ অতি সোনকালে বিয়পে। কিন্তু এই কথাবোৰে আমাৰ মানুহৰ মাজত কোনো প্ৰভাৱ পেলাব পৰা নাছিল, কিয়নো ইতিপূৰ্বে প্ৰাদুৰ্ভাৱ ঘটা SARS, MERS আৰু অন্যান্য শ্বাস-প্ৰশ্বাসৰ সৈতে জড়িত ৰোগৰ বিষয়ে চিকিৎসক আৰু চৰকাৰবোৰ অৱগত আছিল। সেয়েহে ৰোগবিধৰ খবৰে আমাৰ ইয়াত বিশেষ ভীতিগ্ৰস্ততা সৃষ্টি কৰিব পৰা নাছিল।

প্ৰথম অৱস্থাত হাঁহি উঠিছিল - ধেৎ কি অদ্ভুত কথা, বেমাৰৰ নাম 'কৰুণা'? কিন্তু হাঁহি মাৰ যাবলৈ বেছি সময় নালাগিল। তাৰ ঠাইত দেখা দিলে তীব্ৰ আশংকা আৰু ভীষণ ভয়ে। সকলোৰে চিন্তা - কেনেকৈ ৰক্ষা কৰোঁ পৰিয়াল আৰু সংসাৰ? কোনে ৰক্ষা কৰিব এতিয়া মানৱ প্ৰজাতিক? কেনেকৈ বাচি থাকিব মানৱ সমাজ? ৩০ জানুৱাৰীত বিশ্ব স্বাস্থ্য সংস্থাই দিয়া তথ্যত জনা যায় যে খুব কম সময়ৰ ভিতৰতে বিশ্বত ৭৮১৮জন কোভিড ৰোগী ধৰা পৰিছে। তাৰ সৰহ ভাগ চীন আৰু বিশ্বৰ ১৮খন দেশত ৮২ গৰাকী ৰোগী পোৱা গৈছে। পৃথিৱীৰ বিভিন্ন দেশত ৰোগ বিয়পি পৰাৰ খবৰ, চীনৰ পৰা প্ৰচাৰ কৰা বিভিন্ন খবৰ আৰু ছবিয়ে আমাৰ ইয়াতো মানুহক আতংকিত কৰিবলৈ ধৰে। আটাইতকৈ ডাঙৰ কথা - ৰোগটো একেবাৰে নতুন আৰু মাৰাত্মক ভাইৰাছৰ দ্বাৰা সৃষ্ট। ইয়াৰ গতি- প্ৰকৃতিৰ বিষয়ে চিকিৎসক তথা বৈজ্ঞানিকসকল একেবাৰে অজ্ঞ। ই কি মাধ্যমত বিয়পে, কিমান সময় জীৱিত অৱস্থাত থাকে, তাৰ চিকিৎসা পদ্ধতি কি ইত্যাদি কথা তেতিয়াও আন্ধাৰতেই।

প্ৰথম অৱস্থাত চীন চৰকাৰে ৰোগ বা ভাইৰাছৰ বিষয়ে কোনো কথাই প্ৰকাশ কৰা নাছিল। বৰঞ্চ সেই ৰোগৰ বিষয়ে তথ্য প্ৰচাৰ কৰা চিকিৎসক আৰু সাংবাদিকৰ মুখ চিৰকালৰ বাবে বন্ধ কৰি দিয়া বুলি বাতৰিত প্ৰকাশ পাইছিল। কিন্তু বেছি দিন চীন চৰকাৰে তাক লুকুৱাই ৰখা সম্ভৱ নহ'ল। লাহে লাহে চীনৰ পৰাই কিছু তথ্য বাহিৰৰ পৃথিৱীয়ে জানিব পাৰিলে। তাৰ অন্তৰ্নিহিত কাৰণ হয়তো ব্যৱসায় বা বিভিন্ন দেশত বজাৰ দখল কৰাৰ পৰিকল্পনাও আছিল।

আমি জৰুৰী সভা পাতিলো। কথাবোৰ সকলোৰে মাজত প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিলোঁ- কেনেকৈ দূৰত্ব ৰক্ষা কৰিব লাগিব, কেনেকৈ মুখত মাস্ক বা কাপোৰ বান্ধিব লাগিব, বাৰে বাৰে হাত ধুব লাগিব বা চেনিটাইজাৰ ব্যৱহাৰ কৰিব লাগিব আৰু চলা-ফুৰা নিয়ন্ত্ৰণ কৰিব লাগিব তেতিয়ালৈকে কৰ'ণা অসম আহি পোৱা নাছিল। কিন্তু সকলোৰে মাজত বাৰুকৈয়ে হাহাকাৰ লাগিছিল। দোকানত চেনিটাইজাৰ আৰু মাস্ক নোহোৱা হৈছিল। ক'ৰবাত আছিল যদিয়ো দাম চাৰি পাঁচ গুণ বাঢ়ি গৈছিল। কিন্তু এদিন অসমতো মানুহৰ শৰীৰত পোৱা গ'ল কৰ'ণা ভাইৰাছ।

দুশ্চিন্তাৰ মাজেৰে সময় আগুৱাই গৈ থাকিল। মাৰ্চৰ ১১ তাৰিখে বিশ্ব স্বাস্থ্য সংস্থাই ইয়াক 'Pandemic' বুলি ঘোষণা কৰিলে। তাৰ পৰৱৰ্তী সময়ত দেশৰ পিছত দেশ আবদ্ধ হ'বলৈ ধৰিলে নিজৰ নিজৰ ঘৰৰ চাৰিসীমাৰ ভিতৰত। চৰকাৰ, দেশ, মন্দিৰ-মছজিদৰ অস্তিত্ব যেন অৰ্থহীন হৈ পৰিল। 'Lockdown'-নামৰ শব্দ এটাহে সমগ্ৰ বিশ্বত একমাত্ৰ প্ৰাসংগিক হৈ উঠিল। তাৰ লগতে আন এটা শব্দই সকলোকে সন্ত্ৰস্ত কৰি তুলিলে। সেইটো হৈছে - 'Quarantine'। এখন জৈৱিক মহাসমৰৰ ঢাল হৈ পৰিল - এটুকুৰা কাপোৰ। যুদ্ধৰ একমাত্ৰ অস্ত্ৰ হৈছে - এটুকুৰা চাবোন বা চেনিটাইজাৰ। নিজকে বচাবলৈ পালন কৰি লগা হৈছে স্বনিৰ্বাসন। অৰ্থাৎ 'Quarantine' বজাৰত চেনিটাইজাৰৰ নাইকিয়া হৈ গ'ল। মাস্কৰ দাম ঘণ্টাই ঘণ্টাই বৃদ্ধি হৈ গৈ থাকিল।

ইতিমধ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষাবোৰ আৰম্ভ হৈছিল। মাৰ্চৰ ১৮ তাৰিখে চি. বি. এচ. চি.ৰ পৰীক্ষা শেষ হৈছিল, কিন্তু ছেবাৰ পৰীক্ষা শেষ হোৱা নাছিল। মাৰ্চৰ ২০ তাৰিখৰ পৰা মানুহৰ যাতায়াত আৰু বাহিৰত ঘূৰি ফুৰাৰ ওপৰত চৰকাৰে নিষেধাজ্ঞা জাৰি কৰিছিল। নতুন অভিজ্ঞতা হ'ল সকলোৰে। পৃথিৱী বন্ধ হৈ পৰিল 'Quarantine' আৰু 'Lockdown' শব্দ দুটাৰ মাজত। ইপিনে কৰ'ণাই ৰুদ্ৰ ৰূপ ধাৰণ কৰি পৃথিৱীক ইমূৰৰ পৰা সিমূৰলৈ চেলেকি গৈছে। 'কোৱাৰেণ্টাইন' কেম্প পাতি বাহিৰৰ পৰা অহা মানুহবোৰক তাত সুমুৱাই দিছে। কোনেও কাকো চুব নোৱাৰে। সেই বাবেই দূৰৰ পৰা শৰীৰৰ উত্তাপ নিৰ্ণয় কৰিবলৈ মেচিন ব্যৱহাৰ কৰা হৈছে। অ'মিটাৰৰে অ'জিনৰ নিৰিখ লোৱা হৈছে। তাৰ পিছত যেনিবা আহিল কৰ'ণা ধৰা পেলোৱা 'টেষ্ট কিট' - চীনৰ পৰা। চীনে যি দৰে 'Novel coronavirus' সৃষ্টি কৰিছিল, সেই দৰে তাৰ প্ৰতিৰোধী সামগ্ৰীও মজুত কৰিছিল। হয়তো লক্ষ্য আছিল জৈৱিক যুদ্ধাস্ত্ৰৰে পৃথিৱীক বশ কৰা নাইবা বিষাণুৰ কৃষিৰ দ্বাৰা পৃথিৱীৰ ওপৰত আৰ্থিক আধিপত্য বিস্তাৰ কৰা। ঠায়ে-ঠায়ে কেম্প পাতি টেষ্ট কৰা হ'ল। যাকে পজিটিভ পালে, লগে লগে ধৰি নি 'কোৱাৰেণ্টাইন' কেম্পত সুমুৱালে।

এজন দুজনকৈ সকলোৰে দেহত কৰ'ণা ভাইৰাছ ধৰা পৰিল। দিন নাযায়, ৰাতি নুপুৱায়। কৰ'ণা হস্পিতাল খোলা হ'ল। কৰ'ণা হেল্পলাইন খোলা হ'ল। দিনে নিশাই এম্বুলেঞ্চ দৌৰি থাকিল। তাৰ মাজতে ফ্ৰান্সৰ স্বাস্থ্য মন্ত্ৰীয়ে বিৱশ হৈ আত্মহত্যা কৰাৰ খবৰো আহিল। মানুহৰ বজাৰ সমাৰ কৰাত বাধা দিয়া হ'ল। মানুহক ঘৰে ঘৰে গৈ খোৱাৰ সামগ্ৰী যোগান ধৰা হ'ল। মদ - চিগাৰেট, গুটকা খুৱাবোৰৰ আৰু হাহাকাৰ লাগিল। কিছুমানে কোৱাৰেণ্টাইন চেণ্টাৰত উদ্ভগুলি কৰিলে। কিছুমানে ধৰ্মীয় গোড়ামিৰে প্ৰতিবাদ কৰিলে। ডাক্তৰ, নাৰ্ছ, পুলিচক শাৰীৰিক ভাৱে অপদস্থ কৰিলে। চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। চৰকাৰৰ বিৰুদ্ধে বিভিন্ন অজুহাত লৈ বিৰোধী পক্ষও সোচ্চাৰ হৈ পৰিল।

টেষ্ট কিটৰ পিছে পিছে আহিল পি. পি. ই. কিট। ইতিমধ্যে কৰ'ণা ৰোগীৰ বহুতকে মৃত্যুৰ কড়াল গ্ৰাসে গিলি পেলালে। সাংবাদিক, ডাক্তৰ-নাৰ্ছো সাৰি নগ'ল। ১৪ দিন চিকিৎসালয়ত ডিউটি, ১৪ দিন 'কোৱাৰেণ্টাইন'ত। তেওঁলোকে ঘৰ কি দেখা নাপায়, নিজৰ ল'ৰা-ছোৱালীৰ মুখ দেখা নাপায়। মৰা শ ৰাখিবলৈ ঠাই নাই, জ্বলাবলৈ শ্মশানতো ঠাইৰ অভাৱ। নিজৰ আত্মীয় স্বজনৰ মৃত শৰীৰ বা মুখখন দেখাৰ সৌভাগ্যৰ পৰাও অনেকেই বঞ্চিত হ'ল।

ক'ৰণাৰ চিকিৎসা বুলি পেৰাচিটামলৰ বাহিৰে একো নাই যদিয়ো কিছুমান ঔষধ পৰীক্ষামূলকভাৱে ব্যৱহাৰ কৰা হৈছিল। তাৰ ভিতৰত হাইড্ৰ'ক্সি ক্ল'ৰোকুইন, ব্যাৱহাৰ কৰা হৈছিল। সেয়া খাই চিকিৎসকৰ মৃত্যু হোৱাৰ খবৰো ওলাল। দিন গৈ থাকিল, কিন্তু কৰ'ণাৰ প্ৰকোপ নকমিল। হঠাতে ডিজিটেল বিশ্ব সম্প্ৰসাৰিত হৈ পৰিল। স্কুল-কলেজ বন্ধ যদিয়ো শিক্ষা বন্ধ হ'ব নোৱাৰে। শিক্ষাৰ মাধ্যম ডিজিটেল ৰূপলৈ পৰিৱৰ্তিত হ'ল। সকলোকে মোবাইলৰ প্ৰয়োজন হৈ পৰিল। শিক্ষা আৰু পৰীক্ষাৰ বাবে মোবাইল অপৰিহাৰ্য্য হৈ দেখা দিলে। পৃথিৱীৰ মানুহবিলাক যেন আৰু অধিক নিজৰ মাজলৈ সোমাই গ'ল।

এদিন ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে শংখধ্বনি কৰিবলৈ আৰু কাঁহী-বাতি বজাবলৈ আহ্বান জনালে। প্ৰধানমন্ত্ৰীৰ নিৰ্দেশত সকলোৱে সঁহাৰি দিলে। তাৰ পিছত মোবাইলৰ লাইট জ্বলাবলৈয়ো ক'লে। তাকো কৰা হ'ল। বিৰোধী ৰাজনৈতিক দল সমূহে যিমান পাৰে চৰকাৰৰ সমালোচনা কৰাত ব্যস্ত হৈ পৰিল। আৰ্তসকলে চৰকাৰলৈ সহায়ৰ বাবে অনুৰোধ জনালে। বিজ্ঞানীসকলে ৰিচাৰ্চ চলাই থাকিল।

হঠাতে আহিল সুখবৰ। প্ৰতিষেধক চিটা নিৰ্মাণ হ'ল। সকলোৰে মুখত হাঁহি এটা বিৰিঙি উঠিল। চৰকাৰে সকলোকে ভেকচিন ল'বলৈ আহ্বান জনালে। নাৰ্ছক ভেকচিন দিয়াৰ ট্ৰেইনিং দিয়া হ'ল। লগতে স্বাস্থ্য কৰ্মীক ডাটা এণ্ট্ৰিৰ ট্ৰেইনিং। বহু প্ৰতীক্ষাৰ অন্ত পেলাই আকাংক্ষিত কভিড ভেকচিন প্ৰদানৰ কাৰ্য্যসূচী ২০২১ বৰ্ষৰ ১৬ জানুৱাৰীৰ পৰা ভাৰতত আৰম্ভ হ'ল। প্ৰধানমন্ত্ৰী, স্বাস্থ্য মন্ত্ৰীয়ে কেমেৰাৰ লেন্স খুলি ৰাখি প্ৰতিষেধক চিটা ল'লে। অসমো এই কাৰ্যসূচীৰ অন্তৰ্ভুক্ত হ'ল। সকলো চৰকাৰী হস্পিটেল, প্ৰাইভেট হস্পিটেল, কোম্পানীৰ হস্পিটেলত ৰাতিপুৱাৰ পৰা সন্ধিয়া ৫ বজালৈ টিকাকৰণ চলিল। ভেকচিনৰ কাৰ্য্যসূচী চলিয়েই থাকিল। এই সেৱাৰ লগত এইবাৰ প্ৰত্যক্ষ ভাৱে জড়িত হৈ পৰিল নাৰ্ছ (এন এম)সকল আৰু মেলেৰীয়া বা আন বিভাগৰ কৰ্মচাৰী কিছুমান - ডাটা এণ্ট্ৰিৰ বাবে। তেওঁলোকৰ সৈতে অঙ্গাঙ্গী ভাৱে আশা কৰ্মীসকল। স্বাস্থ্য সেৱাৰ তৃণমূল পৰ্যায়ৰ কৰ্মী হৈছে আশাসকল। প্ৰতিটো দিন পীড়া হৈ সন্মুখত উপস্থিত হয় এইচাম কৰ্মচাৰীৰ। দৈনিক ভেকচিন দিয়াৰ লগে লগে ভেকচিন পোৱা লোকৰ নামৰে সৈতে হিচাপ, পাবলগীয়া লোকৰ হিচাপ (ডিউ লিষ্ট) ৬০ বছৰৰ উৰ্দ্ধৰ, ৪৫-৫৯ বছৰৰ ভিতৰৰ, ১৮-৪৫ বছৰৰ ভিতৰৰ লোকৰ হিচাপ কৰি কৰি শেষেই কৰিব নোৱাৰি। তাৰ লগতে আকৌ ১৫-১৭ বছৰীয়া ল'ৰা-ছোৱালীৰ ডিউ লিষ্ট তৈয়াৰ কৰিব লাগিব।

এটা সময় আছিল - মানুহে দৌৰি দৌৰি আহি ভেকচিন লৈছিল। পিছলৈ ভেকচিন দিয়া চেণ্টাৰলৈ মানুহ নহা হ'ল। অসুস্থ-বয়সস্থসকল ভেকচিন দিয়া ঠাইলৈ আহিব নোৱাৰে। চৰকাৰৰ নিৰ্দেশ-সকলোৱে প্ৰথমটো ভেকচিন পাবই লাগিব। ১০০ শতাংশ Vaccination হ'বই লাগিব। চৰকাৰে ঘোষণা কৰিছে। গতিকে যাকে য'তে পায়, ধৰি বান্ধি দিবই লাগিব। দিছেও। কিন্তু তাৰ মাজতে কোনোবাই দা জোকাৰিছে, কোনোবাই লাঠী। ভৰি-হাতে ধৰাৰ পিছতো পুলিচ মাতিব লগীয়া হৈছে বহু ঠাইত। ক'ভিডৰ যন্ত্ৰণাৰ পৰা সকলোৱে ৰেহাই পালে। ৰেহাই নাপালে কেৱল সেইখিনি কৰ্মীয়ে। নাৰ্ছসকলে দিনৰ দিনটো ভেকচিনৰ বাকচটো লৈ ঘূৰি ফুৰে। দেওবাৰটোও বাদ নপৰে। ৰেহাই নাপালে বিশ্বকৰ্মা পূজাৰ দিনাখন, বড়দিনৰ দিনটোত। চুটী বিচাৰিলেও চুটী নাপায় - ভেকচিন দিবই লাগিব। নিদিওঁ বুলি ক'বলৈ সাহস নহয়- চাকৰিটো বচাই ৰাখিব লাগিব। চৰকাৰ আছে, ৰাইজ আছে, আইন আছে। গতিকে সকলো বাদ দি কাম কৰিব লাগে, নালাগে চুটী।

এবেলা, আধা-বেলা, এদিন এৰি এদিন কৈ স্কুল, কলেজ, কাৰ্য্যালয়বোৰ খোল খালে ।যোৰ নম্বৰৰ গাড়ী এদিন, বিযোৰ নম্বৰৰ গাড়ী দ্বিতীয় দিন চলাৰ নিয়মো চৰকাৰে বান্ধি দিলে।

**কি আছিল কৰ'ণা?**

বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি কৰ'ণা ভাইৰাছ (CoV) এবিধ বৃহৎ ভাইৰাছ পৰিয়ালৰ সদস্য। ইহঁতে মানুহৰ দেহত সোমাই নাকেৰে পানী বোৱা, ডিঙি বিষোৱা, কাঁহ, জ্বৰ আৰু উশাহত কষ্টকৰ পৰিবেশৰ সৃষ্টি কৰে। পূৰ্বতে ইহঁতে মিডল ইষ্টত ২০১২ চনত MERS CoV আৰু চীনত ২০০৩ চনত SERS CoV ৰ দ্বাৰা মৃত্যুৰ তাণ্ডৱ ৰচি থৈছে।

MERS CoV-হৈছে Meddle East Respiratory Syndrome আৰু SERS CoV - হৈছে Severe Acute Respiratory Syndrome. কিন্তু COVID - 19 বা Corona viruses হৈছে এবিধ মানুহৰ শৰীৰত শেহতীয়াকৈ ধৰা পৰা নতুন ভাইৰাছ। ২০১৯ চনত মানুহৰ দেহত চীনৰ য়ুহান প্ৰদেশত ই প্ৰথম বাৰলৈ সংক্ৰমণ কৰে। ই এবিধ zoonotic viruses, অৰ্থাৎ মানুহ আৰু পশুৰ শৰীৰত সংক্ৰমিত বিষাণু।

SERS CoV- এছীয়-আফ্ৰিকীয় civet মেকুৰীৰ পৰা মানুহৰ দেহত প্ৰৱেশ কৰিছিল আৰু MERS CoV- আৰবীয় উটৰ পৰা মানুহলৈ সংক্ৰমিত হৈছিল। এতিয়াও জন্তুৰ দেহত কিছুমান কৰ'ণা ভাইৰাছ আছে, কিন্তু এই পৰ্যন্ত সিহঁতে মানুহৰ দেহত সংক্ৰমণ ঘটোৱাটো পৰিলক্ষিত হোৱা নাই। বৈজ্ঞানিকসকলে এতিয়াও COVID - 19 কেনেকৈ, ক'ৰ পৰা মানুহৰ দেহত প্ৰৱেশ কৰিলে, তাৰ সঠিক তথ্য পোৱা নাই।

**ৰোগৰ লক্ষণঃ**

এই ভাইৰাছ মানুহৰ দেহত প্ৰৱেশ কৰাৰ ২ দিনৰ পৰা ১৪ দিনৰ ভিতৰত তাৰ লক্ষণ তলত দিয়া ধৰণে প্ৰকাশ কৰেঃ

- জ্বৰ
- কাঁহ (শুকান)
- উশাহত কষ্ট /চুটি চুটি উশাহ
- হাঁচি/নাকেৰে পানী বোৱা।

পিছৰ পৰ্য্যায়ত আক্ৰান্ত ব্যক্তিৰ দেহত আন কিছুমান লক্ষণে দেখা দিয়েঃ

- বুকুত বিষ
- থিয় হৈ থাকিব নোৱাৰা/পৰি যোৱা
- বৃক্কৰ ক্ৰিয়া বন্ধ (কিডনী ফেইলাৰ)
- ওঁঠ নীলা হৈ পৰা
- নিউমনিয়া

কৰ'ণা ভাইৰাছ দেহত প্ৰৱেশ কৰাৰ পথ তিনিটা- মুখ, নাক আৰু চকু। ই বতাহ বা পানীৰে নিবিয়পে। মানুহৰ পৰা মানুহলৈ ড্ৰপলেটৰ মাধ্যমত বিয়পে। সংক্ৰমিত ব্যক্তিৰ কাঁহ-হাঁচিত ভাইৰাছ ওলাই ক'ৰবাত পৰিলে তাৰ পৰা হাতৰ মাধ্যমত চকু, মুখ, আৰু নাকেৰে আনজন মানুহৰ শৰীৰত প্ৰৱেশ কৰে। উল্লেখযোগ্য যে মানুহৰ দেহৰ পৰা ওলোৱা ভাইৰাছ বাহিৰত মাত্ৰ ৬/৭ ঘণ্টা মানহে জীৱিত অৱস্থাত থাকে। ২৪ ডিগ্ৰী চেলচিয়াচতকৈ বেছি উষ্ণতাত ইয়াৰ মৃত্যু ঘটে। এজন সংক্ৰমিত ব্যক্তিৰ পৰা এক মিটাৰতকৈ বেছি দূৰত্বৰ ব্যক্তি এজনৰ গালৈ বিয়পিব নোৱাৰে। আৰু এটা মন কৰিবলগীয়া কথা যে সাধাৰণ ফ্লু ভাইৰাছৰ লক্ষণবোৰ আৰু COVID - 19 ৰ লক্ষণৰ মাজত কোনো পাৰ্থক্য নাই। সুখৰ কথা- এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত ৮০ শতাংশ মানুহৰ ক্ষেত্ৰত ই সামান্য। ১৮ শতাংশৰ ক্ষেত্ৰত চিকিৎসাৰ দৰকাৰ হয়। বাকী ২ শতাংশক আই চি ইউৰ দৰকাৰ হয়। মৃত্যুৰ হাৰো ২ শতাংশ। বয়সস্থ, ডায়েবেটিজ, ইমিউনিটি (ৰোগ প্ৰতিৰোধ ক্ষমতা) কম থকা মানুহহে সোনকালে মৃত্যু মুখত পৰে।


প্ৰথমে শৰীৰত প্ৰৱেশ কৰি ভাইৰাছ বিধে ডিঙিত চাৰিদিনমান বৈ বংশ বৃদ্ধিৰ কাম কৰি লয়। তাৰ পিছত শ্বাসনলীৰে হাওঁফাওঁত প্ৰৱেশ কৰে। হাওঁফাওঁৰ এলভিওলি বিলাকৰ ওপৰত ডাঠ আঠা জাতীয় পদাৰ্থৰ আৱৰণ এখনৰ সৃষ্টি কৰে। ফলত আক্ৰান্তজনৰ হাওঁফাওঁৰ প্ৰসাৰণ নহয় আৰু শ্বাস-প্ৰশ্বাস লোৱাত অসুবিধা হৈ পৰে। তেতিয়া আই চি ইউত ৰাখি লাইফ চাপৰ্ট দিয়া হয়। নিউমনিয়াৰ দ্বাৰা আক্ৰান্ত হৈ পৰিলে, নিউমনিয়াৰ চিকিৎসা দিয়া হয়।


**কৰ'ণা নামৰ অৰ্থঃ**

সূৰ্য্য গ্ৰহণত, সূৰ্য্যৰ চাৰিওফালে এটা কৰ'ণাৰ সৃষ্টি হোৱা সকলোৱে দেখিছে। এই ভাইৰাছবিধৰো চাৰিওফালে তেনেকুৱা ধৰণৰ এখন আৱৰণ আছে। ভাইৰাছ বিধক 'নভেল কৰ'ণা ভাইৰাছ' নাম দিয়া হৈছিল। 'নভেল' শব্দটো ফৰাচী Novela-ৰ পৰা উদ্ভৱ হৈছে। যাৰ অৰ্থ হৈছে- 'নতুন'।

**পৰিণতিঃ**

পিপিই কিট, মাস্ক, চেনিটাইজাৰ, গ্লোভচ আৰু হাতত টেষ্ট কিট লৈ ডাক্তৰ, নাৰ্ছ, চিকিৎসা-কৰ্মী আৰু পুলিচৰ মানুহখিনি নামি পৰিল অচিনাকি আৰু অদৃশ্য শত্ৰুৰ সৈতে মুখামুখি যুদ্ধত। তাৰ সমান্তৰাল ভাৱে কেমেৰা আৰু মাইক লৈ আগুৱাই গ'ল সাংবাদিকসকল। দেশৰ সকলো শ্ৰেণীৰ মানুহ ঘৰৰ ভিতৰত সোমাই থাকিল। ঘৰৰ ভিতৰত সুৰক্ষাৰ আবেষ্টনীত কাৰোবাক খাদ্য যোগান ধৰা হ'ল, কাৰোবাক চিকিৎসা। কিন্তু চিকিৎসা সেৱাৰ লগত জড়িত সেইসকল মানুহে নিজৰ জীৱন, পৰিয়ালৰ লোকৰ জীৱন, সৰু সৰু সন্তানৰ জীৱনক তুচ্ছ জ্ঞান কৰি ভাইৰাছৰ মাজত ঘূৰি ফুৰিবলৈ ওলাই আহিল। বহু সময়ত টেষ্ট কৰিবলৈ যোৱা নাৰ্ছ আৰু অন্যান্য স্বাস্থ্য কৰ্মীৰ ওপৰত শাৰীৰিক প্ৰহাৰো পৰিল। কোৰেণ্টাইন চেণ্টাৰত ক'ভিড আক্ৰান্ত লোকে নাৰ্ছ, ডাক্তৰক অশালীন ব্যৱহাৰ কৰিলে। গালি পাৰিলে, গাত থুৱালে। চাফাই কৰ্মীয়ে বাৰে বাৰে চাফা কৰি থাকিল। চৰকাৰে কোৰেণ্টাইন চেণ্টাৰত সকলোকে ৰাজ-অতিথি সজাই মাছ-মঙহ, গাখীৰ-পনিৰ, ফল-মূল খুৱাই ফুলৰ তোড়াৰে বিদায় দি ধন্য হ'ল। ডাক্তৰ-নাৰ্ছে কৰ'বাত এখন গামোচা পালে, ক'ৰবাত দুটামান হাত চাপৰি। তাতেই তেওঁলোক ধন্য হ'ল। তেওঁলোকে একো নিবিচাৰে, কাৰণ - তেওঁলোক সেৱাৰহে মানুহ। তেওঁলোক কৰ্তব্য আৰু দায়িত্বৰ অদৃশ্য শৃংখলৰ দ্বাৰা শৃংখলিত। তেওঁলোকে খং কৰিব নোৱাৰে, গালি পাৰিব নোৱাৰে বা ওলোটাই মাৰিব নোৱাৰে। ডাক্তৰসকলে চৈধ্যটা দিন কভিড হস্পিটেল আৰু কভিড চেণ্টাৰত বেমাৰীৰ বিভিন্ন ধৰণৰ শুশ্ৰূষা কৰিলে। সেই দৰে নাৰ্ছসকলো সমানে তাৰ সহযোগী হ'ল। তাৰ মাজতে কিছুসংখ্যক ডাক্তৰ, কিছুসংখ্যক নাৰ্ছে কভিডৰ হাতোৰাত জীৱন ত্যাগ কৰিলে। এয়া সেৱাৰ বিপৰীতে পীড়া। এটা পৰিয়ালত চাৰিজন সদস্য। মাক-দেউতাক চিকিৎসা সেৱাৰ লগত জড়িত। এজনে চৈধ্য দিন ডিউটি কৰে, আনজন হয়তো কোৰেণ্টাইন বা ঘৰত থাকে। এয়া ক্ৰন্দসী সেৱা। টিভি, ইণ্টাৰনেট, মোবাইলত দৃশ্য আৰু খবৰবোৰ চাই আটাইৰে মনত অনবৰত শংকা জাগে - ডাক্তৰ-নাৰ্ছ, ৱাৰ্ড এটেণ্ডেণ্ট, চাফাই কৰ্মচাৰী সকলোৱে কেনেকৈ ঘৰলৈ আহোঁতে লগত ভাইৰাছ লৈ আহে? এয়া এক পীড়া। তাৰ পিছত এদিন মোৰো আশংকা সত্যত পৰিণত হয়। একেলগে ঘৰৰ চাৰিওজন ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হ'লোঁ। এতিয়া আমি কোৰেণ্টাইন চেণ্টাৰলৈ যাম নে ঘৰত থাকিম? কোৰেণ্টাইনত পৰিয়ালৰ চাৰিওজন সদস্য যে একেলগে থাকিব পাৰিম তাৰ কোনো সম্ভাৱনা নাই। আৰু ঘৰতেই বা থাকোঁ কি সাহসত? কাৰ ভৰসাত? এয়া অন্য এক ভয়ানক পীড়া। লকডাউন, RAT, RTPCR, অ'জিন, চিকিৎসা, নতুন SOP, ৰাজনৈতিক দলৰ বোকা চটিওৱা খেলৰ মাজেৰে সময়বোৰ আৰু বেছি পীড়াদায়ক হৈ গৈ থাকিল। কোনোবাই ক'লে, "ক'ভিড বুলি একো নাই! এয়া চৰকাৰী আভুৱা।" কোনোবাই ক'লে, Azithromycin, Vitamin-C, Becosules খাই থাকিলে কভিড হ'ব নোৱাৰে। তাৰ মাজতে আকৌ Hydroxy Chloroquine খাই ডাক্তৰেই মৰি থাকিল। মানুহৰ জীৱনটোও পৰুৱাৰ জীৱনৰ দৰে হঠাতে সলনি হৈ গৈছিল। শ্মশানতো ঠাইৰ নাটনি হৈছিল। এতিয়াও মাজে মাজে নতুন নতুন কৰ'ণা ভাইৰাছৰ উৎপত্তিৰ কথা ওলাই থাকে। হ'ব পাৰে তেনেকুৱা নতুন ভাইৰাছৰ পুনৰ সংক্ৰমণ। ২০০০ চনটো পৃথিৱীৰ মানুহৰ বাবে এক বিৰল অভিজ্ঞতা। মানুহে ভাবিব পৰা নাছিল, চিনাকি পৃথিৱীখন আকৌ ঘূৰাই পাব বুলি। কিন্তু পুনৰ আমি সাধাৰণ জীৱন যাপনত অভ্যস্ত হৈ পৰিলোঁ। সেই যন্ত্ৰণাৰ দিনবোৰ পাহৰিবলৈ চেষ্টা কৰিলোঁ। আশা ৰাখিছোঁ আৰু নাহক তেনে দিন।






# বন্য উল্লাসৰ কবলত আজিৰ প্ৰজন্ম

**নিবেদিতা হাজৰিকা**

বন্য উল্লাস (Wild revely) সাম্প্ৰতিক সময়ৰ এক চিন্তনীয় সামাজিক সমস্যা তথা বিষয় হৈ পৰিছে। ইয়াক সমাজত সাধাৰণতে এক নেতিবাচক দৃষ্টিৰে চোৱা হয়। কিয়নো, ইয়াৰ ফলত সামাজিক বিশৃংখলতা, হিংসা তথা অপৰাধ বৃদ্ধিৰ আশংকা খুবেই বেছি। বন্য উল্লাসে কোনো সীমা নামানে। পৰিস্থিতি উন্মত্ত হোৱাৰ ভয় পূৰামাত্ৰাই থাকে। বৰ্তমান সময়ত আধুনিকতাৰ নামত সকলোতে যেন অতিৰঞ্জিত বিজতৰীয়া মানসিকতাৰ ধুম উঠিছে। উঠি অহা নৱ প্ৰজন্মৰ মাজত এইৰোগ বেছিকৈ বিয়পি পৰা পৰিলক্ষিত হৈছে। আনন্দ-উল্লাসৰ বহিঃপ্ৰকাশ যি ধৰণে কৰাৰ ধুম উঠিছে দেখিলেই ভয় লগা হৈছে। বন্য উল্লাস কেতিয়াও স্বাভাৱিক আনন্দ-স্ফূৰ্তিৰ মাধ্যম নহয় বা হ'ব নোৱাৰে। ই এক প্ৰকাৰ উন্মাদনা, উন্মত্ততা। আনন্দ-স্ফূৰ্তি কৰাত বাধা নাই। কিন্তু সেই সীমা অতিক্ৰম কৰিলেই সৃষ্টি হয় বেমেজালিৰ। মনৰ আনন্দ প্ৰকাশৰ নামত বেপেৰুৱা আচৰণ, উচ্ছৃংখলতা, অমাৰ্জিত আচৰণৰ আশ্ৰয় লোৱাটো আজি যেন উঠি অহা প্ৰজন্মৰ বাবে সাধাৰণ কথা হৈ পৰিছে। কিন্তু এনেবোৰ অবিবেচক কাৰ্যই যে সামাজিক পৰিৱেশ বিনষ্ট কৰি তুলিছে সেই কথাৰ প্ৰতি খেয়াল বা লক্ষ্য ৰখাৰ মানসিকতা যেন বহুতৰে নাই। উতনুৱা স্বভাৱৰ বহু কিশোৰ-কিশোৰীৰ বন্য উল্লাসৰ নমুনা দেখিলে সচেতন লোকৰ চকু কপালত উঠাটো স্বাভাৱিক। নিয়ম শৃংখলা ভংগ কৰি নিজৰ শাৰীৰিক আৰু মানসিক সন্তুষ্টিৰ বাবে অসামাজিক কাম কৰাটো অনুচিত। কিয়নো এনে কাৰ্যই হিতৰ বিপৰীতে অহিত সাধে।

সকলো কথাৰে এটা সীমা থকা উচিত। বন্য উল্লাস, পৈশাচিক আনন্দ এইবোৰ শিক্ষিত সমাজত শোভা নাপায়। মনৰ আনন্দ সকলোৱে প্ৰকাশ কৰক, উদ্‌যাপন সকলোৱে কৰক। কিন্তু সীমা অতিক্ৰম কৰি নহয়। সামাজিক বৈষম্য, বঞ্চনা বা শোষণৰ ফলত কিছুলোকে প্ৰতিবাদ বা ক্ষোভ প্ৰকাশ কৰিবলৈ বন্য উল্লাসৰ পথ বাচি ল'ব পাৰে, মানসিক চাপ, হতাশগ্ৰস্ততা বা মানসিক বিকাৰৰ ফলতো কিছুমানে বন্য উল্লাসৰ আশ্ৰয় ল'ব পাৰে। মাদক দ্ৰব্যৰ সহজলভ্যতা তথা উপযুক্ত পৰিৱেশৰ অভাৱৰ বাবেও বৰ্তমান সময়ত বন্য উল্লাস, বন্য উন্মাদনাৰ দৰে আচৰণ বৃদ্ধি পাইছে বুলি বহুতে মত পোষণ কৰে। যিহেতুকে বন্য উল্লাস এক জটিল সামাজিক সমস্যালৈ ইতিমধ্যে গতি কৰিছে। সেই সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰাৰ আগতেই ইয়াক সমাজৰ পৰা নিৰ্মূল কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অন্যথা বন্য উল্লাসৰ কু-ফল আমি সকলোৱে ভোগ কৰিব লাগিব। আধুনিকতাৰ পৰশ সকলোতেই পৰক। ভাল চিন্তা, ভাল মানসিকতা তথা ভাল শিক্ষাৰে আধুনিক হওক সকলো। কিন্তু খন্তেকীয়া আনন্দত মতলীয়া হৈ সকলো সীমা চেৰাই গৈ যাতে পৰিৱেশ - পৰিস্থিতি বিষময় হ'বলৈ নাপায় সেই কথাৰ প্ৰতি অতন্ত্ৰ ধ্যান ৰখা উচিত। সুস্থ পৰিৱেশ এটা বৰ্তাই ৰাখিবলৈ হ'লে এই দিশ সমূহৰ ওপৰত দৃষ্টি ৰাখিবই লাগিব। সমূহীয়া স্বাৰ্থৰ খাতিৰত প্ৰয়োজনত কঠোৰ পদক্ষেপ ল'বলৈও সাজু থাকিব লাগিব। অন্যথা চকুৰ সন্মুখতে বন্য উল্লাসত মত্ত হৈ এচামে উন্মাদৰ দৰে আচৰণ কৰিব, নিয়ন্ত্ৰণ হেৰুৱাই অনৈতিক, অসামাজিক কাৰ্য কৰিব আৰু আমিবোৰে নীৰৱ দৰ্শক হৈ চাই থকাৰ বাহিৰে আন উপায় নাথাকিব। সেয়ে সময় থাকোঁতেই এই বিজতৰীয়া, বন্য উল্লাস নামৰ সমাজৰ অনিষ্টকাৰী ব্যাধিটো সমুলঞ্চে ধ্বংস কৰি পেলোৱা উচিত। বন্য উল্লাস বহুতেই ক্ষতিকাৰক। যি সামাজিক পৰিৱেশ বিনষ্ট কৰাতো সহায় কৰে। সামাজিক সুস্থতা বিঘ্নিত কৰে, সমাজত অপ্ৰীতিকৰ পৰিৱেশ, পৰিস্থিতিৰ সৃষ্টি কৰে। সেয়ে বন্য উল্লাস ৰোধ কৰাত আমি পাৰ্যমানে দৃঢ়তাৰে থাকিবলৈ যত্ন কৰা উচিত।

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণত

কৰি টাই-আহোম পিপলছ এছ'চিয়েচন (টাইপা)ৰ সভাপতি দিগন্ত তামুলীয়ে কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে আৰু বৰ্তমানৰ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ প্ৰতি পূৰ্ণ আস্থা প্ৰকাশ কৰে। সভাপতি তামুলীয়ে ভাষণত উল্লেখ কৰে যে বিগত তিনি দশকৰো অধিক কাল ধৰি টাই-আহোম জনগোষ্ঠীয়ে জনজাতিকৰণৰ দাবী উত্থাপন কৰি আহিছে, কিন্তু কোনো চৰকাৰে এই দাবী পূৰণৰ বাবে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা নাই। বিশেষকৈ কংগ্ৰেছ দলৰ শাসনকালত বিধানসভাত গ্ৰহণ কৰা এটা প্ৰস্তাৱে এই প্ৰক্ৰিয়াক জটিল কৰি তুলিছে বুলি তেওঁ অভিযোগ উত্থাপন কৰে।" কংগ্ৰেছে বিধানসভাত এনে এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল যে বৰ্তমানৰ স্বীকৃতিপ্ৰাপ্ত জনজাতিসমূহৰ আপত্তি অবিহনে টাই-আহোমকে ধৰি ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰা নহ'ব। এই প্ৰস্তাৱৰ ফলত জনজাতিকৰণৰ পথ সম্পূৰ্ণৰূপে ৰুদ্ধ হৈ পৰিছে। কংগ্ৰেছে ছয় জনগোষ্ঠীক প্ৰতাৰণা কৰিছে আৰু অসমীয়া জাতিৰ কফিনত শেষ গজাল মাৰি থৈ গৈছে, "বুলি তামুলীয়ে কয়। তেওঁ লগতে উল্লেখ কৰে যে বাংলাদেশৰ পৰা অবাধ প্ৰব্ৰজনে অসমীয়া খিলঞ্জীয়া ৰাইজক সংখ্যালঘুত পৰিণত কৰিছে আৰু অসমীয়া আইৰ অস্তিত্ব সংকটৰ সন্মুখীন হৈছে। "এই সংকটৰ পৰা মুক্তিৰ একমাত্ৰ সাংবিধানিক উপায় হৈছে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ। ইয়াৰ ফলত অসম জনজাতীয় ৰাজ্য হিচাপে পৰিগণিত হ'ব আৰু বিধানসভাৰ ৬০ শতাংশ আসন খিলঞ্জীয়াৰ বাবে সংৰক্ষিত হ'ব। অসমীয়া ৰাইজ ৰাজনৈতিকভাৱে সুৰক্ষিত হ'ব, "বুলি তেওঁ দাবী কৰে। টাইপা সভাপতিজনে স্পষ্ট কৰি দিয়ে যে এই সংগ্ৰাম কোনো চৰকাৰ বা বিদ্যমান জনজাতিৰ বিৰুদ্ধে নহয়। "এইখন চ্যুকাফাৰ দেশ, শংকৰ-মাধৱৰ দেশ। সকলো জাতি-জনগোষ্ঠী যাতে সুৰক্ষিত হয় আৰু বাংলাদেশী আগ্ৰাসনৰ পৰা অসমীয়া জাতি সুৰক্ষা লাভ কৰে— সেই উদ্দেশ্যৰেই আমি জনজাতিকৰণৰ দাবী কৰিছো। কেইটামান চাকৰিৰ বাবে নহয়, বিদ্যমান জনজাতিসমূহৰ ক্ষতি কৰিবলৈও নহয়," বুলি তেওঁ কয়। শেহতীয়াকৈ কিছুমান নেতাই ছয় জনগোষ্ঠীৰ জনজাতিকৰণত আপত্তি উত্থাপন কৰা বুলি অভিযোগ তুলি তামুলীয়ে কয়, "কংগ্ৰেছৰ এই প্ৰতাৰণাৰ ফলত ২০১৪ চনৰ পৰা প্ৰতিটো নিৰ্বাচনত ছয় জনগোষ্ঠীৰ ৰাইজে কংগ্ৰেছক প্ৰত্যাখ্যান কৰি আহিছে।" আশাৰ কথা হিচাপে তেওঁ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শেহতীয়া ঘোষণাৰ উল্লেখ কৰে। "মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে যে ২৫ নৱেম্বৰত অসম বিধানসভাত মন্ত্ৰী গোটৰ প্ৰতিবেদনৰ ওপৰত আলোচনা কৰা হ'ব। আমি আশাৰে বাট চাই আছো আৰু হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে এই ক্ষেত্ৰত ফলপ্ৰসূ বাৰ্তা আনিব বুলি আমি আত্মবিশ্বাসী," বুলি তামুলীয়ে কয়। জোঁৰ সমদল কাৰ্যসূচীত হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীৰ প্ৰতি সমৰ্থন জনায়। এই কাৰ্যসূচীয়ে অসমীয়া খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামক নতুন গতি প্ৰদান কৰিছে বুলি মন্তব্য কৰিছে সংগঠনটোৱে।

## নামৰূপ বি ভি এফ চি এলৰ

উৎপাতত নিশা জীয়ৰী-বোৱাৰীসকল বাহিৰলৈ ওলাব নোৱাৰা হৈছে বুলি অভিযোগ উত্থাপিত হৈছে। দীৰ্ঘদিন ধৰি বি ভি এফ চি এল CISF ইউনিটৰ একাংশ নিচাগ্ৰস্ত জোৱানে কেম্পৰ ওচৰৰ আৱাসিক এলেকা বাচা টাইপ চাৰিআলিৰ বহু আৱাসগৃহত সোমাই নিশা উদ্ভগুলি কৰা ঘটনা কিছুদিনৰ পৰা চৰ্চিত হৈ আহিছিল। শুক্ৰবাৰেও অনুৰূপ ঘটনা সংঘটিত কৰিলে CISFৰ চাহিল শৰ্মা নামৰ জোৱান এজনে। বাচা টাইপ এলেকাৰ মহিলাসকলৰ অভিযোগ কৰা অনুসৰি, উক্ত এলেকাত হাজৰিকা উপাধিৰ এঘৰত চলে দেহ ব্যৱসায়। মহিলাসকলে নামৰূপ থানত দিয়া অভিযোগ মৰ্মে এই ঘৰখনলৈ নিশা CISFৰ একাংশ জোৱানসহ বহু গ্ৰাহকৰ চলে অহা-যোৱা। শুক্ৰবাৰে নিশাও CISFৰ চাহিল শৰ্মা নামৰ জোৱানজন উক্ত ঘৰটোলৈ গৈছিল যদিও দুৱাৰ নোখোলাত নিচাগ্ৰস্থ জোৱানজন পাছফালেদি গৈ মুধচৰ টিনৰ ওপৰত উঠি গৃহস্থক মাতিবলৈ ধৰে। এনেতে ওচৰ-চুবুৰীয়া সকলো ওলাই আহি হুলস্থুল লগোৱাত জোৱানজনে মুধচৰ টিনৰ পৰা জঁপিয়াই এটা নলাত পৰি আঘাতপ্ৰাপ্ত হয়। লগে লগে স্থানীয় পুৰুষ-মহিলা সকলো ওলাই আহি জোৱানজনক ধৰি উত্তম মধ্যম শুধাই স্থানীয় নামৰূপ আৰক্ষীক গতাই দিয়ে। ইফালে ইউনিটৰ সকলোৱে কথাটো গম পাই জোৱানজনক উদ্ধাৰৰ বাবে যায় যদিও উগ্ৰমূৰ্তি ধৰা মহিলাসকলে CISFৰ দল টোক খেদি পঠায়। আনহাতে আজি পুৱাই প্ৰায় অৰ্ধশতাধিক মহিলা নামৰূপ আৰক্ষী থানাত উপস্থিত হৈ ঘটনাৰ সন্দৰ্ভত এক অভিযোগ দাখিল কৰাৰ লগতে ক্ৰমাৎ বিনষ্ট হ'বলৈ ধৰা পৰিৱেশটোৰ সন্দৰ্ভত বিহিত ব্যৱস্থা ল'বলৈ আৰক্ষী প্ৰশাসনক দাবী জনায়। মহিলাসকলে CISF ইউনিটৰ কাৰ্যালয়টো উপস্থিত হৈ CISF জোৱানজনোৰ উদ্ভগুলি সন্দৰ্ভত এক লিখিত অভিযোগো দাখিল কৰে। বি ভি এফ চি এল ৰ নিৰাপত্তা আৰু সুৰক্ষাৰ বাবে নিয়োজিত সুৰক্ষা কৰ্মীয়ে ৰক্ষকেই ভক্ষক হোৱা ঘটনা সংঘটিত কৰাৰ বাবে উদ্যোগটোৰ মুৰব্বী চি এম ডি কো এক স্মাৰক পত্ৰ প্ৰদান কৰে স্থানীয় মহিলাসকলে।

## শ্ৰীকাকুলামৰ নতুন মন্দিৰত

কমেও ১০জন ভক্তৰ মৃত্যু হোৱাৰ লগতে ১৩জন লোক আহত হৈছে। হিন্দু ধৰ্মাৱলম্বীসকলৰ বাবে অতি শুভ বুলি গণ্য একাদশীৰ দিনা মন্দিৰত ভক্তৰ প্ৰচণ্ড ভিৰৰ মাজতে এই শোকাৱহ ঘটনা সংঘটিত হয় বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। কাছিবুগা চহৰৰ এই মন্দিৰত পুৱা প্ৰায় ১১.৩০ বজাত এই দুৰ্ঘটনা ঘটে। ভাৰপ্ৰাপ্ত ডি এছ পি লক্ষ্মণ ৰাৱে সদৰি কৰে যে উদ্ধাৰ অভিযান এতিয়াও অব্যাহত আছে আৰু মৃত্যুৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। আহতসকলক তৎক্ষণাৎ ওচৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে আৰু তেওঁলোকৰ চিকিৎসা চলি আছে। মন্দিৰ চৌহদৰ পৰা প্ৰাপ্ত দৃশ্যাৱলীত দেখা গৈছে যে দুৰ্ঘটনাৰ পিছত বহু ভক্ত মাটিত নিশ্চল হৈ পৰি আছে। এই ঘটনাৰ মূল কাৰণ হিচাপে চিহ্নিত হৈছে মন্দিৰৰ প্ৰৱেশ আৰু প্ৰস্থানৰ পথ একে হোৱা আৰু ভক্তৰ অত্যধিক ভিৰ। উল্লেখযোগ্য যে এই শ্ৰী ভেংকটেশ্বৰ স্বামী মন্দিৰ মাত্ৰ চাৰি মাহৰ আগতে উদ্বোধন কৰা হৈছিল। ঘটনাৰ সময়ত মন্দিৰৰ চাৰিওফালে নিৰ্মাণ কাম চলি আছিল আৰু চৰকাৰী অনুমোদন অবিহনে এই ধৰ্মীয় সমাৰেশ অনুষ্ঠিত হৈছিল। ভক্তসকলে গোট খোৱাৰ ঠাইত তীখাৰ ৰেলিং ভাঙি পৰাৰ ফলত পৰিস্থিতি অধিক ভয়াৱহ ৰূপ ধাৰণ কৰে। ৰাজ্য চৰকাৰৰ ফালৰ পৰা তৎপৰতাৰে পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলোৱা হৈছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ এক বিবৃতিত কোৱা হৈছে যে আৰক্ষীৰ দল আৰু জৰুৰীকালীন সেৱাৰ লোকসকল ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্য চলাই আছে। ঘটনাৰ কিছু সময়ৰ পিছতে ৰাজ্যৰ কৃষি মন্ত্ৰী কে আচ্চান্নাইডু মন্দিৰত উপস্থিত হয় আৰু মন্দিৰ কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি পৰিস্থিতিৰ খবৰ লয়। ভিৰ পৰিচালনা আৰু সাহায্য প্ৰদানৰ কামত সহায় কৰিবলৈ অতিৰিক্ত আৰক্ষী বাহিনী মোতায়েন কৰা হৈছে। এই ঘটনাই ধৰ্মীয় সমাৰেশত নিৰাপত্তা আৰু ভিৰ পৰিচালনাৰ গুৰুত্ব পুনৰ্বাৰ উজ্জ্বল কৰি তুলিছে। মৃতকৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰা হৈছে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰা হৈছে। ঘটনাৰ তদন্ত অব্যাহত আছে আৰু দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীয়ে জনাইছে।

## অসম আৰক্ষীৰ ১৩ গৰাকী

আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং আৰু আৰক্ষী মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্ত অন্যতম। অনুসন্ধান শাখাৰ পৰা উপ-আৰক্ষী অধীক্ষক ফুলকৰ নাৰ্জাৰী আৰু মাধুৰীমা দাসে এই পদক লাভ কৰিছে। ইয়াৰ উপৰি তদানীন্তন মহকুমা আৰক্ষী বিষয়া প্ৰকাশ সোণোৱাল আৰু উপ-পৰিদৰ্শক উমেশ বৰাই এই সন্মানত ভাগিদাৰী হৈছে। এওঁলোকৰ নেতৃত্বত চলোৱা অনুসন্ধানসমূহে ৰাজ্যৰ সুৰক্ষা ব্যৱস্থাক যথেষ্ট শক্তিশালী কৰি তুলিছে। বিশেষ অভিযান শাখাৰ পৰা তদানীন্তন অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰণৱ কুমাৰ পেগু, আৰক্ষী অধীক্ষক অনুৰাগ শৰ্মা আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক সত্যেন্দ্ৰ সিং হাজাৰীয়ে পদক লাভ কৰিছে। ইয়াৰ লগতে পৰিদৰ্শক সবোজ দলে, শংকৰজ্যোতি নাথ, কপিল পাঠক আৰু বিক্ৰম বসুমতাৰীয়েও এই সফলতাৰ অংশীদাৰ হৈছে। এই বিষয়াসকলে জেহাদি গোষ্ঠীৰ বিৰুদ্ধে চলোৱা অভিযানত অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰি ৰাজ্যৰ শান্তি ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ইপিনে, চুবুৰীয়া ৰাজ্য মণিপুৰৰ আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত সমন্বয় স্থাপনৰ বাবে মণিপুৰ আৰক্ষীৰ সঞ্চালক প্ৰধানে অসম আৰক্ষীৰ কেইগৰাকীমান বিষয়াক প্ৰশংসা চিহ্ন প্ৰদান কৰিছে। এই সন্মান লাভ কৰাসকলৰ ভিতৰত আছে আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং, অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ তথা বিশেষ আৰক্ষী উপ-মহাপৰিদৰ্শক চৰণদ্বীপ সিং, একাদশ আৰক্ষী বেটেলিয়নৰ অধিনায়ক টাবুৰাম পেগু, লাচিত বৰফুকন পুলিচ একাডেমীৰ অধিনায়ক আব্দুল কাদীৰ আদিফ, ছামাদ হুছেইন, গৌৰৱ কুমাৰ আগৰৱাল, পাপৰি চেতিয়া আৰু কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্ত। এওঁলোকে দুয়োখন ৰাজ্যৰ মাজত সহযোগিতাৰ মাধ্যমেৰে সীমান্তৱৰ্তী অঞ্চলসমূহত শান্তি বজাই ৰখাত অৱদান আগবঢ়াইছে। এই পদক আৰু প্ৰশংসা চিহ্নসমূহে অসম আৰক্ষীৰ দক্ষতা আৰু নিষ্ঠাৰ প্ৰতি ৰাষ্ট্ৰীয় স্তৰত স্বীকৃতি প্ৰদান কৰিছে, যি ৰাজ্যৰ সুৰক্ষা বাহিনীৰ বাবে এক গৌৰৱৰ বিষয়।

## বিশিষ্ট সাহিত্যিক ড° নগেন

আজি(১-১১-২৫) অসম সাহিত্য সভাই সৰ্বোচ্চ সন্মান "সদসি ৱৰণ্য" প্ৰদান কৰে। ডিব্ৰুগড়ৰ চৌকিডিঙিস্থিত ৰামেশ্বৰ লাল চহৰীয়া সংহতি ভৱনত আয়োজিত সন্মান প্ৰদান অনুষ্ঠানত অসমীয়া সাহিত্যৰ মহীৰুহ ড° নগেন শইকীয়াক অসম সাহিত্য সভাৰ প্ৰবুদ্ধ 'সদসি বৰেণ্যঃ সন্মানৰে সন্মনিত কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। অসম সাহিত্য সভা, ডিব্ৰুগড আঞ্চলিক কাৰ্য্যালয়, ডিব্ৰুগড় জিলা সাহিত্য সভা আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত হোৱা এই বঁটা সন্মান প্ৰদান অনুষ্ঠানত সভাপতিত্ব কৰে অসম সাহিত্য সভা সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই আঁত ধৰা অনুষ্ঠানটোত বৰেণ্য সাহিত্যিক গৰাকীক খোল- গায়ন- বায়নেৰে আদৰি আনি আসনত উপৱিষ্টৰ পাছত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীত পৰিৱেশন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সদস্যা সকলে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা, লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কমল বৰা, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱা, সতী সাধিনী বিশ্ববিদ্যালয়ৰ উপাচৰ্য ড° জি সিংহানিয়া, ৰমেশ্বৰলাল চহৰীয়া ভৱনৰ দাতা পৰিয়ালৰ মহেশ্বৰ চহৰীয়া, উপ সভাপতি পদুম ৰাজখোৱা, সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকা, ড° ভীমকান্ত বৰুৱা, প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, বিশিষ্ট অনুবাদক দেৱী প্ৰসাদ বাগৰদিয়াকে প্ৰমুখ্য কৰি উজনি অসমৰ আটাইকেইখন জিলাৰ বিশিষ্ট সাহিত্যিক, ব্যক্তিসকল উপস্থিত থাকে। অসম সাহিত্য সভাৰ উদ্যোগত ডিব্ৰুগড় আঞ্চলিক কাৰ্য্যলয়, ডিব্ৰুগড় জিলা সাহিত্য সভা, আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত হোৱা অনুষ্ঠানটিত সন্মানপ্ৰাপক ড° নগেন শইকীয়াই অসম সাহিত্য সভাৰ কৰ্ম আৰু দায়িত্ব ওপৰত নিজৰ বক্তব্য প্ৰদান কৰা লগতে বৰ্তমান সময়ত অসম সাহিত্য সভাই অসমৰ অভিভাৱকত্বৰ দায়িত্ব পালন কৰা সময় বুলিও নিজৰ ভাষণত উল্লেখ কৰে। তেওঁ অতি আৱেগিক হৈ আৰু কয় যে সাম্প্ৰতিক সময়ত জাতীয় জীৱনৰ যি সঙ্কটৰ মাজত আমি আছো, এই শতিকাত যিখন অসম দেখিব লাগিছিল, সেই অসমখনৰ এই ছবি খনত আজি কৰবাত যেন জটিলতা আহি পৰিছে। সাহিত্য সভাই সাহিত্য কৰে, জাতি ধৰ্ম ভাষা বৰ্ণ সকলোকে আঁকোৱালি লব লাগিব সাহিত্য সভাই। আমাৰ জাতীয় জীৱনলৈ যিবোৰ সংকট আহিছে সেইবোৰত সাহিত্য সভাই মাত মাতিব লাগিব। সাহিত্যিক গৰাকীয়ে আজি যথেষ্ট আনন্দিত বুলি কোৱা লগতে আৱেগিক হৈ পৰে। অসম সাহিত্য সভাৰ সন্মান গ্ৰহণ কৰি অনুষ্ঠানত মন্তব্য আগবঢ়াই সামগ্ৰিক অসমীয়া সমাজৰ ভাঙোনমুখী পৰিৱেশ পৰিস্থিতিৰ কথা কৈ চকুলো ওলাই আহিল বৰেণ্য সাহিক্যক গৰাকীৰ। অসমৰ সমাজ জীৱনৰ বাবে কাম কৰা প্ৰবল ইচ্ছা থকা পাছতো শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ থমকি ৰ'ব লগীয়া হোৱা কথা কৈ দাঙি ধৰা মন্তব্য মাজতে চকুলো টুকে সাহিত্যিক ড° নগেন শইকীয়াই। কোনো দিনে চকুপানীক প্ৰশয় নিদিয়া সাহিত্যিক জনক আজি হঠাৎ এনেকৈ দেখি সভাগৃহত সকলো আৱেগিক হৈ পৰে। অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী সম্পাদক দেৱজিৎ বৰা সহ কেন্দ্ৰীয় সমিতিৰ সদস্য সকলৰ উপস্থিত অনুষ্ঠিত সম্বোধিত মাংগলিক অনুষ্ঠানত মাজেৰে এই সন্মান আগবঢ়ায় সাহিত্যিক নগেন শইকীয়ালৈ। ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ লগতে ডিব্ৰুগড় শাখা সাহিত্য সভাই গুৰি ধৰোঁতা এই অনুষ্ঠানত শতাধিক ব্যক্তি উপস্থিত থাকি সাহিত্যিক নগেন শইকীয়াক সন্মান জনায়।

## অশোক দা, জুবিন ক্ষেত্ৰৰ

নহ'লে দখল কৰি লোৱা হ'ব। শনিবাৰে জুবিন ক্ষেত্ৰত উপস্থিত হৈ অখিল গগৈয়ে নিজে নিজে সমাধি ক্ষেত্ৰৰ মাটি এৰি দিবলৈ অশোক সিংহললৈ আহ্বান জনালে। আহ্বান জনালে এইদৰে—"যদি জুবিন ক্ষেত্ৰৰ সৈতে আপোনাৰ মাটি আছে তেন্তে আপুনি এৰি দিয়ক অশোকদা... নহ'লে তোমাৰ মাটিখিনি আমি দখল কৰি ল'ম। আমি অসমীয়া মানুহে অশোক সিংহলক আমাৰ জুবিনদাৰ সমাধি ক্ষেত্ৰ মাটি ল'বলৈ নিদিও। এয়া ট্ৰাইবেল বেল্ট এগু ব্লকৰ মাটি। ইয়াত জনজাতিসকলৰ সমাধিক্ষেত্ৰ আছিল। তেওঁলোকৰ সমাধিক্ষেত্ৰ কাৰণে অলপ মাটি এৰি দিব লাগিব আৰু বাকী মাটি আমি জুবিনদাৰ সমাধি ক্ষেত্ৰৰ বাবে উলিয়াব লাগিব।" লগতে অখিল গগৈয়ে মন্ত্ৰী সিংহলক বহিৰাগত আখ্যা দি ক'লে যে সিংহলৰ উদ্দেশ্যই হ'ল মাটি দখল কৰি বিল্ডিং বনোৱা। "অশোক সিংহলৰ বাহিৰৰ পৰা আহিছে। গোটেই মাটি দখল কৰিছে। তেওঁৰ উদ্দেশ্য হৈছে অসমৰ মাটি লৈ বিল্ডিং বনোৱা। দুই নম্বৰী বিল্ডাৰ তেওঁ।" — অখিল গগৈৰ মন্তব্য। য'তে ত'তে ভূমি হস্তগত কৰা অশোক সিংহলক মন্ত্ৰী পাতি উদক ভেটাৰখীয়া পতা বুলি মন্তব্য অখিল গগৈৰ—"উদক ভেটাৰখীয়া ৰাখি হিমন্ত বিশ্ব শৰ্মাই তেওঁক মন্ত্ৰী পাতি দি লুণ্ঠন চলাই যাবলৈ সুবিধা কৰি দিছে। কিন্তু এইবাৰ যদি জুবিনদাৰ বাউণ্ডেৰীৰ মাতি যদি কোনোবাই লয়। ইয়াত থকা ৰাইজৰ মাটি, ট্ৰাইবেল বেল্টৰ মাটি যদি কোনোবাই ল'বলৈ আহে আমি ৰাম খেদন দিম।"

## গ্ৰেপ্তাৰ বীৰ লাচিত সেনাৰ

আৰক্ষীৰ জালত পৰিল বীৰ লাচিত সেনাৰ কামৰূপ মহানগৰ জিলাৰ সচিব বিকাশ অসম। কিছুদিন ধৰি পলাতক অৱস্থাত থকা এইগৰাকী নেতাক বৰ্তমান দিছপুৰ থানাত ৰখা হৈছে। ছবিখন মুক্তিৰ পৰদিনাই বিকাশ অসমে পৰিচয় গোপন কৰি মুখত ক'লা কাপোৰ বান্ধি ছবিগৃহত প্ৰৱেশ কৰি 'ৰৈ ৰৈ বিনালে' উপভোগ কৰে। ছবি চোৱাৰ পাছতে তেওঁ নিজৰ ফেচবুক একাউণ্টত ছবিখনৰ প্ৰশংসা কৰি এটা পোষ্ট দিয়ে। সেই পোষ্টতে তেওঁৰ অৱস্থানৰ সূত্ৰ লাভ কৰি দিছপুৰ আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে। বীৰ লাচিত সেনাৰ কামৰূপ মহানগৰ জিলাৰ সচিব হিচাপে পৰিচিত বিকাশ অসম কেইবামাহ ধৰি বিভিন্ন গোচৰত জড়িত হৈ পলাতক আছিল। আৰক্ষীৰ তথ্য অনুসৰি, তেওঁৰ বিৰুদ্ধে উগ্ৰপন্থী কাৰ্যকলাপৰ লগতে ৰাজহুৱা শান্তি ভংগ কৰাৰ অভিযোগ উত্থাপিত হৈ আছে। ছবিখন উপভোগ কৰি ফেচবুকত পোষ্ট দিয়াৰ ফলত তেওঁৰ অৱস্থান চিনাক্ত হোৱাত আৰক্ষীৰ অভিযান সফল হয়। গ্ৰেপ্তাৰৰ পাছতে তেওঁক দিছপুৰ থানালৈ অনা হৈছে আৰু আইনী প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই ঘটনাই ছ'চিয়েল মিডিয়াৰ দ্বাৰা অপৰাধীৰ অৱস্থান চিনাক্তকৰণৰ ক্ষেত্ৰত আৰক্ষীৰ দক্ষতা পুনৰ প্ৰমাণ কৰিছে। 'ৰৈ ৰৈ বিনালে'ৰ জৰিয়তে পৰোক্ষভাৱে গ্ৰেপ্তাৰ হোৱাৰ এই ঘটনাই ৰাজ্যজুৰি চৰ্চাৰ বিষয় হৈ পৰিছে।

## ১০ ডিচেম্বৰ জুবিনৰ

দাখিল কৰিব আৰু এই প্ৰক্ৰিয়াৰ জৰিয়তে জুবিনক ন্যায় দিয়াৰ প্ৰকৃত পদক্ষেপ আৰম্ভ হ'ব। মৰিগাঁৱত 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান'ৰ অধীনত হিতাধিকাৰীসকলক প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে SITৰ হাতত বহু বিস্ফোৰক তথ্য সংগ্ৰহ হৈছে আৰু চাৰ্জশ্বীট দাখিলৰ পিছত ৰাইজে জুবিনৰ জীৱনৰ সৈতে জড়িত বহু দুখ আৰু বেদনাদায়ক কাহিনী জানিব পাৰিব। জুবিন গাৰ্গৰ অন্তিম চলচ্চিত্ৰ 'ৰৈ ৰৈ বিনালে'ৰ প্ৰদৰ্শনীক লৈয়ো মুখ্যমন্ত্ৰীয়ে তীব্ৰ অসন্তোষ প্ৰকাশ কৰে। তেওঁ স্পষ্টভাৱে কয় যে জুবিন ৰাইজৰ সম্পত্তি আৰু সাধাৰণ দৰ্শকে প্ৰথমে চিনেমা চোৱাৰ সুযোগ পাব লাগে। কিন্তু কিছুমানে পলিপ্ৰহৰী লৈ গৈ ছীট দখল কৰি লৈছে আৰু কোনো কোনো ব্যক্তিয়ে ২০০ৰ পৰা ৩০০ টিকট ক্ৰয় কৰি ৰাইজক কষ্ট দিছে। যিসকলে নিজকে ৰজা বুলি ভাবে তেওঁলোকে আগতেই গৈ চাইছে আৰু যিসকলক ভোটৰ প্ৰয়োজন তেওঁলোকে কালি চিনেমা চাবলৈ গৈছে বুলি তেওঁ মন্তব্য কৰে। ৰাইজক কষ্ট দি চিনেমা চোৱাৰ পৰা কোনো পলিটিকেল মাইলেজ ল'বলগীয়া নাই বুলিও তেওঁ সদৰি কৰে আৰু ৰজাই শেষ লাইনত থিয় হ'বলৈ শিকিব লাগে বুলি পৰামৰ্শ দিয়ে। জুবিনৰ অনুৰাগীসকলক লৈয়ো মুখ্যমন্ত্ৰীয়ে স্পষ্ট বিভাজন কৰি কয় যে অসমীয়া মানুহ আৰু বিজেপিৰ সদস্যসকলহে জুবিনৰ প্ৰকৃত অনুৰাগী আৰু মিঞা মুছলমানসকল মিছা অনুৰাগী। উচ্ছেদ অভিযানৰ প্ৰসংগত তেওঁ কয় যে ৰাজ্যত উচ্ছেদ অভিযান অব্যাহত থাকিব আৰু জুবিনক ন্যায় দিয়াৰ লগতে মিঞা মুছলমানক কষ্টও দিয়া হ'ব। অৰ্জুনৰ দৰে দুয়োহাতেৰে শৰ মাৰিব পৰা সব্যসাচী হোৱাৰ কথা উল্লেখ কৰি তেওঁ নিজৰ লক্ষ্য স্থিৰ বুলি দাবী কৰে। পূজা-সভাত জুবিনৰ ফটো ৰখা হয় কিন্তু মিঞাৰ ধৰ্মসভাত জুবিনৰ ফটো দেখা নাই বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰে। জুবিনৰ সমাধিস্থলত একাংশৰ আচৰণক লৈয়ো মুখ্যমন্ত্ৰীয়ে ক্ষোভ প্ৰকাশ কৰে। জুবিনৰ গান শুনি নোপোৱা আৰু ফাংচন চাই নোপোৱা লোকক কংগ্ৰেছ আৰু অখিল গগৈয়ে সমাধিলৈ লৈ আহি প্ৰকৃত অনুৰাগীক কষ্ট দিয়ে বুলি তেওঁ অভিযোগ কৰে। মিঞা সমাজৰ এচামে অযথা গধূলি সমাধিলৈ আহি জুবিনক কষ্ট দিয়া কাম কৰি থাকে বুলিও তেওঁ কয়। এপ্ৰিলত নিৰ্বাচন হৈ যোৱাৰ পিছত ডুপ্লিকেট অনুৰাগীবিলাক নোহোৱা হৈ যাব আৰু প্ৰকৃত অনুৰাগীহে থাকি যাব বুলি তেওঁ আশ্বাস দিয়ে। মুখ্যমন্ত্ৰীৰ এই সৰ্বাঙ্গীণ মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক আৰু সাংস্কৃতিক মহলত নতুন চৰ্চাৰ সূত্ৰপাত কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ পৰা আৰম্ভ কৰি তেওঁৰ স্মৃতিৰ সৈতে জড়িত প্ৰতিটো বিষয় এতিয়া জনসাধাৰণৰ মাজত তীব্ৰ আলোচনাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

## আস্থা সৰু ছোৱালী, শিকিব,

দিয়াত সামাজিক মাধ্যমত তীব্ৰ ট্ৰলিং আৰু সমালোচনাৰ সন্মুখীন হৈছে। এই বিতৰ্কৰ মাজতে জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী পামী বৰঠাকুৰে সামাজিক মাধ্যমত আৱেগিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আস্থাক সমৰ্থন জনাইছে আৰু ৰাইজক ক্ষমা আৰু সহানুভূতিৰে বাট দেখুৱাবলৈ অনুৰোধ জনাইছে। গৰিমা শইকীয়া গাৰ্গে নিজৰ ফেচবুক পোষ্টত লিখিছে যে জুবিনে জন্মৰ পৰাই আস্থা, গীত (যতীন বৰাৰ ল'ৰা-জী), বিৰিণা (ৰাজেশ ভূঞাৰ জী), দিমী (দ্বীপকেশৰ ছোৱালী), চুণচুণ (ৰাজাৰ ল'ৰা), ৰাহুল আৰু ৰোহন (গৌতম শৰ্মাৰ ল'ৰা)ৰ দৰে বহুতো ল'ৰা-ছোৱালীক 'ডাঙৰ হৈ ইহঁত মোৰ বন্ধু হ'ব' বুলি কৈ মৰম কৰিছিল। মাত ফুটাৰ পৰাই তেওঁলোকক 'জুবিন' আৰু নিজক 'গৰিমা' বুলি মাতিবলৈ শিকাইছিল। এই সৰু-সৰু ল'ৰা-ছোৱালীয়ে এতিয়াও তেওঁলোকক তেনেকৈয়ে মাতে, মৰম কৰে, যত্ন লয় আৰু সপোনৰ কথা শ্বেয়াৰ কৰে। জুবিন আৰু গৰিমাৰ মাজত কাৰ ল'ৰা-ছোৱালীক বেছি মৰম কৰা হয় তাৰ গৰ্ব-অভিমানো চলি থাকে। এই ল'ৰা-ছোৱালীয়ে এতিয়াও তেওঁৰ মনৰ দুখ ঢাকি ৰাখিছে। গৰিমাই লগতে কয় যে ৰাজহুৱা ক্ষেত্ৰত আস্থাই যদি কিবা ভুল কৰিছে তেন্তে সেয়া ইচ্ছাকৃত নহয়। সৰু ছোৱালী, প্ৰথম বুলি ক্ষমা কৰিব আৰু শুধৰাই দিবলৈ অনুৰোধ জনায়। তেওঁ প্ৰশ্ন উত্থাপন কৰি কয় যে এতিয়া এটাই উত্তৰ লাগে—১৯ ছেপ্টেম্বৰত কি ঘটিছিল? একে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি জুবিনৰ ভগ্নী পামী বৰঠাকুৰেও লিখিছে যে যতীন দাৰ ছোৱালী আস্থা দাদাৰ বৰ মৰমৰ আছিল। নৱপ্ৰজন্মই জুবিনদা নহ'লে জুবিন বুলি মাতিছিল আৰু তেওঁ নিজকে সেই প্ৰজন্মৰ লগত সংপৃক্ত অনুভৱ কৰিছিল। নিষ্কলুষ মৰম-চেনেহবোৰ তেনেকৈয়ে থাকিবলৈ দিয়ক। যদি আস্থাই অজানিতে কিবা কথাই মনত দুখ দিছে তেন্তে অনুজ বুলি বাট দেখুৱাব কিন্তু খং নকৰিবলৈ অনুৰোধ জনায়। এই প্ৰতিক্ৰিয়াই সামাজিক মাধ্যমত ব্যাপক সঁহাৰি লাভ কৰিছে আৰু জুবিনৰ পৰিয়ালৰ সৈতে জড়িত স্মৃতি আৰু আৱেগক নতুনকৈ জাগ্ৰত কৰিছে। ৰাইজৰ এটা অংশই আস্থাক সমৰ্থন জনাইছে যদিও আন এটা অংশই এতিয়াও সমালোচনা অব্যাহত ৰাখিছে। জুবিন গাৰ্গৰ মৃত্যুৰ পিছতো তেওঁৰ স্মৃতি আৰু পৰিয়ালৰ সৈতে জড়িত প্ৰতিটো ঘটনা এতিয়া ৰাজহুৱা চৰ্চাৰ বিষয় হৈ পৰিছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত

দল (SIT)য়ে শনিবাৰে অভিনেতা পাৰ্থ হাজৰিকাক জেৰা কৰে। জুবিন গাৰ্গৰ ঘনিষ্ঠ বন্ধু হিচাপে পৰিচিত পাৰ্থ হাজৰিকাৰ নাম এই তদন্তত বাৰে বাৰে উত্থাপিত হৈছে, যাৰ ফলত SITয়ে তেওঁক তলব কৰি সোধা-পোছা কৰিবলৈ বাধ্য হয়। জুবিন গাৰ্গৰ মৃত্যুৰ পাছত সামাজিক মাধ্যমত পাৰ্থ হাজৰিকাৰ বিৰুদ্ধে ব্লেকমেইলিংৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। বহুতে দাবী কৰিছিল যে পাৰ্থই জুবিনক ব্লেকমেইল কৰি আছিল, যি অভিযোগে তদন্তক নতুন মোৰ দিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত SITয়ে পাৰ্থ হাজৰিকাক জেৰাৰ বাবে মাতি অনাৰ সিদ্ধান্ত লয়। তদন্তকাৰী দলৰ সূত্ৰই জনোৱা অনুসৰি, পাৰ্থ আৰু জুবিনৰ সম্পৰ্ক ২০১৯ চনৰ পৰাই আৰম্ভ হৈছিল আৰু দুয়োৰে মাজত গভীৰ বন্ধুত্ব আছিল। এই সম্পৰ্কৰ বিভিন্ন দিশৰ ওপৰত SITয়ে বিস্তৃতভাৱে সোধা-পোছা কৰে। আনহাতে, বেলতলা বিহু কমিটীয়ে SITত সাক্ষ্যদানৰ সময়ত পাৰ্থ হাজৰিকাৰ নাম স্পষ্টভাৱে উল্লেখ কৰিছিল। সূত্ৰই প্ৰকাশ কৰা অনুসৰি, বেলতলাত অনুষ্ঠিত এটা বিহু অনুষ্ঠানত এখন ছিৰিয়েলৰ প্ৰমোচন হৈছিল, য'ত পাৰ্থ হাজৰিকাই মুখ্য ভূমিকাত অভিনয় কৰিছিল। এই অনুষ্ঠানৰ সৈতে জড়িত কিছুমান তথ্যই জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে সম্পৰ্কিত বুলি সন্দেহ কৰা হৈছে। বিহু কমিটীৰ সাক্ষ্যৰ ভিত্তিতে SITয়ে পাৰ্থক তলব কৰি জেৰা কৰে, যি প্ৰক্ৰিয়া কেইবা ঘণ্টা ধৰি চলিছিল। জেৰাৰ অন্তত সংবাদ মাধ্যমৰ সন্মুখীন হৈ পাৰ্থ হাজৰিকাই কেইবাটাও চাঞ্চল্যকৰ মন্তব্য কৰে। তেওঁ কয়, "একাংশ লোকে মোৰ ফটো ব্যৱহাৰ কৰি সামাজিক মাধ্যমত অপপ্ৰচাৰ চলাইছে। এটা নিৰ্দিষ্ট শক্তিয়ে ফেক একাউণ্ট খুলি এই অপপ্ৰচাৰ চলাই তদন্তক বিপথে পৰিচালিত কৰিবলৈ চেষ্টা কৰিছে।" পাৰ্থই আৰু দাবী কৰে যে এই অপপ্ৰচাৰৰ পৰিণতিত তেওঁৰ সুনাম ক্ষতিগ্ৰস্ত হৈছে আৰু তদন্তৰ ন্যায়পৰায়ণতা ব্যাহত হ'ব পাৰে। SITৰ জেৰাৰ পিছতো তদন্ত অব্যাহত আছে আৰু পাৰ্থ হাজৰিকাৰ মন্তব্যই নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উদঘাটনৰ বাবে SITয়ে আৰু কেইবাগৰাকীও ব্যক্তিক জেৰা কৰাৰ পৰিকল্পনা কৰিছে বুলি জানিব পৰা গৈছে। এই ঘটনাই অসমৰ চলচ্চিত্ৰ আৰু সংগীত জগতত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## মুখ্যমন্ত্ৰী মিছা কথাৰ মেগা

অভিযোগ উত্থাপন কৰাৰ পিছতে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে মুখ্যমন্ত্ৰীক কঠোৰ ভাষাৰে আক্ৰমণ কৰিছে। সংবাদমেলত লুৰীণজ্যোতি গগৈয়ে কয়, "মুখ্যমন্ত্ৰীয়ে এছ আই টি গঠন কৰিছে, কিন্তু তেওঁৰ কথাৰ পৰা ৰাইজৰ মনত সন্দেহ জাগ্ৰত হৈছে যে তেওঁ তদন্তৰ সকলো তথ্য আগতীয়াকৈ জানে নেকি? তদন্ত সম্পূৰ্ণ নোহোৱাকৈয়ে তেওঁ কেনেকৈ দৃঢ়তাৰে ক'ব পাৰে যে জুবিন গাৰ্গক হত্যা কৰা হৈছে? এছ আই টিয়ে নিৰপেক্ষতাৰে কাম কৰিলে মুখ্যমন্ত্ৰীকো মাতি সোধা উচিত যে তেওঁ এই তথ্য ক'ৰ পৰা পালে।" তেওঁ লগতে উল্লেখ কৰে, "আমি প্ৰথমৰ পৰাই চি বি আই তদন্তৰ দাবী জনাই আহিছো। মুখ্যমন্ত্ৰীৰ পৰিয়াল আৰু ঘনিষ্ঠ লোকসকলৰ বিৰুদ্ধে আঙুলি উঠিছে। মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে কথা সলনি কৰিছে। প্ৰথমে কৈছিল শ্যামকানু মহন্ত ১৮ জনৰ লগত নাছিল, পিছত গ্ৰেপ্তাৰ হ'ল। এবাৰ ক'লে পানীত ডুবি মৃত্যু, পিছত লাইভত হত্যা বুলি ঘোষণা কৰিলে। বিহ দিয়া, মূৰত আঘাত, আত্মহত্যা— কথা কিয় সলনি কৰি আছে? এতিয়াও সময় আছে, তদন্তৰ দায়িত্ব চি বি আইক দিয়ক।" মুখ্যমন্ত্ৰীয়ে লুৰীণজ্যোতিক 'ডুপি-কেট ন্যায় বিচৰা পাৰ্টী' আৰু 'মিছা কথাৰ মেচিন' বুলি অভিহিত কৰাৰ প্ৰত্যুত্তৰত গগৈয়ে কয়, "ৰাজনীতি কোনে কৰিছে? জুবিন দাৰ নশ্বৰ দেহ গ্ৰহণৰ পৰাই মুখ্যমন্ত্ৰীয়ে ৰাজনীতি আৰম্ভ কৰিছে। ৰাইজে সকলো দেখি আছে। তেওঁ মোক ডুপ্লিকেট বুলি ক'লে, কিন্তু তেওঁহে ডুপ্লিকেট আছু আছিল, পিছত ডুপ্লিকেট আলফা হ'ল, তাৰ পিছত ডুপ্লিকেট কংগ্ৰেছী। মই ভৱিষ্যদ্বাণী কৰি থৈছো— সময়ৰ ইতিহাসত লিখা থাকিব যে হিমন্ত বিশ্ব শৰ্মা ডুপ্লিকেট বিজেপি হিচাপে প্ৰতিষ্ঠিত হ'ব।" 'মিছা কথাৰ মেচিন' প্ৰসংগত তেওঁ কয়, "মুখ্যমন্ত্ৰীয়ে মোক মিছা কথাৰ মেচিন বুলি ক'লে, কিন্তু তেওঁ গোটেই জীৱন মিছা কথা কৈ আহিছে। তেওঁহে মিছা কথাৰ মেগা ফেক্টৰী।" জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তক লৈ ৰাজনৈতিক উত্তেজনা অব্যাহত আছে। বিৰোধীয়ে চি বি আই তদন্তৰ দাবী তীব্ৰতৰ কৰিছে, আনহাতে শাসকীয় দলে বিৰোধীক ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন কৰি আছে। ঘটনাৰ পূৰ্ণাঙ্গ তদন্তৰ প্ৰতীক্ষাত ৰাইজৰ মাজত অস্থিৰতা বিৰাজ কৰি আছে।

## সৰ্বকালৰ অভিলেখ ভংগ

জুবিন গাৰ্গৰমন্ত্ৰোচ্চাৰণেৰে ধ্বনিত হৈ উঠিছে 'ৰৈ ৰৈ বিনালে'ৰ নাম। ভক্তিৰ অৰ্ঘ্যৰ দৰে এই ছবিখনে অসমীয়া চিনেমাৰ বেদীত স্থান লৈছে। মুক্তিৰ প্ৰথম দিনাই 'ৰৈ ৰৈ বিনালে'য়ে অসমৰ চলচ্চিত্ৰ ইতিহাসত এক অভূতপূৰ্ব অভিলেখ গঢ়াৰ পথত আগবাঢ়িছে। ট্ৰেইলাৰ মুক্তিৰ পিছদিনাৰ পৰাই অগ্ৰিম টিকট বুকিং আৰম্ভ হৈছিল আৰু মাত্ৰ দুদিনৰ ভিতৰতে ৭ লক্ষাধিক টিকট বিক্ৰী হৈ গৈছে। অসমৰ ৯৪খন ছবিগৃহত এই ছবি মুক্তি পাইছে, য'ত প্ৰতিদিনে ৪৫৬টা দৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটীৰ ১৩খন ছবিগৃহত প্ৰতিদিনে ১৫৭টা দৰ্শনী অনুষ্ঠিত হৈছে আৰু প্ৰতিটো শ্ব' হাউচফুল হৈছে। কিছুমান ছবিগৃহত পুৱা ৪: ৩০ বজাৰ পৰাই প্ৰথম দৰ্শনী আৰম্ভ হৈছে। ধেমাজি, লখিমপুৰৰ দৰে ঠাইতো বোৱাৰী পুৱাতে দৰ্শকৰ ভিৰ লক্ষ্য কৰা গৈছে। অঞ্চলভিত্তিকভাৱে চালে, বিজয়নগৰত প্ৰতিদিনে ৬টা, ৰঙিয়াত ৪টা, মঙলদৈত ৫টা, ছয়গাঁৱত ৫টা দৰ্শনী অনুষ্ঠিত হৈছে। নলবাৰীত ৫টা দৰ্শনীৰ বিপৰীতে বঙাইগাঁৱৰ দুখন ছবিগৃহত প্ৰতিদিনে ৩০টা দৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। ডিব্ৰুগড়ত ১২টা, তিনিচুকীয়াত ১৬টা, যোৰহাটৰ দুখন ছবিগৃহত ২১টা, গোলাঘাটত ৪টা আৰু নগাঁৱত ৯টা দৰ্শনী প্ৰতিদিনে প্ৰদৰ্শিত হৈছে। তেজপুৰৰ চাৰিখন ছবিগৃহত দিনে ৪২টা আৰু লখিমপুৰৰ চাৰিখন ছবিগৃহত ২০টা দৰ্শনীৰ ব্যৱস্থা আছে। ডিফু, হাফলঙ, শিলচৰ আৰু মাৰ্ঘেৰিটাত প্ৰতিদিনে ৪টাকৈ দৰ্শনী অনুষ্ঠিত হৈ আছে। অসমৰ সীমা অতিক্ৰম কৰি 'ৰৈ ৰৈ বিনালে'য়ে দেশৰ বিভিন্ন মহানগৰতো সফলতাৰ সৈতে চলি আছে। ইটানগৰৰ তিনিখন ছবিগৃহত দিনে ৯টা, নাহৰলগুণত ৩টা দৰ্শনী অনুষ্ঠিত হৈছে। মুম্বাইৰ ১০খন ছবিগৃহত প্ৰতিদিনে ১২টা, দিল্লী এনচিআৰৰ ১০খন ছবিগৃহত ২৬টা দৰ্শনী প্ৰদৰ্শিত হৈছে। বেংগালুৰুৰ ১০খন ছবিগৃহত ২৩টা, পুণেত ৭টা, কলকাতাত ১২টা, হায়দৰাবাদত ২টা, চেন্নাইত ২টা, কোচিত ১টা আৰু আহমেদাবাদত ১টা দৰ্শনী প্ৰতিদিনে অনুষ্ঠিত হৈছে। বিহাৰৰ জামছেদপুৰতো এই ছবিৰ দৰ্শনী চলি আছে। আগন্তুক ১৫ নৱেম্বৰৰ পৰা অষ্ট্ৰেলিয়া, আমেৰিকা, মালয়েছিয়াৰ দৰে বিদেশী দেশতো 'ৰৈ ৰৈ বিনালে' প্ৰদৰ্শিত হ'ব। সংগীত আৰু চলচ্চিত্ৰৰ কোনো সীমা নাথাকে— এই কথা প্ৰতিপন্ন কৰিছে 'ৰৈ ৰৈ বিনালে'য়ে। নদীৰ দৰে বৈ যোৱা এই ছবিখনে জুবিন গাৰ্গৰ স্মৃতিক অমৰ কৰি ৰাখিছে আৰু অসমীয়া চলচ্চিত্ৰৰ গৌৰৱক নতুন উচ্চতালৈ লৈ গৈছে। দৰ্শকৰ অভূতপূৰ্ব সঁহাৰিয়ে প্ৰমাণ কৰিছে যে জুবিন গাৰ্গৰ শিল্পীসত্তা এতিয়াও জীয়াই আছে প্ৰতিগৰাকী অসমবাসীৰ হৃদয়ত।

## ৰাইজে আগত, মই পিছত

প্ৰসংগত এইদৰে স্পষ্ট মন্তব্য কৰিলে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। মৰিগাঁৱৰ মিকিৰভেটা খেলপথাৰত আয়োজিত 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি'ৰ চেক বিতৰণী অনুষ্ঠানত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "ৰাইজে আগত চাব, মই পিছত চাম। যিসকলে ভাবে মই ৰজা হ'ব লাগে, তেওঁলোকে আগতেই গৈ চাইছে। সেই ছীট কেইটা কোনোবা সাধাৰণ মানুহে পালেহেতেন, কিন্তু তেওঁলোকে পালি-প্ৰহৰী লৈ গৈ চাইছে। কাৰণ মোৰ ইয়াৰ পৰা পলিটিকেল মাইলেজ ল'বলগীয়া নাই।" তেওঁ লগতে জোৰ দি কয়, "সদায় মনত ৰাখিব— জুবিন ৰাইজৰ সম্পত্তি আছিল, ৰজাৰ সম্পত্তি নাছিল। গতিকে ৰজা পিছত থাকিব, ৰাইজ আগত থাকিব।" উল্লেখ্য, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সহযোগত আয়োজিত এই বৃহৎ ৰাজহুৱা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মৰিগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩৬ হাজাৰ গৰাকী অৰ্হতাসম্পন্ন আত্মসহায়ক গোটৰ সদস্যাক 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি'ৰ অধীনত ১০, ০০০ টকাৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। জুবিন গাৰ্গৰ ছবিৰ প্ৰসংগত মুখ্যমন্ত্ৰীৰ এই মন্তব্যই ৰাজ্যৰ ৰাজনৈতিক আৰু সাংস্কৃতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। ৰাইজৰ প্ৰতি তেওঁৰ দায়বদ্ধতা আৰু অসমীয়া শিল্পীৰ প্ৰতি সন্মানৰ এই বাৰ্তাই সৰ্বস্তৰত প্ৰশংসা লাভ কৰিছে।

## বিশ্বকাপৰ খিতাপ দখলৰ

আকাংক্ষিত বিশ্বকাপ ট্ৰফীত আজি চুম্বন দিব ভাৰতীয় মহিলা ক্ৰিকেট দলে; গৌৰৱত পুনৰ উৰিব বিজয় ধ্বজা! অপেক্ষা এতিয়া মাত্ৰ কেইঘণ্টামানৰ। প্ৰথমটো বিশ্বকাপ খিতাপ দখলৰ লক্ষ্যৰে আজি মহিলা এদিনীয়া বিশ্বকাপ ২০২৫ৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিপক্ষে অৱতীৰ্ণ হ'ব ভাৰত। খিতাপ যুঁজৰ বাবে এতিয়া সম্পূৰ্ণ সাজু হৰমনপ্ৰীত বাহিনী। প্ৰতিযোগিতাৰ লীগ পৰ্যায়ত চতুৰ্থ স্থানৰ দল হিচাপে ছেমি ফাইনেলত প্ৰৱেশ কৰা ভাৰতীয় দলে ছেমি ফাইনেলত শক্তিশালী অষ্ট্ৰেলিয়াক পৰাস্ত কৰিছিল। জেমিমা ৰড্ৰিগুৱেজ আৰু অধিনায়ওক হৰমনপ্ৰীতৰ দৰ্শনীয় বেটিং প্ৰদৰ্শনৰ জৰিয়তে ৭বাৰৰ বিশ্ব চেম্পিয়ন অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ভাৰতে খিতাপ যুঁজত প্ৰৱেশ কৰিছে। ইফালে প্ৰতিযোগিতাৰ প্ৰথম ছেমিত ইংলেণ্ডক পৰাস্ত কৰি ফাইনেলৰ পথ প্ৰশস্ত কৰিছিল দক্ষিণ আফ্ৰিকাই। মহিলা বিশ্বকাপৰ ইতিহাসত প্ৰথমবাৰৰ বাবে খিতাপ যুঁজত অৱতীৰ্ণ হ'ব প্ৰটিয়াছ বাহিনী। অৰ্থাৎ এইবাৰ মহিলা এদিনীয়া বিশ্বকাপৰ ইতিহাসত দেখা যাব এক নতুন চেম্পিয়ন দল। ইতিপূৰ্বে ভাৰতীয় দলে ২০০৫ আৰু ২০১৭ চনৰ সংস্কৰণত ফাইনেলত প্ৰৱেশ কৰিছিল যদিও ৰাণাৰ্ছ আপতে সন্তুষ্ট থাকিবলগা হৈছিল। এতিয়া ভাৰতে তৃতীয়বাৰৰ বাবে মহিলা বিশ্বকাপৰ ফাইনেল খেলিব আৰু পূৰ্বৰ দুবাৰৰ ব্যৰ্থতাৰ অৱসান ঘটাই বিশ্বকাপ খিতাপ দখলৰ চেষ্টা চলাব। এইক্ষেত্ৰত দলৰ প্ৰতিগৰাকী সদস্যৰ প্ৰদৰ্শন হ'ব লক্ষণীয়। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ছেমিত ভাৰতীয় দলে জয়লাভ কৰিলেও বলিং প্ৰদৰ্শন বিশেষ সন্তোষজনক নাছিল। ইফালে অপেনিঙত প্ৰতিকাৰ স্থানত সুযোগ পোৱা শ্বেফালীয়ে আক্ৰমণাত্মক আৰম্ভণিৰ চেষ্টা কৰিছিল যদিও ক্ৰীজত টিকিব পৰা নাছিল। এতিয়া ফাইনেলত শ্বেফালীৰ পৰা দীঘলীয়া ইনিংছ আশা কৰিব দলে। লগতে দলৰ সহ-অধিনায়ক স্মৃতিৰ উন্নত প্ৰদৰ্শনো হ'ব প্ৰয়োজনীয়। আনহাতে হৰমন-জেমিমাৰ পৰা অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে দেখুওৱা প্ৰদৰ্শন দলে পুনৰ আশা কৰিব। দীপ্তি, ৰিছা আৰু অমনজোতৰ প্ৰদৰ্শনো হ'ব লক্ষণীয়। সামূহিক প্ৰচেষ্টাৰে এইবাৰ ইতিহাস সৃষ্টিৰ আশাত নৱী মুম্বাইৰ ডি ৱাই পাটিল স্প'ৰ্টছ ষ্টেডিয়ামত নামিব হৰমন বাহিনী। ইফালে ইংলেণ্ডৰ বিপক্ষে সহজ জয়েৰে মনোবল অত্যন্ত বৃদ্ধি পাইছে দক্ষিণ আফ্ৰিকাৰ। তাতে প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশৰ সূত্ৰে দলটোৱে সৰ্বস্ব উজাৰি খেলিবলৈ সাজু। অধিনায়ক ল'ৰা অ'লভাৰ্ড আৰু অভিজ্ঞ অলৰাউণ্ডাৰ মাৰিজেন কেপ হ'ব দলটোৰ প্ৰধান শক্তি। ছেমিত অ'লভাৰ্ডে ১৬৯ ৰান আৰু কেপে ৫টা উইকেট দখল কৰি দলৰ জয়ত মুখ্য ভূমিকা লৈছিল। দুয়োটা দলে আজি প্ৰথমবাৰৰ বাবে বিশ্বকাপ খিতাপ দখলৰ লক্ষ্যৰে ফাইনেলত অৱতীৰ্ণ হ'ব। এনে পৰিস্থিতিত আজিৰ মেচখন নিশ্চিতভাৱে ৰোমাঞ্চকৰ হৈ উঠাৰ সম্ভাৱনা আছে। এতিয়া কোনটো দলে আজি আকাংক্ষিত স্বপ্ন পূৰ কৰি দেশবাসীক গৌৰৱময় ক্ষণৰ সাক্ষী কৰি তোলে, সেয়া হ'ব লক্ষণীয়।

## ২৫ নৱেম্বৰৰ পৰা অসম

পাঁচ দিন ধৰি চলিব। অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা উপদেষ্টা সমিতিৰ এখন বৈঠকত কালি এই সিদ্ধান্ত লোৱা হয়। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত উপদেষ্টা সমিতিৰ বৈঠকত বিভিন্ন ৰাজনৈতিক দলৰ বিধায়কসকল উপস্থিত থাকে। বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি অহা ২৫, ২৬, ২৭, ২৮ আৰু ২৯ নৱেম্বৰত শীতকালীন অধিবেশন চলিব। উল্লেখযোগ্য যে, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আৰম্ভ হ'বলগীয়া এইবাৰৰ অধিৱেশনত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ উপৰি গুৰুত্বপূৰ্ণ প্ৰতিবেদন দাখিল কৰা হ'ব। ৰাজ্য চৰকাৰে বিধানসভাৰ শীতকালীন অধিৱেশনত লাভ জেহাদ, বহু বিবাহৰ বিৰুদ্ধে বিধেয়ক আৰু সত্ৰৰ সংৰক্ষণ সন্দৰ্ভত কেইবাখনো বিধেয়ক উত্থাপন কৰাৰ সিদ্ধান্ত লৈছে। তদুপৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ লগতে নেলী হত্যাকাণ্ডক লৈ গঠন কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদন বিধানসভাত দাখিল কৰা হ'ব। একেদৰে চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান আৰু অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত চাহ বাগিচাৰ শিক্ষাৰ্থীসকলৰ বাবে ৪ খনকৈ আসন সংৰক্ষণ কৰাৰ বাবে বিধানসভাত বিধেয়ক উত্থাপন কৰা হ'ব।

## দৈয়াং সাহিত্যৰ উদ্যোগত মেৰাপানীত দ্বিতীয় দ্বি-বাৰ্ষিক গ্ৰন্থ মেলা ও সাহিত্য উৎসৱৰ আয়োজন, আদৰণি সমিতি গঠন

**অসম বাৰ্তা, মেৰাপানী, ১ নৱেম্বৰ ঃ** অসম-নাগালেণ্ড সীমান্তৰ গোলাঘাট জিলাৰ মেৰাপানীত দৈয়াং সাহিত্য সভাৰ আগন্তুক গ্ৰন্থ মেলা ও সাহিত্য উৎসৱৰ উদ্‌যাপনৰ সম্পৰ্কত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে দৈয়াং শাখা সাহিত্য সভাৰ সভাপতি কৃষ্ণ দত্তই আৰু উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক হিৰণ্য গগৈয়ে। দৈয়াংৰ সাহিত্য প্ৰেমী ৰাইজৰ উপস্থিতিত অহা ৩ ডিচেম্বৰ পৰা ৮ ডিচেম্বৰলৈ দৈয়াং সাহিত্য সভাৰ উদ্যোগত মেৰাপানী ৰাজহুৱা খেলপথাৰত দ্বিতীয়বাৰৰ বাবে গ্ৰন্থ মেলা ও সাহিত্য উৎসৱ আয়োজন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। গ্ৰন্থ মেলা ও সাহিত্য উৎসৱৰ আদৰণি সমিতি সভাপতি হিচাপে ড° বিদুৰ কুমাৰ বৰুৱা আৰু প্ৰবীন গগৈক সম্পাদক হিচাপে লৈ এখন ২১ জনীয়া সমিতি গঠন কৰা হয়।

## সংগীত শিল্পী চৈয়দ ছাদুল্লাৰ মৃত্যুত কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ শোক

**অসম বাৰ্তা, লীলাবাৰী, ১ নৱেম্বৰ ঃ** ৰাজ্যৰ সাংস্কৃতিক, বৌদ্ধিক জগতখনক স্তব্ধ কৰি প্ৰতিষ্ঠিত সুৰকাৰ, গীতিকাৰ, ঘোষক, আলেখ্য ৰচক চৈয়দ ছাদুল্লাৰ জীৱনাৱসানত গভীৰ শোক প্ৰকাশ কৰিছে কোচ-ৰাজবংশী সংগ্ৰাম সমিতিয়ে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক শোক বাৰ্তাৰ জৰিয়তে কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি, যুৱ সাহিত্যক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে- অসমৰ সাংস্কৃতিক, বৌদ্ধিক জগতখনৰ লব্ধপ্ৰতিষ্ঠ সংগীত শিল্পী তথা সুৰকাৰ, গীতাকাৰ, ঘোষক, আলেখ্য ৰচক আৰু প্ৰজন্মটোক নিজৰ গুণমুগ্ধ হিচাপে বান্ধি ৰখা চৈয়দ চাদুল্লাৰ ইহলীলা সম্বৰণ অসমৰ সাংস্কৃতিক, বৌদ্ধিক ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰাৰ লগতে তেখেতৰ বিদেহী আত্মাৰ সদগতি কামনা কৰিছে। লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি বিকাশ দত্ত, উপ-সভাপতি হেমন্ত কোচ, মিণ্টু বৰা, সাধাৰণ সম্পাদক নিতুল শইকীয়া, উপদেষ্টা বাবুল দত্ত, উত্তৰ লখিমপুৰ নগৰ আঞ্চলিক কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি সিদ্ধাৰ্থ শংকৰ শইকীয়া, কাৰ্যকৰী সভাপতি দেৱজিৎ দত্ত, সাধাৰণ সম্পাদক মানস প্ৰতিম দত্ত আৰু উপদেষ্টা বিপুল দত্তও অসমৰ সাংস্কৃতিক, বৌদ্ধিক ক্ষেত্ৰৰ ভোটাতৰা স্বৰূপ শিল্পী গৰাকীৰ দেহাৱসানত শোক ব্যক্ত কৰি ৰাজ্যবাসীৰ বাবে বৃহৎ ক্ষতি বুলি উল্লেখ কৰে।

### তদন্তৰ দাবী আন্তৰাষ্ট্ৰীয় কোচ-ৰাজবংশী সংস্থাৰ

# ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত অনিয়মৰ অভিযোগ

**অসম বাৰ্তা, অভয়াপুৰী, ১ নৱেম্বৰ ঃ** ৰাষ্ট্ৰৰ দ্ৰুত উন্নয়ন আৰু আধুনিক যোগাযোগ ব্যৱস্থাৰ স্থাপনৰ লক্ষ্যৰে প্ৰয়াত প্ৰধানমন্ত্ৰী ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীয়ে আৰম্ভ কৰিছিল ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেন প্ৰকল্প। তেওঁৰ দূৰদৰ্শী পদক্ষেপৰ ফলস্বৰূপে দেশৰ সকলো গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেন ৰূপত উন্নীত কৰাৰ অনুমোদন কেন্দ্ৰীয় চৰকাৰে আগতীয়াকৈ দিয়ে। এই প্ৰকল্পৰ অন্তৰ্গত অসমৰ ৩১ (নতুন ১৭)নং ৰাষ্ট্ৰীয় ঘাইপথ, অৰ্থাৎ বঙাইগাঁও জিলাৰ তুলুঙীয়া পৰা ধুবুৰীলৈকে যোৱা পথ চাৰিলেন ৰূপত বিকাশ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে তত্পৰতা অব্যাহত ৰাখিছে। এই উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে এক নিবিদা আহ্বান কৰে, যাৰ কাম এন কে জি ইন্‌ফ্ৰাষ্ট্ৰাকচাৰ লিমিটেড নামৰ এখন নিৰ্মাণ সংস্থাক দায়িত্ব দিয়া হয়। কিন্তু কাম আৰম্ভ হোৱাৰ পিছতেই অঞ্চলটোৰ স্থানীয় জনতাই নিৰ্মাণৰ গুণগত মান আৰু নীতি-পদ্ধতি সম্পৰ্কে প্ৰশ্ন তুলি ধৰে। আন্তৰাষ্ট্ৰীয় কোচ-ৰাজবংশী সংস্থা চমুকৈ ইকাৰাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে অভিযোগ উত্থাপন কৰি কয় যে, নিৰ্মাণ সংস্থাটোৱে চৰকাৰী নিয়ম ভংগ কৰি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰি পথ নিৰ্মাণ কৰিছে। বৰ্মনে অভিযোগ কৰি কয়- "নিয়মমতে নতুন পথ নিৰ্মাণৰ আগতে পুৰণি পথৰ জাবৰ জোথৰ আৰু বেয়া মাটি গুছাই শুদ্ধ বেছমেণ্ট বনাব লাগে। কিন্তু বাস্তৱত সেই কাম একেবাৰে কৰা হোৱা নাই।" তেওঁ লগতে কয়, "পথ নিৰ্মাণৰ সময়ত নৈৰ বালি-মাটিৰে মিশ্ৰিত সামগ্ৰী ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে কোম্পানীটোৱে পাহাৰৰ মৰা শিলযুক্ত ৰঙা মাটি ব্যৱহাৰ কৰিছে, যাৰ ফলত পথটো অতি সোনকালে বেয়া হোৱাৰ আশংকা আছে।" উল্লেখযোগ্য যে, বঙাইগাঁও জিলাৰ খগৰপুৰ অঞ্চলৰ মাজেদি যোৱাৰ বাবে পথখন পাহাৰৰ ভিতৰেদি নিৰ্মাণ কৰা হৈছে। বৰ্মনৰ মতে, এই পাহাৰখন বিজ্ঞানসন্মতভাৱে খনন নকৰাৰ বাবে আগলৈ ভূমিস্খলন বা অন্য কোনো ভয়ংকৰ দুৰ্ঘটনা হোৱাৰ আশংকা আছে। সেয়েহে ইকাৰাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে বিভাগক বিষয়টো গভীৰভাৱে তদন্ত কৰি কামৰ গুণগত মান পৰীক্ষা কৰিবলৈ আৰু নিৰ্মাণকাৰী সংস্থাৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁৰ মতে-"জনগণৰ জীৱন, সম্পত্তি আৰু ৰাষ্ট্ৰীয় সম্পদৰ সুৰক্ষাৰ স্বাৰ্থত এনে নিম্নমানৰ কাম একেবাৰে সহ্য কৰিব পৰা নহয়। চৰকাৰে অবিলম্বে বিষয়টোত হস্তক্ষেপ কৰিব লাগে।" বঙাইগাঁও জিলাৰ সচেতন নাগৰিক সমাজেও বৰ্মনৰ দাবীক সমৰ্থন জনাইছে আৰু পথ নিৰ্মাণৰ গুণগত মান সুনিশ্চিত কৰিবলৈ প্ৰশাসনিক হস্তক্ষেপ আৰু তদন্তৰ দাবী তুলিছে।

### অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ অনলাইন মাধ্যমেৰে অংশগ্ৰহণ

# শিৱসাগৰত অৰুণোদয় ৩.০; মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত প্ৰমুখ্যে বিভিন্ন আঁচনিৰ ওপৰত পৰ্যালোচনা বৈঠক অনুষ্ঠিত

**ষ্টাফ ৰিপটাৰ, শিৱসাগৰ, ১ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত আয়ুষ গৰ্গৰ উপস্থিতিত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত অৰুণোদয় ৩.০ আঁচনিৰ জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত অসম চৰকাৰৰ শিক্ষা আৰু জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু প্ৰমুখ্যে নাজিৰা আৰু ডিমৌৰ বিধায়কদ্বয় দেৱব্ৰত শইকীয়া আৰু সুশান্ত বৰগোহাঁয়ে অনলাইন (Google Meet) মাধ্যমেৰে অংশগ্ৰহণ কৰে। বৈঠকত অৰুণোদয় ৩.০ আঁচনিৰ অধীনত জিলাখনৰ বাবে ৯১, ৩৪১ গৰাকী হিতাধিকাৰীৰ সংশোধিত লক্ষ্য ধাৰ্য কৰা হৈছে বুলি অবগত কৰা হয়। অৰুণোদয় ৩.০ আঁচনিৰ অধীনত হিতাধিকাৰী চয়নত বিশেষভাৱে অৰুণোদয় ২.০ৰ আওতাৰ অধীনত ৰৈ যোৱা যোগ্য হিতাধিকাৰী, বিশেষভাৱে সক্ষম আৰু বিধবা মহিলাসকলৰ অন্তৰ্ভুক্তিকৰণত প্ৰাধান্য দিয়া হ'ব বুলি জনোৱা হয়। আনহাতে বৈঠকৰ দ্বিতীয় পৰ্যায়ত অসম চৰকাৰৰ জনহিতকৰ "মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত" আঁচনিৰ কাৰ্যৰূপায়ণৰ সাম্প্ৰতিক স্থিতি সম্পৰ্কে জিলা আয়ুক্ত গৰাকীয়ে বিস্তৃতভাৱে অৱগত কৰে। উল্লেখ্য যে, আঁচনিখনৰ অন্তৰ্গত জিলাখনৰ ২৯খন চাহ-বাগিচা সামৰি প্ৰায় ৩০,৩০৫ গৰাকী হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰা হৈছে। ইয়াৰ পাছতে বৈঠকত জিলাখনৰ চাহ-বাগিচা এলেকাত নিৰ্মিত জগন্নাথ সমূহীয়া ভৱন আৰু কৌশল কেন্দ্ৰসমূহৰ বাবে গঠিত পৰিচালনা সমিতিৰ বিষয়েও অৱগত কৰা হয়। তদুপৰি জিলা পৰ্যায়ৰ খনিজাত পুঁজি (District Level Mineral Fund)ৰ অধীনত গ্ৰহণ কৰা বিভিন্ন প্ৰকল্প আৰু কাম-কাজৰ প্ৰতিবেদন সম্পৰ্কেও বৈঠকত আলোচনা কৰা হয়। বৈঠকত নাজিৰাৰ সম-জিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰা, অতিৰিক্ত জিলা আয়ুক্তদ্বয় লুকুমণি বড়া আৰু গীতালী দুৱৰা, সহকাৰী আয়ুক্তত্ৰয় নিমাশ্ৰী ডাউকা, পৰিস্মিতা দিহিঙ্গীয়া আৰু গণেশ চন্দ্ৰ বড়ো, সামাজিক কৰ্মকৰ্তা ঘন গগৈ, শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ প্ৰতিনিধি প্ৰমুখ্যে সংশ্লিষ্ট বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

## চৰকাৰী ঘৰৰ জিও'টেগক লৈ দোতমা খণ্ড উন্নয়নৰ ৰাইজৰ হাবাথুৰি

**অসম বাৰ্তা, দোতমা, ১ নৱেম্বৰ ঃ** প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ জিঅ'টেগ কৰিবলৈ চৰকাৰৰ তৰফৰ পৰা বিষয়া নাহাৰ বাবে দোতমা খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ ডুমাৰিগুৰী ভি, চি, ডি, চি ৰ অন্তৰ্গত শিকাৰগাঁৱৰ ৰাইজে বহু চিন্তিত হৈ আছে। গাঁওখনৰ বহু যোগ্য হিতাধিকাৰীয়ে দ্বায়িত্বত থকা বিষয়াক বিচাৰি হাবাথুৰি খাবলগীয়া হৈছে। আনফালে জিও'টেগৰ তাৰিখ উকলি যোৱা, চাৰ্ভাৰৰ সমস্যা আদি কথাবোৰ শুনি গাঁওখনৰ দৰিদ্ৰ হিতাধিকাৰীসকল চিন্তিত হৈ পৰিছে। হিতাধিকাৰীসকলে জিঅ'টেগৰ সুবিধা পোৱাৰ আশাৰে চৰকাৰ তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মহোদয়ক অনুৰোধ জনাইছে।

## এছিয়ান যুৱ গেমছত অসমৰ তাৰকা সাঁতোৰবিদ তীৰ্থাঙ্ক পেগুৰ ৰূপৰ পদক অৰ্জন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১ নৱেম্বৰ ঃ** বাহৰেইনত অনুষ্ঠিত এছিয়ান যুৱ গেমছৰ ২০০ মিটাৰ বাটাৰফ্লাই প্ৰতিযোগিতাত অসমৰ গৌৰৱ তীৰ্থাঙ্ক পেগুৱে ৰূপৰ পদক অৰ্জন কৰিছে। ৩০ অক্টোবৰ বৃহস্পতিবাৰে ইৰাণৰ মোহাম্মদ মাহদি গ'লামীয়ে 2: 01: 75 সময়ত স্বৰ্ণ পদক জয় কৰে, ভাৰতৰ তীৰ্থাঙ্ক পেগুৱে 2: 02: 56 সময়ত দ্বিতীয় স্থান অৰ্জন কৰে, আৰু হংকঙৰ ৱাং ই শুন এ 2: 03: 45 সময়ত তৃতীয় স্থান লাভ কৰে। অসম সাঁতোৰ সংস্থাৰ সম্পাদক ভাস্কৰ ৰঞ্জন দাস আৰু প্ৰচাৰ সচিব মুকুটেশ্বৰ গোস্বামীয়ে প্ৰতিভাবান খেলুৱৈ গৰাকীয়ে আগন্তুক দিনত এছিয়ান গেমছ আৰু অলিম্পিকত ভাৰতক গৌৰৱান্বিত কৰিব বুলি আশা প্ৰকাশ কৰিছে। তীৰ্থাঙ্কৰ পেগুৰ গৌৰৱোজ্জ্বল এই সফলতাই অসম তথা ভাৰতৰ নশিকাৰুসকলৰ বাবে প্ৰেৰণাদায়ক বাৰ্তা কঢ়িয়াই আনিছে।

# অইল ইণ্ডিয়াৰ নতুন আৱাসিক মুখ্য বিষয়াৰূপে দায়িত্বভাৰ গ্ৰহণ বিনয়ানন্দ ভৰালীৰ

**অসম বাৰ্তা, দুলীয়াজান, ১ নৱেম্বৰ ঃ** অইল ইণ্ডিয়া লিমিটেডৰ নতুন আৱাসিক মুখ্য বিষয়াৰূপে বিনয়ানন্দ ভৰালীয়ে ১ নৱেম্বৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰে। যোৰহাট জিলাত জন্মগ্ৰহণ কৰা ভৰালীৰ মাতৃ হৈছে অকণি ভৰালী আৰু পিতৃ হৈছে সচিচদানন্দ ভৰালী। যোৰহাট চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্কুলীয়া শিক্ষা সমাপ্ত কৰি তেখেতে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা ভূতত্ত্ব বিষয়ত স্নাতক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা প্ৰায়োগিক ভূতত্ত্ব বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ১৯৯৫ চনৰ মাৰ্চত দুলীয়াজান অইলৰ ভূতত্ত্ব আৰু তৈলাশয় বিভাগত কাৰ্য্যবাহী নবিচ হিচাপে যোগদান কৰা বিজয়ানন্দ ভৰালীয়ে যোৱা তিনি দশতকৈও অধিক সময়ৰ এক উজ্জ্বল কেৰিয়াৰ গঢ়ি তুলিছে। বিগত বছৰসমূহত তেওঁ বিভিন্ন দায়িত্বত থাকি অইলৰ অন্বেষণ আৰু উন্নয়ন কাৰ্য্যকলাপসমূহত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। আৰম্ভণিতে, তেখেতে দুলীয়াজানত ভূতত্ত্ব আৰু তৈলাশয় বিভাগত ভূতত্ত্ববিদ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পিছত ২০১৫ চনত নয়ডাত থকা অইলৰ কৰ্পৰেট কাৰ্যালয়লৈ বদলি হয়। তাত তেখেতে প্ৰথমে ব্যৱসায়িক উন্নয়ন বিভাগত থাকি পৰৱৰ্তী সময়ত ২০২৫ চনৰ মাৰ্চ মাহলৈকে তিনি বছৰ কাল মহা প্ৰবন্ধক (অধ্যক্ষ আৰু পৰিচালন সঞ্চালকৰ কাৰ্য্যবাহী বিষয়া) হিচাপে কাৰ্যনিৰ্বাহ কৰে। তাৰ পাছতে তেখেতে ভূবিজ্ঞানৰ কাৰ্য্যবাহী সঞ্চালক ৰূপে পদোন্নতি লাভ কৰে। ই এণ্ড পি এচেটৰ ক্ষেত্ৰ উন্নয়নকে ধৰি একত্ৰীকৰণ আৰু অধিগ্ৰহণ (এম এণ্ড এ) ক্ষেত্ৰত বিস্তৃত অভিজ্ঞতাৰে পুষ্ট, আৰু ব্যৱসায়িক উন্নয়নৰ কাৰিকৰী দলৰ মুৰব্বী হিচাপে কাম কৰা ভৰালীয়ে কৌশলগত আৰু কাৰিকৰী বিশেষজ্ঞতাৰ সমৃদ্ধ হৈ আৱাসিক মুখ্য বিষয়াৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব ল'বলৈ আগবাঢ়িছে। উল্লেখ্য যে, ৰাছিয়াত অইলৰ দুটা ফ্লেগশ্বিপ বিদেশস্থিত ই এণ্ড পি সম্পত্তিৰ অংশীদাৰিত্ব অধিগ্ৰহণত তেখেতে মুখ্য ভূমিকা পালন কৰিছিল, যিয়ে কোম্পানীটোৰ গ্ল'বেল উপস্থিতি অধিক শক্তিশালী কৰি তুলিছিল। এজন অভিজ্ঞ ভূ-বিজ্ঞানী হিচাপে, শ্ৰী ভৰালীয়ে অইল ইণ্ডিয়া লিমিটেডৰ অন্বেষণ, উন্নয়ন আৰু তৈলাশয় ব্যৱস্থাপনা ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু কোম্পানীৰ অপাৰেচনেল উৎকৃষ্টতা আৰু বিকাশত যথেষ্ট অৱিহণা যোগাইছে। তদুপৰি, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ফ'ৰামত কেইবাখনো কাৰিকৰী গৱেষণা পত্ৰ উপস্থাপন আৰু প্ৰকাশ কৰা শ্ৰী ভৰালী আমেৰিকাৰ ছ'চাইটি অৱ পেট্ৰ'লিয়াম ইঞ্জিনিয়াৰছ (এছ পি ই)ৰ সদস্য আৰু বৰ্তমান এছ পি ই দুলীয়াজান অধ্যায়ৰ অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰি আছে।

## নগাঁৱত চুতিয়া জাতি সন্মিলনৰ অৱস্থান ধৰ্মঘট কাৰ্যসূচী

**অসম বাৰ্তা, নগাঁও, ১ নৱেম্বৰ ঃ** দীৰ্ঘদিন ধৰি বিভিন্ন দাবীৰ লগতে চুতিয়া জাতিক জনজাতি কৰণৰ দাবীত আজি নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সমীপত নগাঁও জিলা চুতিয়া জাতি সন্মিলনে এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। চুতীয়া সকলৰ জনজাতিকৰণৰ দীঘলীয়া সংগ্ৰামক ন্যায্যতা প্ৰদান কৰি চুতীয়াক জনজাতি মৰ্যাদা প্ৰদান কৰাৰ দাবীৰে নগাঁও জিলা আয়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখনি স্মাৰক পত্ৰ প্ৰদান কৰে সংগঠনটোৱে। চুতীয়া জনগোষ্ঠীক সাংবিধানিক সুৰক্ষা কবচস্বৰূপে জনজাতি স্বীকৃতি প্ৰদান নকৰিলে আগন্তুক দিনত আন্দোলন অধিক তীব্ৰতৰ কৰাৰো হুংকাৰ প্ৰদান কৰে ধৰ্মঘটকাৰী সকলে। আজিৰ এই অৱস্থান ধৰ্মঘটত নগাঁও জিলা সমিতিৰ সভাপতি সোমেশ্বৰ বৰদলৈ, সাধাৰণ সম্পাদক উত্তৰ কুমাৰ শইকীয়াৰ লগতে অন্যান্য বিষয়ববীয়া সকলৰ লগতে দুই শতাধিক পুৰুষ-মহিলা উপস্থিত থাকে।

# নাহৰকটীয়াৰ সত্যনাৰায়ণ চাহ বাগিচাত অইল ইণ্ডিয়া বিৰুদ্ধে আছা আৰু চাহ শ্ৰমিকৰ প্ৰতিবাদ

**অসম বাৰ্তা, নাহৰকটীয়া, ১ নৱেম্বৰ ঃ** নাহৰকটীয়াৰ সত্যনাৰায়ন চাহ বাগিচাৰ কৰ্তপক্ষই গোপন আলোচনা কৰি বাগিচাখনৰ চাহ শ্ৰমিকক সৈতে কোনো ধৰণৰ আলাপ আলোচনা নকৰাকৈ অইল ইণ্ডিয়া লিমিটেডক বাগিচাখনৰ প্ৰায় ২৫ বিঘাৰো অধিক মাটি প্ৰদান কৰিছে। কিছুদিনৰপৰা বাগিচাখনত অইল ইণ্ডিয়া লিমিটেডে চাহ গছ লগতে বিভিন্ন ধৰণৰ গছ-গছনি কাটি তহিলং কৰে। বাগিচাখনত অইল ইণ্ডিয়া লিমিটেডৰ দ্বাৰা চাহ বাগিচা উচ্ছেদ কৰা কাৰ্যক তীব্ৰ বিৰোধিতা কৰি আদিবাসী ছাত্ৰ সন্থা নাহৰকটীয়া আঞ্চলিক সমিতিৰ বিষয়ববীয়া আৰু বাগিচাখনৰ শ্ৰমিকে চাহ বাগিচাত অইল ইণ্ডিয়াইয়ে চাহ গছ উচ্ছেদ কৰা ঠাইতে অইল ইণ্ডিয়াৰ বিৰুদ্ধে এক প্ৰতিবাদী কাৰ্যসূচী সাব্যস্ত কৰে। অইল ইণ্ডিয়া লিমিটেড গ' বেক, বাগিচাৰ কৰ্তৃপক্ষই হুঁচিয়াৰ, চাহ বাগিচা উচ্ছেদ বন্ধ কৰক ইত্যাদি শ্ল'গানেৰে প্ৰতিবাদীকাৰীসকলে প্ৰতিবাদস্থলী উতাল কৰি তোলে। প্ৰতিবাদীকাৰীসকলে অইলৰ গাড়ীবোৰ বাগিচা ত্যাগ কৰিবলৈ বাধ্য কৰায়। অইল ইণ্ডিয়া লিমিটেডৰ দ্বাৰা চাহ বাগিচা উচ্ছেদ কাৰ্য বন্ধ কৰাৰ দাবীত আছা নাহৰকটীয়া আঞ্চলিক সমিতিয়ে ডিব্ৰুগড় জিলাৰ আয়ুক্তলৈ এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে আৰু বাগিচাৰ উচ্ছেদ কাৰ্যক বন্ধ কৰি উচ্ছেদিত ঠাইত পুনৰ চাহ পুলি ৰোপণ কৰিবলৈ বাগিচাখনৰ কৰ্তৃপক্ষলৈও সংগঠনটোৱে এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে। প্ৰতিবাদস্থলীত আছা ডিব্ৰুগড় জিলা সমিতিৰ প্ৰচাৰ সম্পাদক মিখেল পুতী, সাংগঠনিক সম্পাদক জিতেন বাঘ, নাহৰকটীয়া আঞ্চলিক সমিতিৰ সভাপতি অজয় গোৱালা, সম্পাদক প্ৰেম উদয় ধান, আটছাৰ প্ৰাক্তন নেতা ললিত মাহালি আৰু আছাৰ বহু কেইজন কাৰ্যকৰ্তা আৰু পাঁচ শতাধিক বাগিচাখনৰ শ্ৰমিক উপস্থিত থাকে।

## নগাঁও বেঙেনাআটিত মানসিকভাৱে সক্ষম লোক সন্ধাহীন

**অসম বাৰ্তা, বঢ়মপুৰ, ১ নৱেম্বৰ ঃ** নগাঁও চহৰৰ সমীপৱৰ্তী অঞ্চল বেঙেনাআটিৰ এগৰাকী মানসিকভাৱে সক্ষম লোক বিগত এমাহে সন্ধাহীন হৈ আছে। মানসিকভাৱে সক্ষম লোক গৰাকী হ'ল বেঙেনাআটিৰ ৫৫ বছৰীয়া মাইনুল হক। লোকজনে নগাঁৱৰ বৰঘাট বাইপাছত যোৱাৰ পাছৰে পৰা সন্ধানহীন হোৱা বুলি জানিবলৈ দিছে পৰিয়ালৰ লোকে। লোকজন কোনো মানৱ দেহ অংগ সৰবৰাহকাৰী চক্ৰৰ কবলত পৰাৰ সন্দেহ কৰিছে পৰিয়ালৰ লোকে। ঘটনা সন্দৰ্ভত পৰিয়ালে মৰিকলং আৰক্ষী চকীত লোকজন সন্ধানহীন হোৱা সন্দৰ্ভত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। কোনো ব্যক্তিয়ে লোকজনৰ সন্ধান লাভ কৰিলে ৮৮৭৬০২১৬৪৯ নম্বৰত খবৰ দিবলৈ অনুৰোধ জনাইছে পৰিয়ালৰ লোকে।

# কনিষ্ঠ পুত্ৰৰ বাবে চৌৰাশী বছৰীয়া পিতৃ হ'বলৈ গৈ আছে গৃহহাৰা

### অসহায় পিতৃৰ বিষাদৰ চকুলো

**অসম বাৰ্তা, মাকুম, ১ নৱেম্বৰ ঃ** কিমান কঠোৰ হ'লে এজন পুত্ৰই বৃদ্ধ অৱস্থাত নিজ পিতৃক আলৈ-আথানি কৰিব পাৰে! যিজন পিতৃয়ে এসময়ত নিজৰ দুখ, কষ্ট, সপোন ত্যাগ কৰি সন্তানক লালন -পালন কৰি পোহৰৰ পথ প্ৰশস্ত কৰি তুলিছিল তেনে এজন পিতৃৰ ওপৰত নিজ পুত্ৰই বৃদ্ধ কালত আলৈ-আথানি কৰাৰ অভিযোগ উত্থাপন হৈছে। পিতৃৰ সম্পত্তিৰ প্ৰতি মোহাচ্ছন্ন হৈ মানৱ সমাজক হেয় প্ৰতিপন্ন কৰা এক ঘটনা তিনিচুকীয়া জিলাৰ মাকুম টিংৰাই বঙালী গাঁৱৰ বাসিন্দা চৌৰাশী বছৰীয়া আনন্দ গগৈ নামৰ এজন বৃদ্ধ ব্যক্তিৰ লগত সংঘটিত হৈছে। জানিবলৈ পৰা অনুসৰি আনন্দ গগৈ নামৰ ব্যক্তিগৰাকীয়ে মাকুম দ্বিতীয় অসম আৰক্ষী বাহিনীৰ পৰা ১৯৯৫ চনতে অৱসৰ লৈ মাকুম টিংৰাই বঙালী গাঁৱত পত্নী, দুই পুত্ৰ সন্তান আৰু দুগৰাকী কণ্যা সন্তানকলৈ সুখেৰে সংসাৰ কৰি আছিল। হঠাতে আনন্দ গগৈৰ পত্নীৰ বিয়োগ হোৱাত জীৱনলৈ যেন অন্ধকাৰ নামি আহিল। পত্নীৰ বিয়োগৰ পাছতে জ্যেষ্ঠ পুত্ৰ-বোৱাৰীয়ে অন্য ঠাইত জীৱন নিৰ্বাহ কৰাৰ লগতে দুই জীয়াৰীও বিবাহপাশত আবদ্ধ হয়। পৰৱৰ্তী সময়ত অপূৰ্ব গগৈ নামৰ কনিষ্ঠ পুত্ৰগৰাকীয়েও বিবাহ পাশত আবদ্ধ হোৱাৰ পাছত অন্য স্থানত থাকিবলৈ ললে। জীৱনৰ শেষৰ সময় চোৱা অকলশৰীয়া হৈ পৰিল আনন্দ গগৈ নামৰ ব্যক্তিজন। অৱশেষত অকলশৰীয়াকৈ থাকিবলৈ অসুবিধা হোৱাত আনন্দ গগৈয়ে দ্বিতীয় বিবাহ কৰি জীৱন নিৰ্বাহ কৰি আছিল। দিন বাগৰাৰ পাছতে অৰূপ গগৈ নামৰ কনিষ্ঠ পুত্ৰই নাগৰিক পঞ্জীয়ন উন্নীতকৰণৰ নামত পিতৃ আনন্দ গগৈৰ পৰা ভুৱা স্বাক্ষৰলৈ পিতৃয়ে বসবাস কৰা ভূমিৰ লগতে বাসগৃহটো নিজৰ নামলৈ হস্তান্তৰ কৰি নথিপত্ৰ সমূহ মহাৰাষ্ট্ৰ নামৰ এটা বিত্তীয় প্ৰতিষ্ঠানত বন্ধক ৰাখি ঋণ লোৱাৰ কথা অপূৰ্ব গগৈয়ে ঋণ পৰিশোধ নকৰাৰ বাবে বিত্তীয় প্ৰতিষ্ঠানটোৱে বাস গৃহটোলৈ জাননী প্ৰেৰণ কৰাত পোহৰলৈ আহে। উক্ত কথাটো চৌৰাশী বছৰীয়া আনন্দ গগৈয়ে জানিবলৈ পাৰি গৃহহাৰা হোৱাৰ আশংকাত দিশহাৰা হৈ পৰিছে। এই সন্দৰ্ভত আনন্দ গগৈয়ে তিনিচুকীয়া চক্ৰ বিষয়া কাৰ্যালয়ৰ কাষ চাপিছিল লগতে গাঁৱৰ ৰাইজ একত্ৰিত কৰি এখন সভাও অনুষ্ঠিত কৰিছিল কিন্তু এইবোৰ কৰিও চক্ৰ বিষয়া কিম্বা গাঁও প্ৰধানৰ পৰা কোনো ধৰণৰ সঁহাৰি নাপায় অসহায় হৈ আনন্দ গগৈয়ে আজি নিজ বাহগৃহত এখনি সংবাদ মেল সম্বোধন কৰে। সংবাদমেলৰ যোগেদি দুখৰ চকুলো নিগৰাই অন্ততঃ থকা বাসগৃহটো চক্ৰান্তৰ পৰা উদ্ধাৰ কৰাৰ ক্ষেত্ৰত সকলোকে সহযোগিতা আগবঢ়াবলৈ কৰযোৰে আহ্বান জনাইছে বৃদ্ধ গৰাকীয়ে।

## তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে মায়ংক কুমাৰৰ দায়িত্ব গ্ৰহণ



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১ নৱেম্বৰ ঃ** ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া মায়ংক কুমাৰে শুকুৰবাৰে তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে দায়িত্ব গ্ৰহণ কৰে। নৱনিযুক্ত জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে বিদায়ী জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপৰ পৰা দায়িত্ব গ্ৰহণ কৰে। বিদায়ী জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপক ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে বদলি কৰা হৈছে।

### নাজিৰাত নাহৰ পুলি ৰোপণ আৰু "মায়াবিনী" গীত পৰিৱেশনেৰে পুৱা ৯ বজাত দৰ্শনী আৰম্ভ

# 'ৰৈ ৰৈ বিনালে' ছবিত জুবিন গাৰ্গৰ জীৱনৰ প্ৰতিফলন দেখি আৱেগিক দৰ্শক

### মোবাইলত ফটো তোলাৰ প্ৰৱণতা পৰিহাৰ দৰ্শকৰ

**অসম বাৰ্তা, নামতি, ১ নৱেম্বৰ ঃ** শিল্পী জুবিন গাৰ্গৰ সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বশেষ কথাছবি ৰূপে আদৃত হ'ল "ৰৈ ৰৈ বিনালে"। নাজিৰা বোলছবি সমবায় সমিতিৰ চিত্ৰগৃহত আজি পুৱা ৭-৪৫ বজাৰপৰা আৰম্ভ হোৱা দৰ্শক তথা ৰাইজৰ সমাগমে জুবিন গাৰ্গৰ সংগীত আৰু স্ব-অভিনয়েৰে পৰিপুষ্ট "ৰৈ ৰৈ বিনালে" কথাছবি চাই দৰ্শক আৱেগিক হৈ পৰাৰ দৃশ্য পৰিলক্ষিত হয়। নাজিৰাৰ সুশৃংখলিত চিত্ৰগৃহৰ প্ৰৱেশ আৰু প্ৰস্থানত শাৰীবদ্ধ হৈ নিৰ্দিষ্ট সময়ত প্ৰৱেশ কৰা দৰ্শকে আত্ম বিভোৰ হৈ কোনো আৱেগিক মুহূৰ্ত্তটো মোবাইলেৰে ফটো তোলাৰ প্ৰৱণতা পৰিহাৰ কৰে। চিত্ৰগৃহৰ কৰ্তৃপক্ষই এয়া দৰ্শকৰ জুবিন গাৰ্গৰ প্ৰতি থকা মৰম আৰু দায়বদ্ধতাৰ পৰিচয় বুলি উল্লেখ কৰে। ইফালে পুৱা ৯ বজাত আৰম্ভ হোৱা দৰ্শনীৰে পৰৱৰ্তী ১২বজা, ৩বজা, ৬বজা আৰু নিশা ৯ বজাত সৰ্বমুঠ পাঁচটাকৈ দৰ্শনী প্ৰচলন হোৱা নাজিৰা চিত্ৰগৃহত ইতিমধ্যে প্ৰতি দৰ্শনীত ২২১ জনকৈ দৰ্শকে "ৰৈ ৰৈ বিনালে" উপভোগ কৰিছে। কৰ্তৃপক্ষৰপৰা আজি সন্ধিয়া জানিবলৈ পোৱা মতে অহা ৯ নৱেম্বৰ পৰ্য্যন্ত টিকটৰ আগতীয়া বিক্ৰী সম্পন্ন হৈছে। আজি পুৱাৰ ভাগত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সমুখত শিৱসাগৰ জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি দিলীপ বৰদলৈয়ে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ শুভাৰম্ভ কৰে। নাজিৰা বোলছবি গৃহৰ প্ৰৱেশ আৰু প্ৰস্থান পথত নাহৰ পুলি ৰোপণ কৰে ক্ৰমে নাজিৰা বোলছবি সমবায়ৰ সভাপতি ৰমেন দত্ত, জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বিজয় চন্দ্ৰ বৰা, নাজিৰা প্ৰেছ ক্লাৱৰ সভাপতি ভাস্কৰজ্যোতি বৰগোহাঁই আৰু জুবিন ফেন ক্লাৱৰ সদস্য সকলে। দৰ্শক আৰু জুবিন গাৰ্গ ফেন ক্লাৱৰ সদস্য সকলে চিত্ৰগৃহৰ চোতালত মায়াবিনী গীত পৰিৱেশন কৰে। স্বাভাৱিকতেই কথাছবিখনক জুবিন গাৰ্গৰ জীৱনৰো এক প্ৰতিফলন বুলি অভিহিত কৰা দৰ্শকে এয়া সৰ্বসাধাৰণৰ পক্ষত ন্যায়ৰ বিচাৰ লাভ সুদূৰ পৰাহত হৈ ৰোৱা বাস্তৱৰ প্ৰতিফলন বুলিও আঙুলিয়াই যায়।

## দেওমৰনৈত 'শুশ্ৰুষা সেতু'ৰ অধীনত মেগা স্বাস্থ্য মেলা

**অসম বাৰ্তা, পাথৰিঘাট, ১ নৱেম্বৰ ঃ** অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ 'শুশ্ৰূষা সেতু' আঁচনিৰ অধীনত আজি ছিপাঝাৰ বিধান সভা সমষ্টিভিত্তিত মেগা স্বাস্থ্য মেলা অনুষ্ঠিত হয়। দেওমৰনৈ স্নাতক মহাবিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত উক্ত স্বাস্থ্য মেলাৰ জৰিয়তে জনসাধাৰণৰ মাজত স্বাস্থ্য সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ লগতে বিভিন্ন ৰোগৰ বিনামূলীয়া পৰীক্ষা আৰু চিকিৎসা সেৱা প্ৰদান কৰাই হৈছে ইয়াৰ প্ৰধান উদ্দেশ্য। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতাল আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ উপৰিও দৰং জিলাৰ বিভিন্ন চিকিৎসালয়ৰ প্ৰায় ৪০ গৰাকীৰো অধিক অভিজ্ঞ চিকিৎসকে চিকিৎসা সেৱা প্ৰদান কৰা উক্ত স্বাস্থ্য মেলাত হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক, চকু আৰু নাক-কাণৰ ৰোগকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ নিৰ্ণায়ক পৰীক্ষা, পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণ ব্যৱস্থা, ৰোগ অনুসৰি পৰ্যায় ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা- সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা কৰাৰ লগতে ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক বিশেষ গুৰুত্ব প্ৰদান কৰে।

# বকো আৰক্ষী থানা আৰু থানা নাগৰিক সমিতিৰ উদ্যোগত ৰাষ্ট্ৰীয় একতা দিৱস পালন




**অসম বাৰ্তা, বকো, ১ নৱেম্বৰ ঃ** আজি ৰাষ্ট্ৰীয় একতা দিৱস। এই দিৱসটো হৈছে চৰ্দাৰ বল্লভভাই পেটেলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ অৰ্থে ভাৰত চৰকাৰে সূচনা কৰা এটা দিৱস। ২০১৪ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই দিৱসৰ শুভাৰম্ভ কৰিছিল। প্ৰতি বছৰে ৩১ অক্টোবৰত অৰ্থাৎ আজিৰ দিনটোত চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম তিথিত এই দিৱস পালন কৰা হয়। আজি সমগ্ৰ দেশজুৰি পালন কৰা হৈছে এই ৰাষ্ট্ৰীয় একতা দিৱস। সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাৰ বকো ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বকোতো পালন কৰা হৈছে ৰাষ্ট্ৰীয় একতা দিৱস। বকো আৰক্ষী থানা আৰু থানা নাগৰিক সমিতিৰ উদ্যোগত পালন কৰা হৈছে ৰাষ্ট্ৰীয় একতা দিৱস। আজি ৰাতিপুৱা প্ৰতিকুল বতৰকো নেউচি লৌহ মানৱ চৰ্দাৰ ভল্লৱভাই পেটেলদেৱৰ ১৫০ সংখ্যক জন্ম জয়ন্তী উপলক্ষে একতাৰ শ্ল'গানেৰে বকোৰ মাজমজিয়াত একতাৰ দৌৰ অনুষ্ঠিত কৰা হয়। থানা নাগৰিক সমিতিৰ অধ্যক্ষ বিনোদদত্ত শৰ্মা আৰু বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মুন্না পাচনীৰ নেতৃত্বত অনুষ্ঠিত হয় ৰাষ্ট্ৰীয় একতা দিৱস অনুষ্ঠান। উক্ত অনুষ্ঠানত বকো আৰক্ষী থানাৰ আৰক্ষী বিষয়া-জোৱানৰ উপৰি থানা নাগৰিক সমিতিৰ বিষয়ববীয়া, বকো অঞ্চলৰ বিভিন্ন দল-সংগঠন ও বহু বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। বকো গান্ধীমৈদানৰ পৰা বকো এম.ভি স্কুল, আৰু তাৰ পৰা পুনৰ বকো আৰক্ষী থানালৈ আজিৰ একতাৰ দৌৰ। আজি একতাৰ দৌৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰি থানা নাগৰিক সমিতিৰ অধ্যক্ষ বিনোদদত্ত শৰ্মাই কয় যে- লৌহ মানৱ চৰ্দাৰ পেটেলজীৰ একতাৰ নীতি আদৰ্শত দৃঢ় বকো আৰক্ষীৰ লগতে নাগৰিক সমিতিয়ে।

## নাৱালিকা কিশোৰীক ধৰ্ষণ কৰি পলায়ন কৰা অভিযুক্তৰ আত্মসমৰ্পণ

**অসম বাৰ্তা, গোলকগঞ্জ, ১ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ ভাৰত বাংলাদেশ সীমান্তৰ গোলকগঞ্জৰ বেৰভাঙীত এগৰাকী নাৱালিকা কিশোৰীক ধৰ্ষন কৰি পলায়ন কৰা অভিযুক্ত এমদাদুল হকে আজি গোলকগঞ্জ থানাত আত্মসমৰ্পণ কৰে। উল্লেখ্য যে যোৱা একৈশ অক্টোবৰৰ নিশা এমদাদুল হকে এগৰাকী কিশোৰীক নিজ গৃহলৈ আনি কেৱাবাৰো ধৰ্ষন কৰে। কিশোৰী গৰাকীয়ে বিয়াৰ বাবে হেঁচা প্ৰয়োগ কৰাত পুৱতি নিশা মাৰপিট কৰি গৃহৰ পৰা ওলাই দিয়ে। ঘটনা সন্দৰ্ভত নাৱালিকা কিশোৰী গৰাকীৰ পৰিয়ালে অভিযুক্ত এমদাদুল হকক ধৰি কেৱা জনৰ বিৰুদ্ধে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিল কৰাত অভিযুক্ত এমদাদুলে গৃহৰ পৰা পলায়ন কৰি আত্মগোপন কৰে। অৱশেষত আজি উপায়হীন হৈ অভিযুক্ত এমদাদুল হকে গোলকগঞ্জ থানাত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়।

# ককিলা ৰাস মন্দিৰ শ্ৰীশ্ৰী কৃষ্ণৰ ৯০তম্ ৰাসোৎসৱৰ আয়োজন

**অসম বাৰ্তা, নিমাতীঘাট, ১ নৱেম্বৰ ঃ** উত্তৰ যোৰহাট ককিলা ৰাস মন্দিৰৰ ৯০ তম্ শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসোৎসৱ ভাগি পূৰ্বৰ দৰে এইবাৰো ৩ নবেম্বৰৰ পৰা ৫ নবেম্বৰলৈ তিনি দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। ৩ নবেম্বৰৰ দিনা পুৱা স্মৃতি সৌধৰ বন্তি প্ৰজ্জ্বলন, ধৰ্মধ্বজ্বা উত্তোলন আৰু শ্ৰীশ্ৰী ৰাধাকৃষ্ণৰ প্ৰতিষ্ঠা দিৱসৰ বিষ্ণু পূজা, গোপিনী কীৰ্তন আৰু সংকীৰ্তন, ৪ নৱেম্বৰত পুৱা মন্দিৰৰ নিত্য পূজা, দুপৰীয়া ৰাজহুৱা বৰসবাহ, সন্ধ্যা বন্তি প্ৰজ্জ্বলন, শ্ৰীশ্ৰী ৰাধাকৃষ্ণৰ অধিবাসৰ পূজা, মহাৰাসৰ পূজা আৰু শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা আৰু ৫ নৱেম্বৰত পুৱা শ্ৰীশ্ৰী ৰাধাকৃষ্ণ মহাৰাসৰ পূজা সমাপন, মন্দিৰ প্ৰদক্ষিণ, শান্তি আশংসা, নিৰ্মালী প্ৰদান, ৰাসলীলা নাটকৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে ধাৰাবাহিক ভাৱে ৯০বছৰ অনুষ্ঠিত কৰি অহা এই ৰাসোৎসৱ ভাগি সম্পূৰ্ণ বিনামূলীয়াকৈ অনুষ্ঠিত কৰি অহা হৈছে। ৰাস উদ্‌যাপন সমিতিৰ সভাপতি আৰু সম্পাদক পৰশমণি গোস্বামী আৰু বিনয় ভূষণ গোস্বামীয়ে সমূহ ৰাইজৰ উপস্থিতি কামনা কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন